REFERENCE

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

**FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

## VOL. I

## No. 14

**The 29th May 1978**

1981
PRINTED AT THE ASSAM GOVERNMENT PRESS,
GAUHATI

REFERENCE
(Not for issue)
Inside Library

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

( Budget Session )

Volume—I

No. 14

Dated the 29th May, 1978

———

Contents pages

| | | |
|---|---|---|
| 1. | Questions .. ... ... | 623—644 |
| 2. | Calling Attention .. .. ... | 644—649 |
| 3. | Matters Under Rule 301 ... .. | 649—656 |
| 4. | Miscellaneous ... ... ... | 657 |
| 5. | Ruling by the Speaker .. ... | 658—659 |
| 6. | Introduction of the Assam Criminal Law (Amendment) Bill, 1978 | 659 |
| 7. | General Discussion on the Budget .. .. | 660—688 |
| 8. | Adjournment .. ... ... | 689 |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic the Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Monday, the 29th May, 1978 with the Hon. Speaker in the Chair, 12 (twelve) Ministers, 4 (four) Ministers of State, 4 (four) Parliamentary Secretries and 86 (eightysix) Members present.

## STARRED QUESTIONS AND ANSWERS

### বিঃ ৰাজ্যিক লটাৰী খেল

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে ঃ

*৩১। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰে কোন চনৰ পৰা ৰাজ্যিক লটাৰী খেল খেলাৰ সিদ্ধান্ত ললে ?

(খ) এই লটাৰী খেলৰ পৰা পোৱা টকাবোৰ কি কামত খৰছ কৰা হয় ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩১। (ক)—ৰাজ্যিক লটাৰী খেল চলোৱাৰ সিদ্ধান্ত ১৯৬৯ চনত লোৱা হয়।

(খ)—এই লটাৰী খেলৰ পৰা পোৱা লাভাংশৰ শতকৰা ২৫ ভাগ ৰাজ্যৰ ৰাজহত জমা হয়।

বাকী শতকৰা পয়সত্তৰ ভাগৰ তিনি ভাগৰ দুই অংশ ডাঃ ভুবনেশ্বৰ বৰুৱা কেন্সাৰ ইনষ্টিটিউটত অনুদান দিয়া হয়।

ছয় ভাগৰ এক অংশ শিক্ষামূলক কামৰ বাবে আৰু ছয় ভাগৰ এক অংশ খেলাৰ উন্নতি বাবে অনুদান হিচাবে দিয়া হয়।

শ্ৰীভদ্ৰেশ্বৰ গগৈ ঃ অধ্যক্ষ মহোদয়, এতিয়ালৈকে এই খেল বিভাগৰ পৰা চৰকাৰে কিমান টকা পাইছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ এই লটাৰি খেলৰ পৰা ৩৪ লাখ ১৩ হাজাৰ ৪৬২ টকা লাভ হৈছে। তাৰে ১৫ লাখ ৪২ হাজাৰ ৪৯৯.৭৪ পইচা ডাঃ ভুবনেশ্বৰ বৰুৱা কেন্সাৰ ইন্সটিটিউট, খেলা-ধূলা আৰু শিক্ষাৰ কাৰণে দিয়া হৈছে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ঃ বছৰি লটাৰী খেল কেইবাৰ হয় আৰু খেলৰটকাৰে কি কি অনুদান দিয়া হৈছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ এতিয়া কিছুদিনৰ পৰা খেল ১৫ দিনৰ মূৰে মূৰে হৈছে। অনুদান দিয়া অনুষ্ঠানৰ লিষ্ট যদি দৰকাৰ হয় সদনৰ আগত দাঙি ধৰিব পাৰো।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী : এতিয়া ১৫ দিনৰ মূৰে মূৰে খেল হয়, ইয়াৰ আগতে প্লেগ পৰ্য্যন্ত আছিল। এনেকুৱা কোনো বা এটা খেলত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছেনোক?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : এটা কিয়, কেইবাটাও খেলত ক্ষতিগ্ৰস্ত হৈছে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী : কোন খন খেলত ক্ষতিগ্ৰস্ত হৈছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : বিৰাট লিষ্ট আছে। সদনৰ টেবুলত দাখিল কৰিব পাৰিম।

শ্ৰীচামচৰণ হুদা : এই লটাৰী খেল বিলাক হওতে যি বিলাক টিকেট বিক্ৰি হয় তাৰে ভালেমান বিক্ৰি হোৱা নাই অৰ্থাত 'আনচ লড' দেখুৱাই বিভাগীয় কিছুমান মানুহে টকা আত্মসাত কৰা কথাটো গম পায়নে? যদি গম পায়, তেন্তে তদন্ত কৰিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : এতিয়ালৈকে তেনে আপত্তি পোৱা নাই, যদি পাও নিশ্চয় বিবেচনা কৰি চোৱা হব।

শ্ৰীপ্ৰেমধৰ বৰা : লটাৰীৰ সংগৃহীত টকা বিতৰণৰ দায়িত্ব ডিৰেক্টৰৰ হাতত থাকেনে কেনোবা কমিটি আছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : ৰুলচ অনুযায়ী টকা বিতৰণ কৰা হয় আৰু তাৰ বাবে ৰুলচ মতে কমিটি আছে। বিত্তমন্ত্ৰী চেয়াৰমেন, স্বাস্থ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, সমাজকল্যাণ মন্ত্ৰী, মুখ্য সচিব, আৰু বিত্ত সচিব মেম্বাৰ।

শ্ৰীপ্ৰেমধৰ বৰা : এই কমিটি খন আগৰ খনেই আছেনে, সালসলনি হৈছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : এই কমিটি খন ১৯৭৩ চনত গঠিত হৈছিল আৰু ১৯৭৫ চনৰ পৰা কোনো টকা বিতৰণ কৰা হোৱা নাই।

শ্ৰীমুকুট শৰ্ম্মা : মন্ত্ৰী মহোদয়ে কৈছে যে শিক্ষা মূলক আৰু খেলৰ বাবে টকা দিয়া হয়, কেনেকুৱা ধৰণৰ শিক্ষা মূলক আৰু খেলৰ কাৰণে টকা দিয়া হয় ? ডাঃ ভুবনেশ্বৰ বৰুৱা কেন্সাৰ অনুষ্ঠানক দিয়া হৈছে। এনে যদি অনুষ্ঠান ওলায় তেন্তে সেইবিলাকক দিয়া হবনে ? এনেকুৱা অনুষ্ঠান শংকৰ মিচনৰ কথা কব খুজিছো। স্বাস্থ্য আদিৰ ক্ষেত্ৰত, লৰা-ছোৱালীৰ স্কুল কলেজ কৰিছে। গতিকে তেনে ধৰণৰ অনুষ্ঠানক ৰাজ্যিক লটাৰীৰ লাভৰ অংশৰ পৰা টকা দিয়া হবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : এনেকুৱা অনুষ্ঠানক দিয়া হৈছে আৰু ইয়াৰ এখন লিষ্ট সদনৰ ওচৰত দাখিল কৰিম।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী : প্ৰধান মন্ত্ৰীয়ে মদ বন্ধ কৰিব খুজিছে, সেই ধৰণে লটাৰীক জুৱা হিচাবে বন্ধ কৰাৰ সম্ভাৱনা আছেনেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : সেইটো মতামতৰ কথা। প্ৰধান মন্ত্ৰীয়ে চিন্তা কৰা নাই আৰু আমিও সেই বিষয়ে চিন্তা কৰা নাই।

শ্ৰীএ, এন, আক্ৰাম হুচেইন : এইটো সচানেকি যে অসম ৰাজ্যিক লটাৰীৰ টিকেট বিক্ৰি কৰা এজেণ্ট সকলে অসমৰ ভিতৰত আৰু ভাৰতৰ বিভিন্ন অঞ্চলৰ এজেণ্ট সকলে কেইবা লাখ টকা চৰকাৰক দিবলৈ বাকী আছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : টকা বাকী আছে। দুটা অনুষ্ঠানে টকা আত্মসাত কৰিছে আৰু সেই কাৰণে আদালতত গোচৰ চলি আছে।

শ্ৰীএ, এন, আক্ৰাম হুচেইন :কিমান টকা আত্মসাত কৰিছে, কিমান টকা দিবলৈ বাকী আছে, এজেণ্টৰ নাম কেইটা সদনক দিবনে আৰু আদায় কৰিবৰ কাৰণে ব্যৱস্থা কৰিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : আদায় কৰিবলৈ ব্যৱস্থা কৰা হৈছে। যি টকা আত্মসাত কৰিছে তাৰ বাবে আদালতত গোচৰ তৰা হৈছে। যিসকলৰ টকা দিবলৈ বাকী আছে সেই বিলাক আদায় কৰিবৰ কাৰণে চৰকাৰে যথাযথ চেষ্টা কৰি আছে।

শ্ৰীএ, এন, আক্ৰাম হুচেইন : নাম কেইটা লাগে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : আত্মসাত কৰাৰ নাম কেইটা দিব পাৰো। ডিফলকেচন কেচ শ্ৰীবি, কে যোচৰ বিৰুদ্ধে ২ লাখ ১৬ হাজাৰ ৪ শ টকা আৰু চামচুল হুদা, নগাঁও দুই লাখ ৩৭ হাজাৰ ৪৪৫ টকা।

শ্ৰীএ, এন, আক্ৰাম হুচেইন : টকা দিবলৈ বাকী থকা কেইটাৰ নাম লাগে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : নটিচ দিলে সদনত দাখিল কৰিম।

শ্ৰীএ, এন, আক্ৰাম হুচেইন : নটিচ কিয় লাগে ? প্ৰশ্নটোৰ লগত জৰিত কথা। লাখ লাখ টকা অসমৰ বাহিৰৰ আৰু ভিতৰৰ এজেণ্ট সকলে লুটপাট কৰিব ধৰিছে। কোনে কোনে টকা দিবলৈ বাকী আছে, সেই নাম কেইটা জনাবলৈ বিত্তমন্ত্ৰী কিয় অপৰাগ ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : তেনেকুৱা কোনো খবৰ এতিয়ালৈকে চৰকাৰীভাবে পোৱা নাই।

শ্ৰীএ, এন, আক্ৰাম হুচেইন : কোন কোন দুজনে টকা দিবলৈ বাকী আছে, নাম কেইটা জনোৱাত কিয় অপৰাগ হৈছে ?

শ্ৰীমুকুন্দ শৰ্মা : এই লটাৰীৰ লাভৰ অংশৰ পৰা শংকৰ মিচনৰ নিচিনা অনুষ্ঠানক অনুদান দিয়া হবনেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : লিষ্ট এখন সদনত দাখিল কৰিম। ১৯৭৫ চনলৈকে টকা দিয়া হৈছে। ডাঃ ভুবনেশ্বৰ বৰুৱা কেন্সাৰ অনুষ্ঠানক তেওঁলোকৰ বোঁচ অংশ বাবে আগতীয়াকৈ ১ লাখ ১০ হাজাৰ টকা দি ৰাখিছে।

শ্ৰীচামচুল হুদা : অসম ৰাজ্যিক লটাৰীৰ যাৱতীয় কাগজ পত্ৰ কোনো নিৰ্দেশ নোহোৱাকৈ খেল হৈ যোৱাৰ সাত দিন পিচত চপাৰ্শভিজন নোহোৱাকৈ, অদিট নোহোৱাকৈ এজনৰ দায়িত্বত কিয় নষ্ট কৰা হয় ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : আগেয়ে কৰা হৈছিল, এতিয়া নিৰ্দেশ দিছো, এনেকুৱা কৰা নাই ।

Re : **Plantation Labour Act**.

Shri PRATAP KALITA asked :

*32. Will the Minister, Labour be pleased to state—

(a) Whether the provisions of the Plantations Labour Act has been applied to all tea gardens of Assam ?

(b) What steps Government has taken against the tea gardens who have violated the provisions of this Act ?

Shri GOLAP BORBORA (Chief Minister) replied :

32. (a)—No.

(b)—In cases of violation prosecution cases are filed against the defaulter employers of tea gardens.

শ্রীপ্রতাপ কলিতা ঃ—অধ্যক্ষ মহোদয়, কিমান মেনেজমেণ্টৰ বিৰুদ্ধে এনেকুৱা মকৰ্দ্দমা কৰা হৈছে ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) ঃ ১৯৭৭ চনৰ ভিতৰত এনেকুৱা ২৭ টা মোকৰ্দ্দমা কৰা হৈছে ।

শ্রীগোলোক ৰাজবংশী ঃ- অধ্যক্ষ মহোদয়, এই মোকৰ্দ্দমাৰ ভিতৰত কাচাৰ জিলাত কিমানটা আছে ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) ঃ- জিলা হিচাবে এতিয়া দিব পৰা নহব ।

শ্রীগোলোক ৰাজবংশী ঃ- এই মোকৰ্দ্দমা বিলাকৰ দোষৰ যিটো কোৱালিটি আৰু শাস্তিৰ যিটো কোৱালিটি এই দুটা তুলনা কৰিলে কোনটো বেছি ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) ঃ- এইটো মতামতৰ কথা ।

শ্রীঅতুল চন্দ্র গোস্বামী ঃ- অধ্যক্ষ মহোদয়, যিখন লেবাৰ প্লেনটেচন এক্ট কৰা হৈছে সেই মতে মেনেজমেণ্টে আমি বিচৰা মতে শাস্তি দিব পাৰিবনে ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) ঃ- তেনেকুৱা ব্যৱস্থা নাই ।

শ্রীঅতুল চন্দ্র গোস্বামী ঃ-অধ্যক্ষ মহোদয়, মেনেজমেণ্টৰ লগত ষ্টেটিউটৰিৰ সম্বন্ধ থকাৰ কাৰণে শাস্তি দিব পৰা নাই । গতিকে এইখন এমেণ্ড কৰিবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :- এই আইন এমেন্দ কৰা কাৰণে ইতমধ্যে চৰকাৰে ব্যৱস্হা গ্ৰহণ কৰিছে ।

শ্ৰীগোলোক ৰাজবংশী :- কোন চৰকাৰে ব্যৱস্হা লৈছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :- কেন্দ্ৰীয় চৰকাৰে লৈছে ।

Shri GAURISHANKAR ROY : Sir, May I know how many tea gardens have violated the provisions of Plantations Labour Act.

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— যোৱা বছৰ ২৭ টা কেছ হৈছে।

Shri GAURISHANKAR ROY : Sir, whether the Government propose to enquire into the matter and submit a report on the table of the House regarding the Tea Gardens ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এইটো কৰা হব।

Shri RANENDRA NARAYAN BASUMATARI : Sir, the Hon'ble Chief Minister has said that some thousands of cases have been pending in the court. Since how long these cases have been pending and how many cases in the meantime have been disposed of ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— যোৱা বছৰ ২৭ টা কেছৰ ভিতৰত এটা দিচপজ কৰা হৈছে, যিটোত এম্পয়ৰক এক মাহৰ জেল আৰু ১০০ টকা জৰিমনা কৰা হৈছে।

Starred Question Nos. 33 and 34 were not put the members being absent.

বি ঃ পঞ্চায়ত নিৰ্ব্বাচন

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ

*৩৫। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ বিভিন্ন পঞ্চায়তৰ নিৰ্ব্বাচনৰ দিন কেতিয়া স্হিৰ কৰা হৈছে ?

(খ) এই নিৰ্ব্বাচনত বাগানৰ এলেকাও অন্তৰ্ভূক্ত কৰা হৈছে নেকি ?

শ্ৰীজহিৰুল ইছলাম (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৫। (ক)—পঞ্চায়ত নিৰ্ব্বাচনৰ দিন ২৩।৬।৭৮ তাৰিখত ধাৰ্য্য কৰিবলৈ বিবেচনা কৰা হৈছিল ; কিন্তু নানান অসুবিধাৰ কাৰণে চৰকাৰে এই নিৰ্ব্বাচন সাময়িক ভাৱে স্থগিত ৰাখিছে ।

(খ)—এই উদ্দেশ্যে চাহ বাগান সমূহলৈ পঞ্চায়ত এলেকাবোৰৰ পৰিসীমন (delimitation) কাম হাতত লোৱা হৈছে ।

**শ্ৰীগোলোক ৰাজবংশী :**—অধ্যক্ষ মহোদয়, যোৱা নিৰ্ব্বাচনৰ কাৰণে যিটো দিন ঠিক কৰা হৈছিল, তাত চাহ বাগান বিলাকক অন্তৰ্ভূক্ত কৰা হৈছিল নে নাই ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী) :—চৰকাৰৰ নীতি অনুসৰি সোনকালে নিৰ্ব্বাচন পাতিব লাগে। কিন্তু দিলিমিটেচন সম্পূৰ্ণ নোহোৱাৰ কাৰণে সাময়িক ভাবে স্থগিত ৰখা হৈছে।

**শ্ৰীগোলোক ৰাজবংশী :**—কোন আইনৰ জৰিয়তে এই সিদ্ধান্ত লোৱা হৈছিল ?

**শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী,) :**—পঞ্চায়ত আইন অনুসৰি এই সিদ্ধান্ত লোৱা হৈছিল।

**শ্ৰীগোলক ৰাজবংশী :**—পঞ্চায়তৰ আইনত বাগান বিলাক বাদ দিয়া হৈছিল নে কি? যাৰ কাৰণে বাগান বিলাক অন্তৰ্ভূক্ত কৰা হোৱা নাছিল ?

(উত্তৰ নাই)

**শ্ৰীগোলেক ৰাজবংশী :**—বৰ্ত্তমান সময়ত বাগান বিলাকক অন্তৰ্ভূক্ত কৰা হৈছেনে ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী) :—বাগান বিলাক বাদ দিয়াৰ কথা নাই। অসমৰ পঞ্চায়ত নিৰ্ব্বাচনৰ কথা মাননীয় সদস্য সকলে জানে। নিৰ্ব্বাচন তাৰ আগতেই ৰখা হৈছে। নিয়মমতে ৪ বছৰৰ বেছি কোনো থাকিব নোৱাৰে। আৰু দিলিমিটেচন প্ৰচেষ্টাৰ কাৰণে যথেষ্ট সময়ৰ দৰকাৰ। এইটো কৰিবলৈ নটিফিকেচন কৰিব লাগিব তাৰ কাৰণে অবজেকচন আহিব পাৰে এইবিলাক চাই চিটি ৪ বছৰৰ ওপৰ ম্যাদ দিয়া নাছিল। গতিকে একচেচ পিৰিয়দৰ বাবে তেওঁলোকক দিয়া নহব। তাৰ কাৰণে বাগান বিলাকক বাদ দিয়া হৈছিল। কিন্তু ভবিষ্যতে নিৰ্ব্বাচন হলে বাগান বিলাক সামৰি লোৱা হব।

**শ্ৰীগোলোক ৰাজবংশী :**— নটিফিকেচন কিয় দিয়া হোৱা নাছিল ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী,):— দিলিমিটেচনৰ কাৰণে দিয়া হোৱা নাছিল।

শ্ৰীৰণেন বসুমতাৰী :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে বাগান এলেকা বিলাক পঞ্চায়তত অন্তৰ্ভূক্ত কৰা হব। এতিয়া অকল বাগান এলেকাৰ ভিতৰতে পঞ্চায়ত কৰিব নে নাই বাহিৰৰ চিভিল এলেকাক লৈ বাগানৰ লগত সংলগ্ন কৰি পঞ্চায়ত কৰিব ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী,) :— এইটো পৰীক্ষা কৰি থকা হৈছে। ১৬ হাজাৰৰ পৰা ২০ হাজাৰৰ ভিতৰত এটা পঞ্চায়তত জনসংখ্যা থাকে। তাত যদি বাগানৰ ১৫ হাজাৰ লোকসংখ্যা পৰে তেতিয়া হলে তাত এটা পঞ্চায়ত কৰাৰ সুবিধা হব পাৰে। মুঠতে যত যেনে ভাবে দৰকাৰ তাত তেনে ভাবেই পঞ্চায়ত কৰা হব।

শ্ৰীফণি মেধি :—মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, নিৰ্ব্বাচনৰ সময়ত যিসকল কাউন্সিলৰ আৰু সভাপতিয়ে অংশ গ্ৰহণ কৰাৰ কাৰণে সদস্য পদৰ পৰা ইস্তাফা দিছিল অহা নিৰ্ব্বাচনৰ সময়লৈকে তেওঁলোকক কাৰ্য্যকাল চলাই থাকিবলৈ দিয়া হবনে ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী,):— সেইটো দিয়া নহব।

শ্ৰীচামছুল হুদা :—অধ্যক্ষ মহোদয়, যোৱা ৩১ বছৰে বাগান এলেকাক পঞ্চায়ত নিৰ্ব্বাচনৰ পৰা বাদ দিয়া হৈছে, বৰ্ত্তমান সেইবিলাক কেনে ভাবে সামৰি লোৱা হৈছে ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী,):—এই প্ৰশ্নৰ উত্তৰ মই আগতেই দিছো ।

শ্ৰীহিতেশ্বৰ শইকীয়া :— অধ্যক্ষ মহোদয়, এই নিৰ্ব্বাচন মেহতা কমিচনৰ ফাইনদিংচৰ পিচত হবনেকি ?

শ্ৰীজোহেৰুল ইচলাম (মন্ত্ৰী,) :—সেইটো বিবেচনা কৰি আছো।

শ্ৰীগোলক ৰাজবংশী :— পঞ্চায়তৰ কাউন্সিলৰ নাই কিন্তু বজাৰ বিলাক ডাকত দিব লাগে এই বিলাক কেনেকৈ চেটেল দিয়াৰ কথা চৰকাৰে চিন্তা কৰিছে ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) :—আইনৰ বাহিৰত চৰকাৰে কোনো কাম নকৰে।

শ্ৰীকুল বাহাদুৰ চেত্ৰী :— আগৰ পঞ্চায়ত বিলাকত যিবিলাক দোষ এটি আছিলে সেইবিলাক কেনেকৈ সংশোধন কৰাৰ কথা আছিল ?

শ্ৰীজোহেৰুল ইচলাম (মন্ত্ৰী) :—ইয়াৰ কাৰণে দিলিমিটেচনৰ কথাটো আহি পৰে।

শ্ৰীজীৱন বৰা :—অধ্যক্ষ মহোদয়, বজাৰ বিলাক চেটেলমেণ্ট দিয়াৰ ক্ষেত্ৰত যিবিলাক খেলিমেলিৰ সৃষ্টি হৈছে সেইবিলাক বন্ধ কৰাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) :—এই সম্পৰ্কে দৃষ্টি গোচৰ হলে ব্যৱস্থা লোৱা হব।

শ্ৰীমতী আনোৱাৰ টাইমুৰ :—অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়ত আইন সংশোধন কৰাৰ কথা চৰকাৰে চিন্তা কৰিবনে কি ?

শ্ৰীজোহেৰুল ইচলাম (মন্ত্ৰী) :— এইটো বিবেচনা কৰা হৈছে।

শ্ৰীৰবীন্দ্ৰ নাথ মালাকৰ :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা পঞ্চায়ত নিৰ্ব্বাচনত কিমান টকা খৰছ হৈছিল আৰু ভৱিষ্যতে যিটো পঞ্চায়ত নিৰ্ব্বাচন হব তাঁতে কিমান টকা খৰছ পৰিব সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) :—সেইটোৰ কাৰণে বেলেগে প্ৰশ্ন কৰিব লাগিব।

বি ঃ কলিয়াবৰ উত্তোলিত জলসিঞ্চন আঁচনিৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

*৩৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কলিয়াবৰ উত্তোলিত জলসিঞ্চন আঁচনিৰ বাবে কলিয়াবৰ সমষ্টিৰ যথাক্ৰমে পূবথৰীয়া মৌজা, চাঁতিয়াল মৌজা আৰু বৰভগীয়া মৌজাৰ কিমান খেতিৰ মাটি অধিগ্ৰহণ কৰা হৈছে ?

(খ) অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ আদায় কৰা হৈছে নে আৰু যদি হৈছে, কিমান বিঘা মাটিৰ ক্ষতিপূৰণ ইতিমধ্যে দিয়া হল ?

(গ) এই কথা সচাঁনে যে চাঁতিয়াল, পূবথৰীয়া আৰু বৰভগীয়া মৌজাৰ বহুখেতিয়ক ৰাইজে এতিয়ালৈকে মাটিৰ ক্ষতিপূৰণ পোৱা নাই আৰু যদি সচাঁ তেন্তে ইয়াৰ কাৰণ কি?

(ঘ) অধিগ্ৰহণ কৰা মাটিৰ টকা অবিলম্বে আদায় দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৬। (ক)—কলিয়াবৰ চক্ৰৰ পূবথৰীয়া, চাঁতিয়াল আৰু বৰভগীয়া মৌজাৰ মুঠ ৩৪৪১ বিঘা ২ কঠা ১৮ লেচা মাটি কলিয়াবৰ উত্তোলন জলসিঞ্চ আঁচনিৰ বাবে অধিগ্ৰহণ কৰা হৈছে ।

(খ)—অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণৰ কিছু টকা চৰকাৰৰ বিভাগীয় কৰ্ত্তৃপক্ষৰ পৰা পোৱা হৈছে আৰু কিছু টকাৰ চূড়ান্ত মঞ্জুৰী পাবলৈ এতিয়াও বাকী আছে। কৰ্ত্তৃপক্ষই জমা দিয়া নিধিৰ পৰা প্ৰায় ২৫০০ বিঘা মাটিৰ ক্ষতিপূৰণ ইতিমধ্যে দিয়া হৈছে।

(গ) চাঁতিয়াল, পূবথৰীয়া আৰু বৰভগীয়া মৌজাৰ কিছু ক্ষতিগ্ৰস্ত খেতিয়ক ৰাইজে এতিয়াও ক্ষতিপূৰণ টকা নোপোৱাটো সচাঁ। এই টকা বিভাগীয় কৰ্ত্তৃপক্ষৰ পৰা কোনো কোনো চূড়ান্ত মঞ্জুৰী পলমকৈ পোৱাৰ বাবে আৰু মঞ্জুৰীৰ টকা পোৱাৰ পিচতো মাটিৰ মালিক আৰু তলতীয়া ৰায়তৰ মাজত নিজ নিজ অংশলৈ গোচৰ চলি থকা বাবে আৰু পূৰ্ব্বৰ 'এলাইনমেন্ট' সলনি হোৱাত সংশোধনী প্ৰাক্‌কলন প্ৰস্তুত কৰিব লগীয়া হোৱা আদি কাৰণৰ বাবে কেইটামান অধিগ্ৰহণ গোচৰৰ টকা দিব পৰা হোৱা নাই ।

(ঘ)—হয়, চৰকাৰে যিমান সোনকালে পৰা হয়, এই টকা দিবৰ বাবে ব্যৱস্থা লৈ থকা হৈছে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— মাননীয় অধ্যক্ষ মহোদয়, উত্তোলিত জলসিঞ্চন আঁচনিৰ কাৰণে যিখিনি মাটি অধিগ্ৰহণ কৰা হৈছে বিঘাই প্ৰতি সেই মাটিখিনিৰ ক্ষতিপূৰণ কিমান টকাকৈ দিয়া হৈছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) ঃ—বিঘাই প্ৰতি ৯০০ টকাকৈ দিয়া হৈছে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—মাননীয় অধ্যক্ষ মহোদয়, অন্যান্য ক্ষেত্ৰত অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ মঠাউৰিৰ ক্ষেত্ৰত বা এন, জি, চিৰ কা ৰ কাৰণে মাটি অধিগ্ৰহণ কৰাৰ ক্ষেত্ৰত বিঘাই প্ৰতি কিমান টকাকৈ ক্ষতিপূৰণ দিয়াহৈছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—এইটোৰ উত্তৰ বেলেগে প্ৰশ্ন কৰিলেহে দিব পৰা হব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— ১০০ টকাকৈ যিটো ক্ষতিপূৰণ দিয়া হব সেইটো বজাৰ দৰতকৈ কম বুলি বিবেচনা নকৰেনে ?যদি কৰে, তেন্তে হলে, সেইটো বৃদ্ধি কৰাৰ কাৰণে বিবেচনা কৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— পট্টাদাৰজনে যদি কম হৈছে বুলি আপত্তি দৰ্শায় বা কটলৈ গৈ এই বিষয়ে টকা বেছি লাগে বুলি জনাব লাগিব।

শ্ৰীছিৰাজুল হক :— মানীয় অধ্যক্ষ মহোদয়, কিছুমান লিষ্ট আগতীয়াকৈ আৰু কিছুমান লিষ্ট পিছত অহাৰ কাৰণ কি ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এইটো আছিল কলিয়াবৰৰ সংক্ৰান্তত। গতিকে ইয়াৰ সম্পৰ্ক নাই।

শ্ৰীছিৰাজুল হক :— মাননীয় অধ্যক্ষ মহোদয়, কিছুমান লিষ্ট আহিছে আৰু কিছুমান লিষ্ট এতিয়াও বাকী আছে। ভাগ ভাগকৈ অহাৰ কাৰণ কি? যিসকলে এপ'ৰছ কৰিব পাৰে সেইসকলৰ লিষ্ট বিলাক আহে আৰু যিসকলে এপ'ৰছ কৰিব নোৱাৰে সেই সকলৰ নাহে। ইয়াৰ কাৰণ কি ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এইটো বন্ধ কৰিবৰ কাৰণে ব্যৱস্থা কৰি থকা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, পট্টাদাৰসকলক 'ৰিফাণ্ড ভাওচাৰ' যোগে পইছা দিয়ে। গাঁওবুঢ়াজনে মানুহজনক চিনাক্ত কৰি দিব লাগে। তেনেকৈ ৰিফাণ্ড ভাওচাৰ যোগে দিয়া স্বত্বেও নগাঁৱৰ দুগৰাকী দৰিদ্ৰ মানুহৰ পৰা পাঁচ হেজাৰ পাঁচ হেজাৰকৈ অন্য কোনোবাই লৈ গৈছে। এই বিষয়ে ৰাজহ মন্ত্ৰীয়ে জানেনে আৰু যদি জানে, তেন্তেহলে তাৰ কি ব্যৱস্থা কৰিব ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— মাননীয় সদস্যজনে এই বিষয়ে সবিশেষ জনালে তাৰ বিহিত ব্যৱস্থা লোৱা হব।

শ্ৰীফণি মেধি :—মাননীয় অধ্যক্ষ মহোদয়, ১০০ টকাকৈ দিয়াৰ যিটো ব্যৱস্থা কৰিছে সেইটো কিহৰ ভিত্তিত কৰা হৈছে আৰু এইটো দিয়াৰ ক্ষেত্ৰত আগৰ কংগ্ৰেছ চৰকাৰৰ নিচিনাকৈ কৰিম দিয়ক, হব দিয়ক এই নীতিকেই অৱলম্বন কৰিব নেকি আৰু এইটো কেনেকৈ দিয়াৰ ব্যৱস্থা কৰিব ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— পাছ বছৰৰ পৰাই মূল্যসূচী চাই এইটো নিৰ্দ্ধাৰণ কৰা হয়। ডি, চি, এচ, ডি, অ সকলক আৰু কমিশ্বনাৰ সকলক ততাতৈয়াকৈ এইবিলাক আদায় দিয়াৰ কাৰণে জনোৱা হৈছে।

শ্ৰীযোগেন গগৈ :— পট্টাদাৰ সকলক সহযোগৰ মনোভাৱেৰে দিয়া হৈছেনে, বলপূৰ্ব্বক ভাৱে এইটো কৰা হৈছে? মাটি অধিগ্ৰহণ কৰাৰ ফলত যি সকল মানুহ উচ্ছেদিত হৈছে আৰু মাটিহীন হৈছে সেইসকলৰ পুনৰ সংস্থাপনৰ কাৰণে কি ব্যৱস্থা ৰখা হৈছে? এই সকল লোকক মাটি দিবৰ কাৰণে আচুতীয়াকৈ কোনো মাটি ৰখা হৈছেনেকি ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—সহযোগৰ মনোভাৱেৰেহে কৰা হৈছে। ইয়াৰ ফলত যি সকলৰ মাটি কমি গৈছে বা একেবাৰেই মাটি নাইকীয়া হৈ গৈছে সেইসকলক দিয়াৰ ব্যৱস্থা ৰখা হৈছে।

শ্ৰীযোগেন গগৈ :—আচদ্‌তীয়াকৈ মাটি আছেনে নাই? আচদ্‌তীয়াকৈ ৰখাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—এইটো বিবেচনা কৰি আছো।

**Re : Kokrajhar Circuit House**

Shri RANENDRA NARAYAN BASUMATARI asked :

*37. Will the Chief Minister be pleased to state—

(a) Whether Government is aware of the accommodation problem in the Kokrajhar Circuit House ?

(b) If so, whether Government propose to extend the present two-roomed Circuit House by adding three more rooms to it ?

(c) If so when ?

Shri GOLAP BORBORA (Chief Minister) replied :

37. (a)—Yes.

(b) & (c)—Public Works Department has been asked to prepare necessary plans and estimates for extension of the Circuit House, on receipt of which the Government will consider the proposal.

Shri RANENDRA NARAYAN BASUMATARI : Will the hon Chief Minister be pleased to state that whether on receipt of the plans and estimates for extension of Kokrajhar Circuit House, from the P.W.D. the works will be taken up within the current financial year ?

Shri GOLAP BARBORA (Chief Minister) : Yes, it will be taken up.

শ্ৰীমুকুত শৰ্মা :—মাননীয় অধ্যক্ষ মহোদয়, অন্য জিলাত বিশেষকৈ মই নগাওঁ জিলাৰ কথাকেই কৈছো, চাৰ্কীট হাউচত একোমোডেশ্বন কম হলে আৰু একোমোডেশ্বন দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—এইটো বিবেচনা কৰা হব।

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী :—তাঁত থকাৰ ব্যৱস্থা কি? আগৰ যিটো নিতি আছিল সেইটো ভঙ্গ কৰি দিয়া কথাটো হয়নে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—নিয়ম সলনি কৰা হোৱা নাই।

বিঃ তেজপুৰৰ মহকুমাত পৰ্য্যটক নিবাসৰ আঁচনি

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ

* ৩৮। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে— (ক) তেজপুৰৰ মহকুমাত ভ্ৰমণকাৰীক আকৰ্ষণ কৰিব লগীয়া কিব ঠাই আছে নেকি ? (খ) যদি আছে, পৰ্য্যটক সকলক এনে ঠাইৰ প্ৰতি আকৰ্ষণ কৰিব পৰাকৈ পৰ্য্যটন বিভাগে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৮। (ক)—হয়, আছে। যেনে—পদুম পুখুৰী, মহাভৈৰৱ আৰু ভৈৰৱ মন্দিৰ, ভালুকপুং ইত্যাদি। (খ)—চলিত পঞ্চবাৰ্ষিক পৰিকল্পনা কালছোৱাত তেজপুৰৰ মহকুমাত কোনো আঁচনি লব পৰা নাই। কিন্তু ভৱিষ্যতৰ পৰিকল্পনাত তলত দিয়া আঁচনি সমূহ গ্ৰহণ কৰাৰ কথা ভবা হৈছে।

(১) ভালুকপুঙত পৰ্য্যটক নিবাস নিৰ্মাণ। (২)তেজপুৰৰ নগৰত পৰ্য্যটক নিবাস নিৰ্মাণ।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী :—বিশ্বনাথত কৰাৰ কিবা আঁচনি কৰিছেনেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—তেনেকুৱা আঁচনি অহা নাই।

শ্ৰীএ, এন, আক্ৰাম হোছেইন :—মাননীয় অধ্যক্ষ মহোদয়, ভালুক পুঙৰ ফালে যি বিলাক পৰ্য্যটক যায় সেই সকলে আমাৰ ইয়াত ভাল মন্দ নোপোৱাৰ কাৰণে ভূটানলৈ যোৱাৰ কথাটো সচাঁনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—তাঁত যিটো পৰ্য্যটক নিবাস আছিল সেইটো দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাতে সজা। চীন আক্ৰমণৰ সময়ত এইটো ধ্বংশ হৈ যায়। তাঁত পৰ্য্যটক থকাৰ কোনো সুবিধা নাই। মাননীয় সদস্য জনে যি কথাটো উৎথাপন কৰিছে সেই বিষয়ে আমাৰ কোনো খবৰ নাই।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— তেজপুৰতো পৰ্য্যটকৰ কাৰণে আকৰ্ষণীয় বহুতো জেগা আছে। সেইবিলাককো উন্নত কৰাৰ কাৰণে কিবা ব্যৱস্থা কৰিছেনে কি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—এতিয়ালৈকে কৰা হোৱা নাই। এই ধৰণৰ জেগা বিলাক উন্নত কৰাৰ কাৰণে সোনকালেই ব্যৱস্থা কৰিম।

শ্ৰীহিতেশ্বৰ শইকীয়া :—গড় গাৱলৈ যোৱাৰ কিবা ব্যৱস্থা কৰিবনেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—শিৱসাগৰ পুখুৰীকে আদি কৰি যি বিলাকভগ্নাৱশেষ আছে সেই বিলাক উন্নত কৰাৰ কাৰণে আঁচনি পোৱা হৈছিল। কিন্তু টকাৰ অভাৱৰ কাৰণে কাৰ্য্যত পৰিণত হোৱা নাই। প্লেনত লোৱাৰ ব্যৱস্থা কৰা হব এইবাৰ যদি পৰা যায়। টুৰিষ্ট এট্ৰেকশনৰ সকলো বিলাক জেগাকেই আকৰ্ষণীয় কৰি তুলিবৰ কাৰণে ব্যৱস্থা কৰা হব।

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসমতাৰী :—মাননীয় মন্ত্ৰী মহোদয়ে জানে নে, প্ৰত্যেক মহকুমাতে এইদৰে টুৰিষ্টক আকৰ্ষণ কৰিব পৰা ঠাই আছে। এই বিলাক ঠাই উন্নত কৰি টুৰিষ্ট সকলক আকৰ্ষণ কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থাৰ কথা চিন্তা কৰিছে ? গোৱালপৰা জিলাৰ যমদুৱাৰো তেনেকুৱা এডোখৰ জেগা। তাকো উন্নত কৰিবৰ কাৰণে কিবা ব্যৱস্হা কৰিছেনেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—মই নিজেই তালৈ গৈছো। যিমান সোনকালে পৰা যায় প্ৰতিখন জিলাতে যিমান বিলাক টুৰিষ্ট এটেৰেকশ্যনৰ জাগা আছে সেই বিলাক উন্নত কৰাৰ কাৰণে ব্যৱস্হা হাতত লোৱা হব।

শ্ৰীনগেন বৰুৱা :—মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে আমাৰ ৰাজ্যখনত কিমান টুৰিষ্ট চেণ্টাৰ আছে। আৰু নতুনকৈ আমাৰ নাজিৰা সমষ্টিত এটা টুৰিষ্ট হাউচ সজা হৈছে নেকি আৰু ইতিমধ্যে সেইটো সম্পূৰ্ণ হৈছে নেকি ? এই বিষয়ে মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—নাজীৰাত টুৰিষ্ট লোজ সজাৰ কোনো খবৰ আমাৰ হাতত নাই, অামগুৰী অঞ্চলতো নাই, তেখেতে যেতিয়া খবৰ দিছে এই বিষয়ে অনুসন্ধান কৰা হব।

শ্ৰীবানেশ্বৰ শইকীয়াঃ —বৰদোৱা অসমৰ পুৰণি ঐতিহ্যমণ্ডিত ঠাই, সেই বৰদোৱা টুৰিষ্ট আকষণৰ কাৰণে চৰকাৰে কিবা আঁচনি লৈছে নেকি ? যদি লোৱা নাই লোৱাৰ সম্ভাৱনা আছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—এতিয়ালৈকে লোৱা হোৱা নাই। আৰু এই বছৰো তেনে কোনো আঁচনি বৰদোৱাত লোৱা হোৱা নাই। যোৱা বছৰ যিবিলাক আঁচনি প্লেনত সমাব পৰা নগল সেইবিলাকহে এই বছৰ অন্তৰ্ভূক্ত কৰিবলৈ চিন্তা কৰা হৈছে।

শ্ৰীবানেশ্বৰ শইকীয়া :—চৰকাৰে ইয়াৰ কোনো প্ৰয়োজন বিবেচনা কৰা নাই নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—নিশ্চয় কৰিছে।

শ্ৰীঅতুল গোস্বামী :—অসমত যিবিলাক টুৰিষ্ট চেণ্টাৰ আছে সেইবিলাকৰ বিষয় জানিবলৈ চৰকাৰে কিবা পুস্তিকাৰ ব্যৱস্হা কৰিছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—যোৱা বছৰতেই তেনে এটা আঁচনি লোৱা হৈছিল যদিও এই পুস্তিকাৰ কাৰণে এতিয়া টকা ধাৰ্য্য কৰা নাই। কাজিৰঙা টুৰিষ্ট চেণ্টাৰত দৰ্মিটৰী ঘৰ বন্ধাৰ কাৰণে কাম-আৰম্ভ কৰা হৈছে যাতে জনতাই সেই বিষয়ে গম পাই আৰু তাঁত থকাৰ সুবিধা পায় প্ৰচাৰ কৰিব লাগিব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—অসমৰ এনে এখন পুস্তিকাতে হাতীখোলাত বহুত হাতী পাই বুলি লিখিছে অথচ সেই হাতীখোলা এখন বাগিচা। এই পুস্তিকা-খন মন্ত্ৰী মহোদয়ে পঢ়িছে নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—এই বিষয়ে আমাৰ দৃষ্টিগোচৰ হোৱা নাই, এই হাতীখোলা ঠাইখন কাজিৰঙ্গাৰ ওচৰত, অৱশ্যে তাঁত যে বহুত হাতী পাই সেই-বিষয়ে নাজানো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—এই যে, ভুল তথ্য ডাঙি ধৰা হৈছে সেই বিষয়ে খবৰ লবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—সেইবিষয়ে অনুসন্ধান কৰা হব।

শ্ৰীৰবীন্দ্ৰ কুমাৰ মালাকাৰ :—হাজো অসমৰ এখন ঐতিহ্যমাণ্ডিত এখন ইতিহাস পূৰ্ণ পবিত্ৰ ঠাই যত হিন্দু মুচলিম আৰু বৌদ্ধই একেলগে দৰ্শন কৰে, সেই ঠাইখন টুৰিষ্টৰ এট্ৰেকশ্যনৰ কাৰণে কিবা আঁচনি হাতত লোৱা হৈছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—সেই বিষয়ে চিন্তা কৰা হৈছে।

শ্ৰীযোগেন গগৈ :— শিৱসাগৰ ৰংঘৰ আৰু তলাতল ঘৰ অতি পুৰণি আৰু ঐতিহ্যমাণ্ডিত আৰু টুৰিষ্ট চেণ্টাৰ, কিন্তু সেই ঠাইলৈ টুৰিষ্টে সহজতে অহা যোৱা কৰিবলৈ কোনো গাড়ীৰ ব্যৱস্থা নাই, সেইবিষয়ে কিবা ব্যৱস্থা হাতত লব নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—শিৱসাগৰত এটা টুৰিষ্ট চেণ্টাৰ আছে তালৈ গাড়ীত অহা যোৱা কৰাৰ কাৰণে ব্যৱস্থা কৰা হব, অৱশ্যে এতিয়াও আছে। ই যথেষ্ট প্ৰাচীন ঠাই কিছুমান অসুবিধাৰ কাৰণে কামত আগবাঢ়িব পৰা নাই। শিৱসাগৰৰ ধ্বংসাৱশেষ ৰক্ষা কৰাৰ কাৰণে গভীৰ ভাবে চিন্তা কৰা হৈছে, এইবিলাক বিষয় আচলতে কেন্দ্ৰীয় চৰকাৰৰ হাতত আছে তথাপিতো আমাৰ ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা এই বিষয়ে ব্যৱস্থা লব। তালৈ অহা-যোৱা সুবিধামতে কৰিবলৈ গাড়ী ইত্যাদি দিয়াৰ কাৰণে ব্যৱস্থা কৰা হব।

**Re : Atrocities committed by Kabulies on Balipara Mauza**

Shri GOLOK RAJBANSHI asked :

*39. Will the Chief Minister be pleased to state—

(a) Whether any public representation has been received by the Government against the atrocities committed by the Kabulies in Balipara Mauza within Tazpur Subdsvision ?

(b) If so, the steps taken by Government in this regard ?

Shri GOLAP BORBORA (Chief Minister) replied :

39 (a)—No such representation has been received so far

(b)—Does not arise.

শ্ৰীগোলোক ৰাজবংশী :—এই যে বালিপাৰা মৌজা দৰং জিলাৰ ভিতৰত পৰে তাঁত যি কাবুলিৰ অত্যাচাৰ চলিছে সেই বিষয়ে জিলা কৰ্তৃপক্ষ আৰু মহকুমাধিপতিয়ে কোনো খবৰ চৰকাৰলৈ পঠিয়াইছে নেকি আৰু চৰকাৰৰ উচ্চতম কৰ্তৃপক্ষই এই বিষয়ে কিবা খবৰ পাইছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :—এই বিষয়ে চৰকাৰে কোনো দৃষ্টি আকৰ্ষণ হোৱা নাই যদিও বা জিলা কৰ্তৃপক্ষই পাইছে সেই বিষয়ে আমি খবৰ পোৱা নাই, তাতেই আছে।

শ্ৰীগোলোক ৰাজবংশী :—সেই অঞ্চলত বিশেষকৈ জৰুৰী অৱস্থাৰ উঠাই দিয়াৰ পিছত তাঁত সেই চাম মানুহৰ বেঁচি উপদ্ৰব হৈছে। নতুন চৰকাৰৰ গঠন হোৱাৰ পাচত তাঁত সেই উপদ্ৰব কাবুলিৰ বাঢ়িছে সেই বিষয়ে চৰকাৰে গম পাইছে নে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :—এতিয়ালৈকে গম পোৱা নাই।

শ্ৰীগোলোক ৰাজবংশী :—এই কাবুলি বিলাকে সেই অঞ্চলৰ দুখীয়া মানুহ-বিলাকক টকা-পইচা ধাৰলৈ দি সুতত তেওঁলোকৰ পৰা সৰ্ব্বস্য আদায় কৰি নিছে, আনকি তেওঁলোকৰ তিৰোতাকো সুতত মাৰি লৈ যোৱাৰ অৱস্থাৰ উপক্ৰম হৈছে।

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :—সেইটো লিখিত ভাবে জানিলে চাব পাৰিম।

Shri PROMODE CHANDRA GOGOI : Sir, whether there is any Act regulating the activities of the Kabiliwallas in the State of Assam ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— আছে।

Shri PROMODE CHANDRA GOGOI ; Sir, whether the provision of this Act has been scrupulously enforced by the State Government ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— কৰিবলৈ চেষ্টা কৰা হৈছে।

Shri PREMADHAR BORA : Is there any statetistic with Government as to how many Kabuliwallas are making business in the State ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—কাবুলি বোলোতে দুই শ্ৰেণীৰ মানুহ আছে, আফগান আৰু পাখটুন, এই আফগান কাবুলিৰ ভিতৰত আমাৰ ইয়াত তেওঁলোকৰ সংখ্যা ৯৭ জন, আৰু পাখটুন আছে ১৩১৯ জন।

শ্ৰীফণী মেধী :— অসমত এই যে কাবুলি বিলাকক আহিবলৈ পাচপোর্ট দিয়া হয় তেনে ক্ষেত্ৰত আৰু কাবুলি নহাৰ কিবা ব্যৱস্থা লবনে ? নে ভৱিষ্যতে তেওঁলোকক আমদানী কৰাৰ হে দিহা কৰিব ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :—এইটো আমদানী কৰাৰ কথা নহয়, যদি কোনোবা বিদেশী নাগৰিক আমাৰ ভাৰতবৰ্ষত আহি সোমাইছি, তেওঁলোক ইয়াত আহি থকা-মেলাৰ কাৰণে কিছুমান আইনসঙ্গত ব্যৱস্থা আছে। আৰু এটা প্ৰশ্ন মাননীয় সদস্য জনাই সুধিছে যে, তেওঁলোকে ভৱিষ্যতেও আহি থাকিব নেকি ? এই কাবুলি বিলাকে আমাৰ ইয়ালৈ আহি আমাৰ দুখীয়া কিছুমান মানুক টকা-পইচা অধিক সুতত ধাৰে দিয়ে আৰু সেইদৰেই তেওঁলোকে ব্যৱসায় কৰে গতিকে এই যে দুখীয়া মানুহ বিলাকে যাতে কাবুলিৰ পৰা টকা ধাৰ লবলগীয়া নহয় তেনে এটা পৰিবেশ সৃষ্টি কৰিব লাগিব, সেই মানুহবিলাকৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিব লাগিব। তাকে কৰিবলৈ হলে এই মানুহবিলাকক আৰ্থিক সাহায্য আগবঢ়াবলৈ কিছুমান অনুষ্ঠান গঢ়ি তুলিব লাগিব। যাতে তাৰ পৰা এই শ্ৰেণীৰ মানুহে সহজতে আৰ্থিক সাহায্য পায় আৰু তেতিয়া কাবুলিৰ পৰা এই শ্ৰেণীৰ লোক সকলে টকা ধাৰলৈ লব ক্ৰমান্বয়ে এৰি দিব।

শ্ৰীচামচন্দ্ৰ হন্দা :—মুখ্যমন্ত্ৰীয়ে যিটো সংখ্যা দিছে, আমি জনামতে একোখন জিলাতে তাতোকৈ বেছি কাবুলি আছে। এজনে যদি ভেলিড্ পাচপৰ্ট নোহোৱাকৈ আছে। এই কথা মুখ্যমন্ত্ৰী মহোদয়ে জানেনে আৰু এই বিষয়ে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :—এই বিষয়ে আৱশ্যকীয় তদন্ত কৰা হব।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী :—কাবুলিৰ দৰে আন এবিধ কাবুলি আছে বিশেষকৈ চাহ বাগানৰ অশিক্ষিত বনুৱাৰ মাজত। দোকানী কিছুমানে বয়-বস্তুৰ যোগান ধৰাৰ লগতে টকাও ধাৰলৈ দিয়ে এই কথা চৰকাৰে জানেনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—এইটো প্ৰশ্নৰ লগত অপ্ৰাসঙ্গিক।

শ্ৰীবৈকুণ্ঠ দাস :—এই কাবুলি বিলাক কিমান দিনলৈ থাকিব পাৰে তাৰ নিৰ্দিষ্ট সীমা আছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—হয়, তেওঁলোকৰ ৰেচিডেন্স পাৰমিট্ থাকে আৰু সেইবিলাক বিনিউ কৰিব পাৰে।

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী :—মুখ্য মন্ত্ৰীয়ে দুই শ্ৰেণীৰ কাবুলি আছে বুলি কৈছে। এই দুই শ্ৰেণীৰ মাজত কিবা প্ৰভেদ আছে নেকি আৰু দুয়ো শ্ৰেণীৰ কাবুলিয়ে টকা ধাৰ দিয়ে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :—কাবুলিয়ে টকা ধাৰ দিয়ে। এবিধ হৈছে আফগান নাগৰিক আৰু আনবিধ হৈছে আফগানিস্হান আৰু পাকিস্হানৰ সীমা মুৰীয়া আন ত্ৰড্মিনিষ্ট্ৰাৰ্ড অঞ্চল আছে তাৰ মানুহ বিলাক পাকিস্হান বা আফগানিস্হানলৈ নগৈ ৰেচিডেন্স পাৰমিট্ লৈ ভাৰতবৰ্ষত আছে।

শ্ৰীমুকুট শৰ্ম্মা :—এই কাবুলিবিলাকে দৰিদ্ৰ অশিক্ষিত মানুহক ৰীণ দি শোষণ কৰি আছে।এই মানুহ বিলাকক চৰকাৰে অন্য ৰকমে ৰীণ দি কাবুলি নহা কৰিব নোৱাৰেনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সেইদৰে চিন্তা কৰা হৈছে।

শ্ৰীযোগেন গগৈ :—এই কাবুলিয়ে ৰীণ দিয়ালৈ আইনৰ দ্বাৰা বন্ধ কৰিব নোৱাৰিনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :—যিকোনো দেশৰ গৰীব কৃষক আৰু দৰিদ্ৰ লোকে ৰীণ লয়। তেওঁলোকক সহায় কৰিবলৈ আইনৰ ব্যৱস্থা হয়তো আজি নাই যদি কৰিব পাৰো তেতিয়াহে এই সমস্যা সমাধান কৰিব পৰা হব।

Re : **Disturbed Areas**

Shri KHOGEN BARBARUAH asked :

*33. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that Government on 27th February, 1978 ssued a notification declaring some areas of Assam as disturbed aeas ?

(b) If so, which are the areas ?

(c) The steps taken by Government to prevent disturbanres in these areas ?

Shri GOLAP BORBORA (Chief Minister) replied:

33. (a)—Yes.
(b)—The areas declared as disturbed areas are—

1. The whole of Cachar District.

2. The whole of Karbi Anglong District.

3. The whole of North Cachar Hills District.

4. The following Reserve Forests in Sibsagar District—

(a) Diphu Reserve Forest.

(b) Nambor Reserve Forest.

(c) Rangma Reserve Forest.

(d) Deyang Reserve Forest.

(e) Kakodonga Reserve Forest.

(f) Dessoi Valley Reserve Forest.

(g) Dessoi Reserve Forest.

(h) Tiru Hills Reserve Forest.

(i) Geleki Reserve Forest.

(j) Abhaypur Reserve Forest.

(k) Dilli Reserve Forest.

5. The following further areas in Sibsagar District falling outside the Reserve Forests mentioned above :—

(a) The areas within the jurisdiction of the Golaghat and Sarupather Police Stations lying between an imaginary line running

parallel to the North-East Frontier Railway line. two miles to the west of the Railway line and the Assam Nagaland Boundary on the East.

(b) The areas within the jurisdiction of the Titabor, Mariani, Teok, Amguri, Nazira and Sonari Police Stations lying between an maginary line running paralled to the North East Frontier Railway line, two miles to the North of the Railway line and the Assam. Nagaland Boundary on the South.

(c) Adequate staps have been tken for the purpose.

Shri KHOGEN BARBARUAH : Sir, whether it is a fact even if the disturbed area Nagas are occupying atleast one mile at a stretch from Doyang up to the Dikhow river ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ—প্ৰশ্নটো আকৌ কওঁকচোন ?

শ্ৰীখগেন বৰবৰুৱা ঃ—নগা সকলে ডিচ্টাৰ্ব এৰিয়াৰ বাহিৰেও এমাইল পৰ্য্যন্ত হুবি কাটি দখল কৰি আছে। আৰু তাৰ বাসিন্দাৰ পৰা কৰ আদায় কৰিছে। এই কথা চৰকাৰে জানেনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ—এই বিষয়ে আমালৈ খবৰ আহিছে আৰু নগালেণ্ড চৰকাৰৰ লগত আলোচনা কৰা হৈছে।

শ্ৰীখগেন বৰবৰুৱা ঃ—নগালেণ্ড অসমৰ সীমা বিবাদ আজি ৩০ বছৰেও সমাধান নহল নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ—আমাৰ মতে টো কোনো বিবাদেই নাই।

শ্ৰীএ, এন, আক্ৰাম হুচেইন ঃ—ডিচ্টাৰ্ব এৰিয়া বুলিলেনো কি বুজায় ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ—সাধাৰণতে নগালেণ্ড অসমৰ সীমামুৱীয়া অঞ্চলত যত ৰিবেল এক্টিভিটি চলি আছে সেই বিলাককে ডিচ্টাৰ্ব এৰিয়া বোলে।

Shri PREMADHAR BORA : Whether the Government notification of 27th February 1978 is in force or withdrawn ?

Shri GOLAP BORBORA (Chief Minister : It is still in force.

Shri PREMADHAR BORA : If it is in force whether any protective measure from Government side has been taken to protect the life and property in the area ?

Shri GOLAP BORBORA (Chief Minister) : Yes.

শ্ৰীচামচন্দ্ৰ হন্দা :—যিবিলাক অঞ্চল উপদ্ৰুত বুলি ঘোষণা কৰিছে সেইবিলাক একেটা কাৰণতে ঘোষণা কৰিছে নে বেলেগ কাৰণত ঘোষণা কৰিছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :—একেটা কাৰণতে ঘোষণা কৰা হৈছে।

শ্ৰীগোলক ৰাজবংশী :—মুখ্যমন্ত্ৰীয়ে কৈছে আমাৰ লগত কোনো বিবাদ নাই। যদি বিবাদেই নাই এই আলোচনা প্ৰসঙ্গটো উঠিছে কিয় ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :—উত্তৰ পূব অঞ্চলত ৭ জনী বাই-ভনী আছে তাৰ ভিতৰত নগালেণ্ডও এজনী ভণী। আমাৰ লগত কিবা দন্ড খৰিয়াল লাগিলে আলাপ আলোচনাৰে সমাধান কৰিব লাগিব।

শ্ৰীএ, এন, আক্ৰাম হুচেইন :—বাই কোন, ভনী কোন ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :—বাই নিশ্চয় অসমেই হব।

শ্ৰীখগেন বৰবৰুৱা :— যিহেতু ১৯৩০ চনৰ গেইট চাহাবৰ বুৰঞ্জী মতে তুলি পৰ্য্যন্ত অসমৰ ভিতৰত পৰে। অসম নগালেণ্ডৰ সীমাৰ মেপ এখন সদনত দাঙি ধৰিব নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :—১৯২৫ চনৰ সীমা ৰেখাটোক আগৰ চৰকাৰে মানি লৈছে আৰু আমিও মানি লৈছো।

Shri FAKRUL ISLAM : Mr. Speaker, Sir, I want to draw your attention. The Chief Minister has said that the whole of Cachar district has been declared as disturbed area. So it implies there are some reasons for declaring the disturbed area. I like to know whether any specific incident or more incidents have occured in the district for the whole district continued to be declared as disturbed area ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— কাছাৰৰ এফালে ৰিবেল নগাৰ কাৰ্য্যকলাপ চলি আছে আৰু আনফালে মিজো সন্ত্ৰাসবাদী কাৰ্য্যও চলি আছে। সেই কাৰণে সকলো কথা চিন্তা কৰি এইটো কৰাহৈছে।

শ্ৰীনবেন দত্ত :—ডিচটাৰ্ব এৰিয়া ঘোষণা কৰাৰ ফলত কিমান মানুহক তাৰ পৰা উচ্ছেদ কৰা হৈছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— আগৰ চৰকাৰৰ দিনত উচ্ছেদ কৰা হৈছিল। কিন্তু আমাৰ দিনত উচ্ছেদ হোৱা নাই।

শ্ৰীনবেন দত্ত :— আমি জনাত উচ্ছেদ কৰা হৈছে।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— আমাৰ দিনত হোৱা নাই।

বিঃ দবলাজানত শ্লুইচ গেট নিৰ্ম্মাণৰ আঁচনি

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈয়ে সুধিছে ঃ

৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কপিলী নদীৰ দক্ষিণ পাৰে আমচৈ গড়কাপ্তানী বাস্তাৰ পৰা কিলিং কপিলী নদীৰ সঙ্গমলৈ অহা মথাউৰিত শ্লুইচ গেট কৰাৰ আঁচনি প্ৰস্তুত হৈছেনে? (খ) যদি হৈছে এই কাম ১৯৭৮-৭৯ চনতে সম্পূৰ্ণ হবনে?

শ্ৰীৰমেশ মোহন কুলি (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪। (ক)—হয়, এই মথাউৰীৰ দবলাজানত এখন শ্লুইচ গেট নিৰ্ম্মাণ কৰাৰ আঁচনি প্ৰস্তুত কৰা হৈছে। (খ)—এই কাম ১৯৭৯-৮০ চনতহে সম্পূৰ্ণ হোৱাৰ আশা আছে।

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈ ঃ—যি আঁচনি প্ৰস্তুত কৰা হৈছে, বিভাগীয় মন্ত্ৰী মহোদয়ে জনাবনে এই আঁচনিত কিমান টকা ধৰা হৈছে?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ—এই আঁচনি খনত আচলতে কিমান টকা লাগিব সেই কথাৰ এতিয়াও সিদ্ধান্তত উপনিত হোৱা নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে, আঁচনি খন সম্পূৰ্ণ নকৰাকৈ কেনেকৈ কলে যে এই কাম ১৯৭৯-৮০ চনত সম্পূৰ্ণ কৰা হব?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ— যিবিলাক আঁচনি আগতে তৈয়াৰ কৰা হয়, পিচৰ বাৰিষাত পূণৰ নিৰ্ণয় কৰি টেকনিকেল চেঙচন ফাইনেল কৰা হয়। অহা ১৯৭৯-৮০ চনত এই কাম শেষ কৰা হব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— প্ৰথমতে কিমান চনত আৰম্ভ কৰা হৈছিল?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ— এতিয়াও আৰম্ভ হোৱা নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— কেতিয়াৰ পৰা এই তথ্য পাতি বিলাক গোটোৱা হৈছে?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ— তিনি বছৰ মান আগৰে পৰা আৰম্ভ কৰা হৈছে কিন্তু ফাইনেল কৰিব পৰা নাই।

মোঃ ছামচুল হুদা ঃ—অধ্যক্ষ মহোদয়, চাৰি নং প্ৰশ্নৰ উত্তৰত দিয়া হৈছে শ্লুইচগেট নিৰ্ম্মান কৰা আঁচনি প্ৰস্তুত কৰা হৈছে। আৰু 'খ'ৰ উত্তৰত দিয়াহৈছে, এই কাম ১৯৭৯-৮০ চনত সম্পূৰ্ণ হোৱাৰ আশা আছে। গতিকে আমি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰো যে, এই আঁচনিত কিমানটকা ধৰা হৈছে?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :— মঠ কিমান টকা পৰিব সেইটো ফাইনেল কৰা হোৱা নাই। প্ৰিলিমিনেৰী হে কৰা হৈছে। সেইটোহে কোৱা হৈছে ।

মোঃ ছামচুল হুদা :—যদি আঁচনি খন ফাইনেল হোৱা নাই অৰ্থাত ফাইনেল হোৱা বুলি কব নোৱাৰি তেনেহলে এই উত্তৰ ভুল বুলি কব লাগিব। গতিকে ১৯৭৯-৮০ চনত যে সম্পূৰ্ণ হব সেই কথাও কব নোৱাৰি। গতিকে হয় বিভাগীয় কৰ্মচাৰীয়ে ভুলতৰ্থ্যপাতি দিছে নহয় মন্ত্ৰীয়ে উত্তৰ স্পষ্ট ভাবে দিব পৰা নাই ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই স্পষ্ট উত্তৰেই দিছো। বৰ্ত্তমান ১৯৭৮ চনহে, এই কাম ১৯৭৯-৮০ চনতহে সম্পূৰ্ণ কৰা হব বুলি কৈছো। এতিয়া কেবল মাত্ৰ মঠ টকা কিমান লাগিব সেইটোহে ফাইনেল কৰা হোৱা নাই ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : অধক্ষ্য মহোদয়, ১৯৭৯-৮০ চনত আঁচনিৰ কাম সম্পূৰ্ণ কৰা হব নে, আঁচনিখন সম্পূৰ্ণ কৰা হব সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) : কাম সম্পূৰ্ণ কৰা হব। কিন্তু মঠ কিমান টকা লাগিব সেইটোহে আজি আপোনাসকলক জনাব পৰানাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : কাগজে কলমে কাম কৰোতে কিমান টকা লাগিল সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) : মঠ যিটো টকা লাগিব সেইটো ফাইনেল হোৱাৰ পাচতহে জনাব পৰা যাব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : এই যে আঁচনিখন প্ৰস্তুত কৰা তাত মেপ আদ কৰোতে কিমান টকা খৰছ হৈছে সেইটো মহোদয়ে জনাব পাৰিবনে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) : মঠ টকা আজি কিমান লাগিব সেইটোহে আজি মই দিব পৰা নাই।

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী : অধ্যক্ষ মহোদয়, প্ৰস্তুত কৰা হৈছে মানে আচনি প্ৰস্তুতৰ কাম সম্পূৰ্ণ কৰা হৈছে। গতিকে তথ্যপাতি বিলাক বিধান সভাত দাখিল কৰিব লাগে।

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) : এই আঁচনিৰ প্ৰস্তুত কৰা কাম সম্পূৰ্ণ কৰা হোৱা নাই। অহা বছৰতহে ৭৯ চন পৰিব আৰু তাৰ পাচতহে ৮০ চন। গতিকে এই খিনি সময়ৰ ভিতৰত আঁচনি প্ৰস্তুত শেষৰি কাম সম্পূৰ্ণ কৰা হব। মঠ কিমান টকা লাগিব সেইটো ফাইনেল হলহে জনাব পৰা যাব।

শ্ৰীজীৱন বৰা : আঁচনি বিলাকত দুটা ভাগ থাকে প্লেন আৰু এচটিমেট। মন্ত্ৰী মহোদয়ে এইটোকিই কব বিছাৰিছে নেকি যে, প্লেন হৈছে কিন্তু এচটিমেট হোৱা নাই গতিকে মঠ টকা ধৰা হোৱা নাই ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) : হয়, মঠ টকা ধৰা হোৱা নাই।

শ্ৰীবানেশ্বৰ শইকীয়াঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে লিখিত উত্তৰত জনাব লাগিছিল যে আঁচনি প্ৰস্তুত হৈ আছে। মন্ত্ৰী মহোদয়ৰ মুখৰ উত্তৰৰ লগত লিখিত উত্তৰৰ সংগতি নোহোৱা হৈছে। নাইবা লিখিত উত্তৰ ভুল হৈছে। মন্ত্ৰী মহোদয়ে এতিয়া আঁচনি খন আণ্ডাৰ প্ৰিপিয়াৰেচন বুলি কবনে?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী)ঃ কিমান টকা লাগিব সেইটো অনুমেয় ভাৱে কব পাৰি কিন্তু মই অনুৰূপ পৰিমাণটো কব বিছাৰিছো।

শ্ৰীআক্ৰাম হুচেনঃ অধ্যক্ষ মহোদয়, স্পষ্ট কথা এইটো হৈছে যে আমাৰ মন্ত্ৰী সকলে বিধান সভালৈ আহোতে প্ৰস্তুত হৈ নাহে। মন্ত্ৰী সকলে বিধান সভাত যাতে প্ৰশ্নৰ উত্তৰ দিওতে কিংলিং, কপিলি নদীত পৰি ককবকাই হাবাথুৰি খাব নলগাকৈ প্ৰস্তুতহৈ আহিব লাগে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী সকলে প্ৰস্তুত হৈয়েই আছে। প্ৰস্তুত কৰা হৈছে মানে প্ৰস্তুত কাৰ্য্য থকা হৈছে।

মঃ ছামচুল হুদাঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰৰ দ্বাৰা মিছলিত কথা হৈছে। মন্ত্ৰী মহোদয়ে প্ৰশ্নটো এৰাই যাব বিছাৰিছে, আমাক আচল উত্তৰটো লাগে।

(উত্তৰ নাই)

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশীঃ এই আঁচনিখনৰ সকলো বিলাক নথীপত্ৰ ইয়াত দাখিল কৰিব লাগে।

(উত্তৰ নাই)

শ্ৰীএ, এন, আক্ৰাম হুচেনঃ প্ৰশ্নটো পেন্দিং ৰাখিব লাগে।

Mr. SPEAKER : The Question Hour is over. If any question arises out of the Question a Separate notice may be given. Or you may ask for a half-an-hour discussion. Now, item No. 2.

বিঃ গ্ৰাম্যাঞ্চলত অত্যাৱশ্যকীয় সামগ্ৰী যোগানৰ আঁচনি

শ্ৰীএম, ইব্ৰাহিম আলীয়ে সুধিছেঃ

৫। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অত্যাৱশ্যকীয় সামগ্ৰীবোৰৰ যোগান নিয়মিত আৰু উন্নত কৰিবলৈ চৰকাৰৰ কোনো নতুন আঁচনি আছে নেকি? (খ) অত্যাৱশ্যকীয় সামগ্ৰী যোগান গ্ৰাম্যাঞ্চলত সহজলভ্য কৰিবলৈ সমবায় সমিতি সমূহক অধিক গুৰুত্ব দিয়া হবনে? (গ) গ্ৰাম্যাঞ্চলৰ যোগান ব্যৱস্থাৰ কিবা পৰিবৰ্ত্তন চৰকাৰে কৰিবনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৫। (ক)—হয় আছে। (খ)—হব পাৰে। সমবায় সমিতি সমূহৰ সামৰ্থ আৰু কৰ্ম্মতৎপৰতাৰ ওপৰত নিৰ্ভৰ কৰে। (গ)—প্ৰয়োজন অনুযায়ী কৰা হব।

বি: থেকেৰাগৰ্বাৰ পৰ তেলাহী গাঁৱলৈ মথাউৰি বন্ধৰ আঁচনি

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈয়ে সুধিছে ঃ

৬। মাননীয় বান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ খোলা মৌজাৰ অন্তৰ্গত থেকেৰাগৰ্বাৰ পৰা তেলাহী গাঁৱৰ পশ্চিমলৈ কলং নৈৰ দক্ষিণ পাৰে মথাউৰি খণ্ড বন্ধাৰ আঁচনি প্ৰস্তুত কৰা হৈছেনে? (খ) যদি হোৱা নাই, এনে এখন আঁচনি কাৰ্য্যকৰী কৰাৰ সম্ভাৱনা আছেনে?

শ্ৰীৰমেশ মোহন কুলি (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৬। (ক)—এই আঁচনিখনৰ বাবে লাগতীয়াল জৰীপ কাৰ্য্য সম্পূৰ্ণ কৰি প্ৰাক্‌কলন প্ৰস্তুত কৰিবলৈ হাতত লোৱা হৈছে। (খ)—আঁচনিখন বিশদভাবে পৰীক্ষা কৰিহে ইয়াক কাৰ্য্যকৰী কৰাৰ বিষয়ে সিদ্ধান্তত উপনীত হব পৰা যাব।

বি: ধানখুন্দাৰ পৰা গোবৰ্দ্ধন পাহাৰলৈ মথাউৰি বন্ধাৰ আঁচনি

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈয়ে সুধিছে ঃ

৭। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কমাৰপুৰৰ ধানখুন্দাৰ পৰা গোবৰ্দ্ধন পাহাৰলৈ কলং তথা কপিলি নৈৰ উত্তৰ পাৰে মথাউৰি খণ্ড বন্ধাৰ আঁচনি প্ৰস্তুত কৰা হৈছেনে?

(খ) যদি হৈছে, তেনেহলে এই কাম কেতিয়া আৰম্ভ কৰিব?

শ্ৰীৰমেশ মোহন কুলি (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৭। (ক)— হয়, হৈছে।

(খ)—পৰীক্ষাধীন হৈ থকা এই আঁচনিখন অনুমোদিত হলেহে লাগতীয়াল ধনৰ মঞ্জুৰী সাপেক্ষে এই কাম হাতত লব পৰা হব।

## CALLING ATTENTION

Shri MUKUT SARMA : Sir, I want to draw the afteretion of the Chief Minister under Rule 54 of the Rules of procedure and Conduct of Busines in Assam. Legislative Assembly to the news item appearing in the Dainik Asom, dated 17th April, 1978 under the Caption "পুলিচৰ মাৰত মৃত্যু"।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৭ এপ্ৰিল তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত "পুলিচৰ মাৰত মৃত্যু" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। এই সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা অনুসন্ধান কৰি ঘটনা সম্পৰ্কত পোৱা সবিশেষ বিৱৰণ তলত দাঙি ধৰা হল।

ৰূপহী আৰক্ষী চকীৰ গোচৰ নং— ১৯ (৩) ৭৮ ইউ/এছ ৪৫৭/৩৮০ আই, পি, চি সন্দৰ্ভত ১৬-৩-৭৮ ইং, তাৰিখে ফাকলীৰ আবদুল মান্নান যোন নামৰ এজন লোকে জুৰীয়া আৰক্ষী আউট পোষ্টত ইউ/এছ ৪৫৭/৩৮০ আই, পি, চি নং গোচৰ এটা তৰে। এই সম্পৰ্কত প্ৰাৰম্ভিক তদন্ত কৰিবলৈ সহকাৰী উপ পৰিদৰ্শক শ্ৰীকে, কে, চক্ৰৱৰ্ত্তী আৰু তদন্ত সম্পূৰ্ণ কৰিবলৈ উপ পৰিদৰ্শক শ্ৰীউপেন্দ্ৰ চন্দ্ৰ বৰাক ভাৰ দিয়া হয়।

অভিযোগ নামাত অভিযোগকাৰীয়ে কোনো সন্দেহজনক ব্যক্তিৰ নাম উল্লেখ কৰা নাছিল। কিন্তু তদন্তকালত অভিযোগকাৰীয়ে লিখিত ভাবে মগুৰিৰ লালমহম্মদছেখ আৰু ফাকলীৰ তালেব আলী নামৰ দুজন লোকক সন্দেহ কৰে বুলি জনায়। ইতিপূৰ্ব্বে এই গোচৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা নুৰাই নামৰ এজন লোকে তেওঁৰ বিপক্ষে অনা অভিযোগ অস্বীকাৰ কৰে আৰু কয় যে লাল মহম্মদ প্ৰকৃত দোষী হব পাৰে। পূৰ্ব্বৱৰ্ত্তী কালতো লাল মহম্মদৰ বিৰুদ্ধে অভিযোগৰ তথ্যপাতি আছিল। পূৰ্ব্বতে তেওঁক ৰূপহী ঘাট আৰক্ষী চকীৰ গোচৰ নং ১১ (২) ৭১ ইউ/এছ ৪৫৭/৩৮০ আই, পি, চি ১৩ (৬) ৭৩ ইউ/এছ ৪৫৭/৩৮০ আই, পি, চি, আৰু ৩৫ (১১) ৭৪ ইউ/এছ ৩৭৯/৩৪ আই, পি, চি,ত গ্ৰেপ্তাৰ কৰা হৈছিল আৰু বিচাৰাধীন হৈ থকা গোচৰ নং— ১১ (২) ৭১, ৩৫ (১১) ৭৪, ১৩ (৬) ৭৩ যথোপযুক্ত সাক্ষ্যৰ অভাৱত চূড়ান্ত প্ৰতিবেদনত নাকচ কৰা হয়। উক্ত ভিত্তিত লাল মহম্মদক এই গোচৰ সংক্ৰান্তত সন্দেহ কৰা হয়। এই মৰ্ম্মে জুৰীয়া আৰক্ষী আউটপোষ্টৰ ভাৰ প্ৰাপ্ত উপ পৰিদৰ্শক শ্ৰীউপেন্দ্ৰ চন্দ্ৰ বৰা, সহকাৰী উপ পৰিদৰ্শক শ্ৰীকে, কে, চক্ৰৱৰ্ত্তী আৰু কনিষ্টবল শ্ৰীসৰুলৰা তৰা, শ্ৰীশশী বৰুৱা আৰু শ্ৰীযামিনী শৰ্ম্মাক লৈ গঠিত এটি আৰক্ষী দ'ল মহগুৰি আৰু ফাকলীলৈ যথাক্ৰমে লাল মহম্মদ আৰু তালেব আলীক গ্ৰেপ্তাৰ কৰিবলৈ আৰু তেওঁলোকৰ ঘৰ খানাতালাচ কৰিবলৈ ৮-৪-৭৮ ইং তাৰিখে ৰাতি ১১ বজাত যায়। জুৰীয়া আৰক্ষী আউট পোষ্টৰ দায়িত্ব উপ পৰিদৰ্শক শ্ৰীএছ, কে, ঠাকুৰৰ অধীনত থাকে।

অনুসন্ধান কালত সন্দেহযুক্ত তালেব আলীক গ্ৰেপ্তাৰ কৰিব পৰা নগ'ল, কিন্তু একেই সন্দেহযুক্ত লাল মহম্মদক ৰাতিপুৱা ৫-৩০ বজাত তেওঁৰ ঘৰত গ্ৰেপ্তাৰ কৰা হয়। কোনো চুৰি মাল বস্তু তেওঁৰ ঘৰত পোৱা নগ'ল। গ্ৰেপ্তাৰ কৰা লাল মহম্মদক লগত লৈ আৰক্ষী দলটো ৯-৪-৭৮ ইং তাৰিখে ৰাতিপুৱা ৭-৩০ বজাত জুৰীয়া আৰক্ষী আউট পোষ্টলৈ উভতি আহে। সেই সময়ৰ পৰা উপ পৰিদৰ্শক শ্ৰীউপেন্দ্ৰ চন্দ্ৰ বৰাই আউট পোষ্টৰ দায়িত্ব গ্ৰহণ কৰে। অসম আৰক্ষী বিধিৰ ২১০ নং নিয়ম অনুযায়ী যাৱতীয় ব্যৱস্থা সাপেক্ষে লাল মহম্মদক উক্ত আৰক্ষী আউট পোষ্টৰ হাজোতত ৰখা হয়। সেই সময়ত কনিষ্টবল শ্ৰীমোহেন্দ্ৰ বৰা হাজোতৰ প্ৰহৰীৰ দায়িত্বত আছিল। জেনেৰেল ডায়েৰীত লাল মহম্মদৰ দেহত কোনো জখমৰ উল্লেখ নাছিল। কেচ ডায়েৰীমতে ভাৰপ্ৰাপ্ত সহকাৰী উপ-পৰিদৰ্শক শ্ৰীএ, কে, চক্ৰৱৰ্ত্তীয়ে ৰাতিপুৱা ৮ বজাত অভিযুক্ত লাল মহম্মদৰ পৰা জবানবন্দী লয়, কিন্তু তেওঁ (লাল মহম্মদে) তেওঁৰ বিৰুদ্ধে অনা অভিযোগ অস্বীকাৰ কৰে। তাৰ পিছত আকৌ তেওঁক হাজোতত আটক কৰি ৰখা হয়।

*Speech not corrected.

দুপৰীয়া প্ৰায় ১২ বজাত লাল মহম্মদক আদালতলৈ পঠাবলৈ দিহা কৰা হয়। সেই সময়ত হাজোতৰ প্ৰহৰীৰ দায়িত্বত থকা কনিষ্টবল শ্ৰীমতিৰাম বৰুৱাই (Constable No 216) সহকাৰী পৰিদৰ্শক শ্ৰীউপেন্দ্ৰ চন্দ্ৰ বৰাৰ উপস্থিতিত হাজোতৰ দুৱাৰ খোলে। কিন্তু লাল মহম্মদক সংকটজনক অৱস্থাত (Precauous condition) পোৱা হয়। জৰুৰীয়া বাজ্যিক চিকিৎসালয়ৰ চিকিৎসা বিষয়াক Medical Officers ততালিকে (দুপৰীয়া ১২ বজাত) খবৰ দিয়া হয়। ১২-৫০ মিনিটত চিকিৎসা বিষয়াই লাল মহম্মদক চিকিৎসা কৰে আৰু অৱস্থা বুজি সুচিকিৎসাৰ বাবে নগাঁও চিভিল হস্পিটললৈ পঠিয়াবলৈ পৰামৰ্শ দিয়ে। অভিযুক্ত ব্যক্তিক (লাল মহম্মদক) দণ্ডাধীশৰ ওচৰত হাজিৰ কৰা হোৱা নাছিল। কিন্তু নগাঁওৰ মুখ্য ন্যায় পালিকা দণ্ডাদীশলৈ (Chief Judicial Magistrate) খবৰ দি লাল মহম্মদক নগাঁওৰ চিভিল হস্পিটললৈ পঠোৱা হয় দণ্ডাদীশে লাল মহম্মদ চেখক সুস্থ হোৱাৰ পিছতে আদালতত উপস্থিত হবলৈ নিৰ্দেশ দিয়ে। আৰক্ষী কৰ্তৃপক্ষৰ ফালৰ পৰা কোনো দণ্ডাদীশক মতা হোৱা নাছিল। অৱশ্যে অভিযুক্ত ব্যক্তিৰ হৈ তেওঁৰ মৃত্যুৰ আগমুহূৰ্তৰ বিৱৰণ গ্ৰহণ কৰিবৰ বাবে দণ্ডাদীশক মতা হৈছিল! কিন্তু অভিযুক্ত লোকজনে কোনো কথাই প্ৰকাশ কৰিব নোৱাৰিলে।

চিকিৎসা কৰা স্বাস্থ্য বিষয়াৰ প্ৰমাণ পত্ৰ অনুসৰি আৰক্ষী আউটপোষ্টৰ হাজোতত লাল মহম্মদক অচেতন অৱস্থাত পোৱা গৈছিল। তেওৰ হাঁওফাওৱে স্বাভাৱিক ভাবে (Congested) কাম কৰা নাছিল আৰু তেওৰ শৰীৰত কোনো বাজ্যিক জখম নাছিল।

অভিযুক্ত লাল মহম্মদক আবেলি দুই বজাত উপপৰিদৰ্শক শ্ৰীউপেন্দ্ৰ চন্দ্ৰ বৰা কনিষ্টবল (১২১ নং) শ্ৰীপ্ৰবোধ সিং আৰু কনিষ্টবল (নং ২০৭) সৰলৰ বৰাই অভিযুক্ত লাল মহম্মদক নগাঁও চিভিল হস্পিটাললৈ লৈ যায় আৰু আবেলি ৩.৪৫ মিঃ হস্পিটালত ভৰ্তি কৰা হয়। সেই সময়ত নগাঁওৰ মুখ্য ন্যায়-পালিকা দণ্ডাধীশৰ ওচৰত এই মৰ্ম্মে এখন প্ৰতিবেদন দাখিল কৰা হয়। মুখ্য ন্যায়পালিকা দণ্ডাধীশে আৰক্ষীৰ তত্ত্বাৱধানত অভিযুক্ত লাল মহম্মদক চিকিৎসা কৰাৰ বাবে আদেশ দিয়ে আৰু সুস্থ হোৱাৰ পিছত তেওক আদালতত হাজিৰ কৰিবলৈ নিৰ্দেশ দিয়ে। অভিযুক্ত লাল মহম্মদৰ ঘৰুৱা মানুহ নেপালে আৰু সেই কাৰণে লাল মহম্মদৰ সম্পৰ্কীয় লোকৰ প্ৰাৰ্থনা সম্পৰ্কে সাপেক্ষে হস্পিটাললৈ যোৱা দণ্ডাদীশে লাল মহমদ্দৰ মৃত্যুৰ আগ মুহূৰ্ত্তত কোনো বিৱৰণ লিপিবদ্ধ কৰিব নোৱাৰিলে। অভিযুক্ত লাল মহমদ্দৰ ১১।৪।৭৮ ইং তাৰিখে সন্ধিয়া ৭-১০ মিনিটত নগাঁও চিভিল হস্পিটালত ন্যায় পালিকৰ তত্তাৱধানত থকা অৱস্থাতেই মৃত্যু হয়। নগাঁও আৰক্ষী চকীত এই মৰ্ম্মে ইউ. ডি. গোচৰ নং ১।০৮ কৰা হয়। ১১।৪।৭৮ ইং তাৰিখে ৰাতিপুৱা ১১-৩০ মিনিটত নগাঁও চিভিল হস্পিটালৰ মৰ্গত Morge নগাঁও কাৰ্যাকৰী দণ্ডাদীশ শ্ৰীচন্দ্ৰমোহন কাকতিয়ে মৃতদেহৰ চিনাক্ত কৰা হিচাপে লাল মহম্মদৰ মৃতদেহ পৰনৰ পৰীক্ষা কৰে। সেই সময়তে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ কাৰণে পঠোৱা হয়। ১২।৪।৭৮ ইং হস্পিটেলৰ অধীক্ষক ডাঃ এন বৰুৱাৰ উপস্থিতিত ডাঃ আৰু এন শইকিয়াই মৰণোত্তৰ পৰীক্ষা কৰে। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত নিম্ন উল্লেখিত জখম এনে ধৰণৰ : আঁঠুৰ ওপৰ ভাগ আৰু বাওঁ ভৰিৰ ওপৰ ভাগ ফুলা, জখমবোৰ দেখাত সাধাৰণ প্ৰকাৰৰ হাওঁফাওৰ দুয়োফালৰ পৰ্দাত লাগি ধৰা দেখা গৈছে। দুয়োফালৰ হাঁওফাওৰ দুয়োফালৰ যক্ষ্মা ৰোগত আক্ৰান্ত হৈ গাত হৈছে. যক্ষ্মা ৰোগৰ দ্বাৰা আক্ৰান্ত হৈ হৃৎপিণ্ড আৰু শ্বাস প্ৰশ্বাস প্ৰক্ৰিয়া অকামিলা হৈ পৰা কাৰণেই মৃত্যু হৈছে।

*Speech not corrected.

জৰীয়া আউটপষ্টৰ উপপৰিদৰ্শক শ্ৰীউপেন্দ্ৰ চন্দ্ৰ বৰা আৰু শ্ৰীকে, কে, চক্ৰৱৰ্ত্তীৰ বিৰুদ্ধে নগাঁওৰ মুখ্য ন্যায় পালিকা দণ্ডাদীশৰ আদালতত ১২।৪।৭৮ ইং তাৰিখে সম্পৰ্কীয় লোকৰ দ্বাৰা মৃত লাল মহম্মদ চেখৰ মৃত্যু সম্পৰ্ক এটি গোচৰ (৪৬২ / ৭৮ / ইউ / এছ ৩৩০ / ৩০২ আই, পি, চি,) তৰা হয়। ২৪।৪।৭৮ ইং তাৰিখে উপ পৰিদৰ্শক শ্ৰীউপেন্দ্ৰ চন্দ্ৰ বৰা আৰু সহকাৰী উপপৰিদৰ্শক শ্ৰীকে, কে, চক্ৰৱৰ্ত্তীক জৰীয়া আউটপষ্টৰ পৰা বদলি কৰি নগাওঁৰ আৰক্ষী প্ৰশাসনৰ অন্য দায়িত্বত নিয়োগ কৰা হৈছে। নগাঁওৰ উপায়ুক্তই এই সংক্ৰান্তত ন্যায়িক তদন্তৰ আদেশ দিয়ে। সেই মৰ্ম্মে নগাঁওৰ অতিৰিক্ত উপায়ুক্তই তদন্ত কৰি চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিছে। আৰু বৰ্ত্তমান ই চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

Md IDRIS: Sir, this is a case in my Constituency, so I am very much concerned with this. The Chief Minister has stated that the Deputy Commissioner or the District Magistrate has ordered for a judicial enquiry by the A. D. M, but may I know whether this is a judicial enquiry or a magisterial enquiry?

Shri GOLAP BORBORA (Chief Minister): Magisterial enquiry.

Shri SHAMSUL HUDA: Sir, it is a serious matter concerned to all of us. There has been serious injuries on the body of late Shri Lal Mahmad, there must be a judicial enquiry. (Interruptions from all directions).

*শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই ৰিপোৰ্টটো আমি অলপতেহে পাইছো আৰু পৰীক্ষা কৰি আছো। ইয়াৰ পিছত যি আৱশ্যকীয় ব্যৱস্থা লব লাগে লোৱা হব।

শ্ৰীশৰত চন্দ্ৰ সিংহ :— জুডিচিয়েল তদন্ত হবনে নহয় সেইটো কোৱা নাই।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—প্ৰতিবেদনত লিখা কথা তদন্ত কৰি আৱশ্যক হলে কৰিব লাগিব।

শ্ৰীশৰত চন্দ্ৰ সিংহ :— জুডিচিয়েল তদন্ত হবনে সেইটো কব লাগে।

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) — সেইটো চাম।

Md. IDRIS; Sir, as this is in my constituency I should get a privilege to speak. Whether it is a fact that the people of Nowgong has demanded a judicial enquiry into this matter? I want to know whether the Chief Minister has received any public memorandum in this regard?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— আমি পাইছো।

Shri PREMA BORA: Sir, a point of clarification. Pending Judicial enquiry whether the officer-in-charge of the Police Station has been put under suspension.

---

*Speech not corrected

*শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মূখ্যমন্ত্ৰী) :— আমি এই বিষয়ে যি মেজিষ্ট্ৰেৰিয়েল অনুসন্ধান কৰিবলৈ দিছো। তাৰ ৰিপোৰ্টটো অলপতেহে পাইছো আৰু সেইটো বৰ্ত্তমান পৰীক্ষা কৰি থকা হৈছে।

শ্ৰীবানেশ্বৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো ডাক্টৰে লাল মহম্মদৰ মৰণোত্তৰ পৰীক্ষা কৰি ৰিপোৰ্ট দিছে যে তেওঁ জক্ষ্মা ৰোগত আক্ৰান্ত হৈ ৰাত, হাঁওফাওত ক্ষতিক্ষণ হোৱা কথা পাইছে। মই জানিব বিচাৰো যে ডাক্টৰে ৰোগীজনক মৰণৰ আগত এক্সৰে কৰিছিলনে নাই ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই বিতং বিৱৰণ বিলাক তন্ন তন্নকৈ পৰীক্ষা কৰি থকা হৈছে। মই ইতিপূৰ্বেই কৈছো যে ৰিপোৰ্টটো কেইদিনমানৰ আগতেহে পোৱা হৈছে। পৰিক্ষা কৰাৰ পিচতহে গোটেই বিৱৰণটো জানিব পৰা যাব।

Mr. SPEAKER : The Minister has told that it is under Sub-judice.

Md. IDRIS : Sir, it is a fact that the Chief Minister had attended a public meeting at Singori and there he has declared that there would be a probe into this matter ?

Mr SPEAKER : I am very sorry that you have encroached upon the judicial matter.

শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মূখ্যমন্ত্ৰী) :—পাব্লিক মিটিঙত এইটো তদন্তাধীন হৈ আছে বুলিহে মই কৈছিলো। বাৰ্তাৰ কাকতৰ ৰিপোৰ্ত অনিক সময়ত অলপ হিনদোঁৰ ঘটে অৱশ্যে তাৰ কাৰণে মই বাৰ্তাৰ কাকতক দোষাৰোপ কৰা নাই। গতিকে এতিয়াও এইটো তদন্তাধীন হৈ আছে।

Md. IDRIS : Sir, it is a very serious matter. Moreover, there is a definite order for arrest of this Police Officer;, what about the order of arrest ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— লিখা বিলাক অধ্যয়ণ কৰিহে ব্যৱস্থা লব পৰা হব।

Md. IDKIS : Sir, may I know from the Chief Minister whether the rights and privileges of the individuals would be protected by instituting a judicial enquiry into the matter ?

Shri SARAT CHANDRA SINHA ; I think, the Chief Minister should say'yes' or 'no'. The judicial enquiry will be held or not ?

Shri ALTAF HUSSAIN MAZUMDAR : This matter has been agitating the minds of the people very much, it is a fit case where government can go for a judicial enquiry, ( applause from the Opposition benches ).

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— কমৰেড ৰবিন কলিতাৰ ক্ষেত্ৰটো জুডিচিয়েল তদন্ত হব লাগে, হস্পিটালত মৰা হৈছিল, এইটোও তদন্ত হব লাগে।

---

*Speech not corrected

শ্ৰীমুকুট শৰ্মা :— মুখ্য মন্ত্ৰী মহোদয়ে শিঙৰীৰ মিটিঙত ভাষণ প্ৰসঙ্গত লাল মহম্মদৰ পৰিয়ালক সাহাৰ্য্য দিয়াৰ কথা কৈছিল কি ভিত্তিত ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— আগে পিচে দিয়া হৈছিল সেই মতেই কোৱা হৈছিল।

Mr. SPEAKER : Order, order please. We have gone to such an extent that it will take long time to end. Government have given assurance that considering the report they will decide whether it will require higher enquiry or it will end in the Magisterial level. Now Item No. 3. Shri Narendra Nath Dutta.

---

## MATTER UNDER RULE 301

Shri NARENDRA NATH DUTTA : Under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I beg to raise a matter relating to " Loss of Rupees Sixteen Lakhs Sixteen Thousand and fortyfour incurred by Agro-Industries Development Corporation since 1967-68 upto 975-76."

মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি ১৯৬৭-৬৮ চনৰ পৰা ১৯৭৫-৬৭ চনলৈকে কৃষি উদ্যোগ উন্নয়ন নিগমৰ দ্বাৰা ষোল লাখ, ষোল হাজাৰ আৰু চোৱালিশ টকাৰ ক্ষতিসাধন সম্পৰ্কে চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰি কব খুজিছো যে এই নিগম ১৯৬৭ চনত স্হাপন কৰা হৈছিল কৃষি আৰু কৃষিৰ উন্নয়ন আৰু কৃষক ৰাইজক সহায় কৰাৰ উদ্দেশ্যেৰে। ইয়াত মূলধন দুই কোটি লোৱা হৈছিল তাৰে এক কোটি অসম চৰকাৰৰ আৰু এক কোটি কেন্দ্ৰীয় চৰকাৰৰ। মূলত সাৰৰ যোগান, কীটনাশক ঔষধৰ যোগান দিয়া আৰু অন্যান্য সা-সজুলি আদি ইয়াৰ শাখা উপশাখাৰ জৰিয়তে যোগান ধৰাৰ কথা আছিল। কিন্তু দেখা যায় যে ১৯৬৭-৬৮ চনৰ পৰা সৰ্ব্বমুঠ ষোল্ল লাখ ষোল্ল হাজাৰ চোৱাল্লিখ টকা লোকচানহে কৰিছে। ইমান বিৰাট পৰিমাণৰ ৰাজহুৱা ধন এটা বিভাগৰ দ্বাৰা বছৰি বছৰি লোকচান হৈ আছে অথচ ইয়াৰ কাৰণে কোনো তদন্ত হোৱা নাই। শুনা যায় যে এই বিভাগৰ উচ্চ পদস্হ বিষয়াসকলৰ নিস্ক্ৰিয়তাৰ কাৰণে আৰু ব্যৱসায়িক পাৰদৰ্শিতাৰ অভাৱৰ কাৰণেই এই বিৰাট পৰিমাণৰ ধনৰ অপচয় হব'ল পাইছে। এই নিগমৰ কাৰণে চাৰিখন বুলডজাৰ আনিছিল আৰু ইয়াৰ একোখন এঘণ্টা সময় ব্যৱহাৰ কৰিলে প্ৰায় ষাঠি টকাৰ পৰা নব্বৈ টকালৈ লাভ পোৱা হয়। কিন্তু আজিলৈকে এখনেও কাম কৰা নাই। সম্পূৰ্ণ নিস্ক্ৰিয় হৈ আছে। ইমানেই কৃষিৰ প্ৰতি চৰকাৰৰ আগ্ৰহ, ইমানেই কৃষকৰ উন্নতিৰ কাৰণেই নিগমৰ আগ্ৰহ। ইমানেই কৃষকক

অৰ্থনৈতিক দিশত আগবঢ়াই নিয়াৰ কাৰণে আগ্ৰহ। আমাৰ নিচিনা দুখীয়া ৰাজ্য এখনত অৰ্থৰ অভাৱ সত্তেও এটা গুৰুত্বপূৰ্ণ বিভাগৰ কাৰণে কৃষিৰ উন্নতি কৰিবলৈ অনা এই চাৰিখন বুলডজাৰৰ তিনিখনেই বেয়া হৈ আছে। ৰাজহুৱা ধনৰ এনেকুৱা অপচয় অমাজনীয়। গতিকে ইয়াৰ এটা বিহিত তদন্ত হব লাগে আৰু যিসকল বিষয়াৰ অৱহেলা আৰু অমনযোগিতাৰ কাৰণে লোকচান ভৰিবলগীয়া হৈছে বা যি সকলৰ নিস্ক্ৰিয়তাৰ কাৰণে এইটো হবলৈ পাইছে সেই সকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লব লাগে। কৃষিৰ ক্ষেত্ৰত যিটো গুৰুত্বপূৰ্ণ ভূমিকাগ্ৰহণ কৰাৰ কাৰণে নতুন চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱাৰ কথা, এতিয়া শুনা যায় যে সেই নিগমৰ কাৰণে থকা ৰাজহুৱা গাড়ী বিলাক ৰাইজৰ স্বাৰ্থত ব্যৱহাৰৰ সলনি কিছুমান তথাকথিত বিষয়াৰ ব্যক্তিগত স্বাৰ্থৰ কাৰণেহে বেছিকৈ ব্যৱহাৰ কৰা হয়। ইয়াৰ পেট্ৰলৰ নামত হাজাৰ হাজাৰ টকা অপচয় হৈ আছে গতিকে এই গুৰুত্বপূৰ্ণ বিষয়টো আলোচনা হব লাগে আৰু যথোপযুক্ত ব্যৱস্থা চৰকাৰে হাতত লব লাগে।

*শ্ৰীসোণেশ্বৰ বৰা (কৃষি মন্ত্ৰী)—অধ্যক্ষ মহোদয়, ১৯৫৬ চনৰ কোম্পানী আইন ধাৰা ৩৩ আৰু ৬১৭ অনুসৰি ১৯৬৭ চনৰ ২৭ জানুৱাৰীৰ দিনা অসম কৃষি উদ্যোগ উন্নয়ন নিগম গঠন কৰা হয়। নিগমৰ অনুমোদিত মূলধন আঢ়ৈ কোটি টকা। অসম আৰু ভাৰত চৰকাৰ উভয়ে এই নিগমৰ সমান অংশীদাৰ। নিগমৰ বৰ্ত্তমান আদায়কৃত মূলধন ২ কোটি ২০ লাখ টকা।

**নিগমৰ মুখ্য উদ্দেশ্য সমূহ হ'ল:**

১। কৃষিৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ আহিলা পাতি যেনে সা-সজুলি, যন্ত্ৰ পাতি, ৰাসায়নিক সাৰ, কীট-পতঙ্গ নাশকদ্ৰব্য ইত্যাদিবোৰ সময়মতে সুলভ মূল্যত যোগান ধৰা।

২। খেতিয়ক সকলক কৃষিৰ ক্ষেত্ৰত আধুনিক পদ্ধতি অৱলম্বন কৰাত সহায় কৰা।

৩। কৃষি যন্ত্ৰ-পাতি আৰু সা-সৰঞ্জাম উৎপাদন কৰিবলৈ কাৰখানা স্থাপন কৰা আৰু লগতে সেইবিলাক আহিলা-পাতিৰ আৱশ্যকীয় মেৰামতিৰ সুব্যৱস্থা কৰা।

৪। সুলভ দৰত কৃষকসকলক কৃষিৰ যান্ত্ৰিক সজুলি সমূহৰ মেৰামতিৰ ব্যৱস্থা কৰা। আধুনিক কৃষি যন্ত্ৰ-পাতি কিনিবৰ বাবে সামৰ্থ্য নথকা খেতিয়ক সকলক ভাৰাত তেনেধৰণৰ যন্ত্ৰ-পাতি আৰু সজুলি আদিৰ যোগান ধৰা।

৫। বিভিন্ন কৃষি উদ্যোগ সমূহ নিয়াঁৰিকৈ চলাব পৰাকৈ কৃষক আৰু উদ্যোগী-সকলৰ বাবে কাৰিকৰী প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰা।

৬। বিভিন্ন কৃষি উদ্যোগ স্থাপন কৰা আৰু এই ক্ষেত্ৰত উদ্যোগী সকলৈ আৱশ্যকীয় আৰু যথোপযুক্ত সহায়, পৰামৰ্শ আগবঢ়োৱা।

**পৰিচালনা ঃ**

নিগমৰ পৰিচালনাৰ ভাৰ অসমৰ ৰাজ্যপালৰ দ্বাৰা মনোনীত এখন পৰিচালক মণ্ডলীৰ ওপৰত ন্যস্ত কৰা হৈছে। বৰ্ত্তমান এই মণ্ডলীৰ সভ্য সংখ্যা ৯ জন। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৩ জন বিষয়াৰে সৈতে নিগমৰ প্ৰধান কাৰ্য্যালয় গুৱাহাটীত অৱস্থিত। হাফলঙৰ বাহিৰে অসমৰ সকলো জিলাৰ সদৰ ঠাইত নিগমৰ শাখা, আৰু হামৰেঙৰ বাহিৰে আটাই কেইটা মহকুমাৰ সদৰ ঠাইত উপশাখা কাৰ্য্যালয় আছে।

ইয়াৰ উপৰিও গুৱাহাটীৰ খানাপাৰাত নিগমৰ এটা কেন্দ্ৰীয় কাৰখানা আছে। ইয়াত কৃষি যন্ত্ৰ-পাতি, সা-সজুলি ইত্যাদি মেৰামৎ কৰা হয় আৰু তেনে যন্ত্ৰ-পাতি বিক্ৰীৰ বাবে মজুত ৰখা হয়। অন্যান্য কিছুমান কৃষিৰ সা-সজুলি এই কাৰখানাত উৎপাদন কৰা হয়। কৃষিৰ যন্ত্ৰৰ মেৰামতি, ৰক্ষণাবেক্ষণ আদি বিষয়ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থাও এই কাৰখানাত আছে।

**কাষ্টম চাউচ চেন্টাৰ ঃ**

কৃষিৰ আধুনিক যন্ত্ৰ-পাতি সমূহ নগদ ধন দি কিনি ব্যৱহাৰ কৰিব পৰা অৱস্থা সকলো খেতিয়কৰে নাই। এনে খেতিয়কৰ বাবে নিগমে গ্ৰাম্য অঞ্চলত কৃষি যন্ত্ৰ-পাতি ভাৰা দিয়া কিছুমান কেন্দ্ৰ খুলি টেক্টৰ, পাৱাৰ টিলাৰ, পাৱাৰ পাম্প ইত্যাদি ভাৰা লৈ দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু এই কেন্দ্ৰ বিলাক বিত্তীয় ভাবে আত্মনিৰ্ভৰশীল নোহোৱা হেতুকে সম্প্ৰতি বন্ধ কৰি দিয়া হৈছে। কিন্তু নিগমৰ কিছুমান শাখা কাৰ্য্যালয়ৰ পৰা কৃষি যন্ত্ৰপাতি ভাৰাত দিয়াৰ ব্যৱস্থা অব্যাহত ৰখা হৈছে।

**নিগমৰ ব্যৱসায় আৰু লাভ লোকচানৰ খতিয়ান ঃ**

অডিট হোৱা হিচাপ মতে আৰম্ভণিৰ পৰা ১৯৭১-৭২ চনলৈকে নিগমে মুঠ ৮,৯৩,২২,৮৯৫ টকাৰ ব্যৱসায় কৰে আৰু সেই কালছোৱাত নিগমৰ মুঠ—৭,৫৯,১১০ টকা লোকচান হয়। ১৯৭২-৭৩ চনৰ হিচাপ বৰ্ত্তমান অডিতৰ পৰীক্ষাধীনত আছে। সম্পূৰ্ণ কৰা বিভাগীয় হিচাপ মতে ১৯৭২-৭৩ চনত নিগমে ৪,৫২,৩৪,৪৭৭ টকাৰ ব্যৱসায় কৰি মুঠ ৮৬,৭৯২ টকা লাভ কৰে। ১৯৭৩-৭৪ চনৰ পৰা ১৯৭৫-৭৬ চনলৈকে মুঠ—৫,৩৯,৬৩,০৭৩ টকাৰ ব্যৱসায় হয় আৰু সেই কালছোৱাত নিগমৰ মুঠ—১০,৩৭,৬৯০ টকা লোকচান হয়। গতিকে আৰম্ভণিৰে পৰা ১৯৭৫-৭৬ চনলৈকে নিগমৰ মুঠ লোকচান হয় ১৭,১০,০০৮ টকা। বিভাগীয় হিচাপমতে ১৯৭৬-৭৭ চনত মুঠ ১,৪২,৮৪,২১৬ টকাৰ ব্যৱসায় হয় আৰু সেই বছৰত নিগমৰ ৩,৪৯,৩৮৫ টকা লোকচান হয়। গতিকে আৰম্ভণিৰে পৰা ১৯৭৬-৭৭ চনলৈকে নিগমৰ মুঠ ব্যৱসায় হয় ২০,২৮,০৪,৬৬১ টকা আৰু মুঠ লোকচান হয় ২০,৫৯,৩৯৩ টকা।

**নিগমৰ ব্যৱসায়ত হোৱা লোকচানৰ প্ৰধান কাৰণ সমূহ হ'ল:**

১। কৃষি উন্নয়নৰ ক্ষেত্ৰত যাৱতীয় সেৱা আৰু সহায় আগবঢ়াবৰ অৰ্থে নিগমে ৰাজ্যৰ বিভিন্ন ঠাইত অনেক শাখা উপশাখা কাৰ্য্যালয় খুলিব লগা হৈছে। কিন্তু এই কাৰ্য্যালয় সমূহৰ বাবে হোৱা ব্যয়, সেই কাৰ্য্যালয়ৰ জৰীয়তে হোৱা ব্যৱসায়ৰ আয়তকৈ বহুত বেছি।

২। সমগ্ৰ অসমত বিস্তৃত হৈ থকা নিগমৰ বহুমুখী কাম-কাজ সুচাৰুৰূপে চলাবৰ বাবে যিমান ব্যয় হয়, তাৰ তুলনাত নিগমৰ ব্যৱসায়ৰ পৰা হোৱা আয় অনেক কম।

৩। আৰম্ভণিতে নিগমে কৃষক ৰাইজৰ সুবিধাৰ্থে ভাৰা খৰিদ ভিত্তিত (Hire-Purchase System) কৃষি যন্ত্ৰ-পাতি যোগান ধৰা, কৃষি কাৰ্য্যৰ বাবে আৱশ্যক হোৱা বিভিন্ন আহিলা-পাতি বহু পৰিমানে ক্ৰয় কৰি মজুত ৰখা, গ্ৰাহকক বাকীত আহিলা-পাতি যোগান ধৰা আদি কামত নিগমৰ আদায়কৃত মূলধনৰ প্ৰায় গোটেই খিনিয়েই আবদ্ধ কৰিব লগা হয়। ফলস্বৰূপে ব্যৱসায়ৰ অন্যান্য শিতানত লগা পুঁজিৰ নাটনি পৰাত নিগমে বেংকৰ পৰা উচ্চ হাৰৰ সুত ঋণ লব লগাত পৰে।

৪। ৰাসায়নিক সাৰ বিতৰণৰ ক্ষেত্ৰত নিগমৰ লাভৰ (Margin) পৰিমাণ যৎসামান্য। অসমৰ আভ্যন্তৰীণ অঞ্চল বিলাকত সাৰ, কীটনাশক দৰৱ আদি যোগান ধৰিবৰ বাবে নিগমে উন্নয়ন খণ্ড পৰ্য্যায়ত কিছুমান বিক্ৰী কেন্দ্ৰ খুলি ক্ষতি গ্ৰস্ত হৈ সেই আঁচনি পৰিহাৰ কৰিব লগা হয়। আন আন আহিলা পাতিৰ ক্ষেত্ৰতো ব্যৱসায়ৰ পৰিমাণ কম হোৱাৰ বাবে নিগমে পোৱা লাভৰ পৰা ব্যৱস্থাপনা আৰু পৰিচালনা ব্যয় কুলাব পৰা নাই।

৫। ব্যক্তিগত ব্যৱসায়ীৰ সৈতে প্ৰতিকুল অৱস্থাতো প্ৰতিযোগিতা কৰিব লগা হোৱাত নিগমে আশানুৰূপ ভাৱে ব্যৱসায় বৃদ্ধি কৰাত বাধা পাই আহিছে।

৬। কৃষি ক্ষেত্ৰত আধুনিক পদ্ধতি অৱলম্বন কৰাত আমাৰ ৰাজ্যখন এতিয়াও পিচ পৰি আছে। ইয়াৰ অন্যতম প্ৰধান কাৰণ হল অসমৰ খেতিয়ক সকলৰ ক্ৰয় ক্ষমতা অতি কম।

৭। নিগমৰ কাৰ্যকালৰ আৰম্ভনীতে ঘটা কিছুমান বিত্তীয় আৰু প্ৰশাসনীয় বিজুতিৰ ফলস্বৰূপে নিগম বিশেষ ভাৱে ক্ষতিগ্ৰস্ত হয়। এই সন্দৰ্ভতে নিগমৰ অনুৰোধক্ৰমে কেন্দ্ৰীয় চোৰাংচোৱা বিভাগ (C.B.I.) তদন্ত কৰি সেইসময়ৰ নিগমৰ পৰিচালনা সঞ্চালকজনৰ বিৰুদ্ধে গুৱাহাটীৰ বিশেষ ন্যায়াধীশৰ ন্যায়ালয়ত (Special Judge's Court) গোচৰ তৰিছে। তদুপৰি উপৰোক্ত বিজুতি সমূহৰ সম্পৰ্কে তদন্ত কৰিবলৈ চৰকাৰে যাবতীয় ব্যৱস্থা লৈছে।

প্ৰতিকাৰ মূলক ব্যৱস্থা :—

পুনঃপেটনিক লোকচানৰ পৰা হাত সাৰিবলৈ নিগমে তলত উল্লেখ কৰা ব্যৱস্থা সমূহ হাতত লৈছে :—

(ক) পুৰণি আৰু ব্যয়বহুল বুলি বিবেচিত যান বাহন আদি বিক্ৰী কৰি দিয়া হৈছে। কিন্তু তাৰ পৰিবৰ্ত্তে নতুনকৈ যান বাহন কিনা হোৱা নাই।

(খ) ব্যৱসায় নথকা কিছুমান বিক্ৰীকেন্দ্ৰ উঠাই দিয়া হৈছে। আৰু অতিৰিক্ত কৰ্ম্মচাৰী সকলক নিগমৰ সেৱাৰ পৰা বিদায় দিয়া হৈছে।

(গ) চৰকাৰৰ পৰা প্ৰতি নিযুক্তিত (Deputation) অনা কৰ্ম্মচাৰী সকলক ক্ৰমানয়ে তেওঁলোকৰ নিজৰ বিভাগলৈ ঘূৰাই পঠোৱা হৈছে। ইয়াৰ দ্বাৰাই নিগমে দিব লগীয়া ছুটি বেতন আৰু পেঞ্চন যৰঙনিৰ শিতানৰ খৰচৰ পৰা ৰেহাই পাইছে।

২। ব্যৱসায় সম্প্ৰসাৰণ আৰু বৃদ্ধি :

(ক) কৃষি কাৰ্য্যত লগা বিভিন্ন সা-সঁজুলিৰ উৎপাদন ক্ৰমানয়ে বৃদ্ধি কৰা হৈছে।

(খ) অসমৰ গাওঁপঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতিসমূহক নিগমে এজেন্ট স্বৰূপে নিযুক্তি দিয়া হৈছে। ঠাই বিশেষে ব্যৱসায় বৃদ্ধিৰ বাবে ব্যক্তি বা ব্যৱসায়ী প্ৰতিষ্ঠানকো নিগমৰ এজেন্ট হিচাবে নিয়োগ কৰা হৈছে।

(গ) নিজৰাজ্যত প্ৰয়োজনীয় সেৱা অব্যাহত ৰাখি ওচৰচুবুৰীয়া ৰাজ্য কেইখনতো ব্যৱসায় সম্প্ৰসাৰণৰ কাৰণে নিগমে যাবতীয় ব্যৱস্থা হাতত লৈছে এই ব্যৱস্থাৰ ফলস্বৰূপে নিগমে মনিপুৰ, নগালেণ্ড আৰু অৰুণাচল ভুটান আৰু ত্ৰিপুৰাৰ পৰা কিছু লাভজনক ব্যৱসায় পাইছে।

(ঘ) কৃষি যন্ত্ৰ-পাতিৰ ক্ষেত্ৰত বিক্ৰীৰ পাচৰ সেৱা বা মেৰামতিৰ বিষয়ত গ্ৰাহক সকললৈ অধিক সা-সুবিধা আগবঢ়াইছে।

হাতত লোৱা উক্ত ব্যৱস্থাসমূহৰ পৰা নিগমে ব্যৱসায়ৰ ক্ষেত্ৰত উন্নতি কৰিব বুলি আশা কৰিব পাৰি।

বুলডজাৰ ক্ৰয় সম্পৰ্কে :—

১৯৬৯-৭০ চনত নিগমে ৩,৯৬,৬২৮ টকাত সেইসময়ৰ পৰিচালনা সঞ্চালকৰ চুক্তি মতে ৪ খন বুল ডজাৰ কলিকতাৰ পৰা কিনে. তাৰে ১০৮৬১৫ টকাত কিনা ডি-৭ কেটাৰপিলাৰ টেক্টৰখন আগতে ব্যৱহৃত মেৰামতি কৰাৰ পিচতো ইয়াক সম্পূৰ্ণৰূপে কাৰ্য্যক্ষম কৰিব পৰা নগল। তথাপি এইখন বুলডজাৰৰ পৰা নিগমে ২৮৯ ঘণ্টা ভাৰাত দি মুঠ ১৬,১৫৬ টকা উৎপাদন কৰে এই টেক্টৰৰ বাবে লগা আৱশ্যকীয় যন্ত্ৰাংশ নোপোৱাৰ বাবে নিগমে অৱশেষত ২৭,০৫৫৫৫ টকাত ১৯।৩।৭৬ তাৰিখে বিক্ৰী কৰি দিয়ে।

৬২,৯৭৩ টকাত কিনা এচ ৬৫০ ৰুমানিয়ান ট্ৰেক্টৰ খন প্ৰদৰ্শনমূলক কামৰ বাবে কিনা হৈছিল কিন্তু বেলেগে অনাব সময়ত এই ট্ৰেক্টৰখনৰ কিছুমান অংশ পতি হেৰোৱাত আৰু তেনে যন্ত্ৰাংশ অনেক প্ৰচেষ্টাৰ মূৰতো যোগাৰ কৰিব নোৱাৰাত ই বৰ্ত্তমানেও অচল হৈ পৰি আছে।

বাকী দুখন এচ ৬৫০ ৰুমানিয়ান ট্ৰেক্টৰ এই দুখন কাৰ্য্যক্ষম কৰিবৰ বাবে আৱশ্যকীয় ডজিং ব্লেড (Dozing Blade) ১৯৭২ চনৰ মাৰ্চ মাহত হে কলিকতাৰ পৰা পোৱাৰ পাছত সংলগ্ন কৰা হয়। তেতিয়াৰ পৰা এই দুখন ট্ৰেক্টৰ ১৮০৪ ঘণ্টা ভাৰাত দি মুঠতে ১,০৮,২৪০ টকা আয় কৰা হয়।

(ক) উপৰোক্ত চাৰিওখন বুলডজাৰেই বিদেশত নিৰ্মিত। কাজেই ইয়াৰ বাবে সঘনাই লাগি থকা প্ৰায় সকলো বিলাক যন্ত্ৰাংশই বিদেশৰ পৰা আমদানি কৰিব লাগে। গতিকে ইয়াৰ বাবে লগা আৱশ্যকীয় যন্ত্ৰ-পাতি আৰু অংশ বিশেষ দেশৰ ভিতৰতে পাবলৈ নোহোৱাত লাগতীয়াল মেৰামতি সময়মতে কৰিব পৰা হোৱা নাই। নিগমে এইবোৰ যন্ত্ৰাংশৰ বাবে দেশৰ বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠান। আৰু আনকি ৰুমানিয়ান দূতাবাসৰ ব্যৱসায়িক বিভাগৰ লগতো যোগাযোগ কৰি বিফল হয়। উল্লেখ কৰা অসুবিধাজনিত কাৰণবশত এই বুলডজাৰ কেইখনৰ পৰা নিগমে আশানুৰূপ আয় কৰিব পৰা নাই।

শেহতীয়াকৈ নিগমে অচল হৈ পৰি থকা এই বুলডজাৰ কেইখনৰ বিষয়ত পৰীক্ষা কৰি লবলগীয়া ব্যৱস্থাৰ বাবে পৰামৰ্শ আগবঢ়াবলৈ এখন বিশেষ হে কমিটি পাতি দিছে। এই কমিটিৰ পৰামৰ্শ এতিয়াও পোৱা হোৱা নাই।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত :—মাননীয় অধ্যক্ষ মহোদয়. কৃষি মন্ত্ৰী মহোদয়ৰ দিঘলীয়া বক্তৃতাত বিভিন্ন এগ্ৰো ইণ্ডাষ্ট্ৰিজ বিষয়ে সকলে তৈয়াৰ কৰি দিয়া ৰিপোৰ্ট পঢ়িলে। ইয়াত যেন বিভিন্ন বিষয়াৰ দোষ নাই অতিজৰে যন্ত্ৰ-পাতি কিনা. অমূল তমূল ইত্যাদি এটা ষ্টেৰিও টাইপ গতানুগতিক বিবৃতি। Defaulting Officers will scotfree.

এইধৰণে এই বিভাগতে নহয় প্ৰত্যেক বিভাগতে লাখ লাখ টকাৰ অপচয়ৰ নমুনা পাও। তেখেতৰ বিবৃতিটো ভাল পাইছো কিন্তু মই বিশ্বস্ত হব পৰা নাই আৰু বোধকৰো সদনৰ বাকী সদস্য সকলেও পৰা নাই। গতিকে মই ভাবো এই বিষয়টোৰ ওপৰত এটা তদন্ত হব লাগে যাতে তাৰ মূল কাৰণ বিষয় উলিয়াব পৰা যায়। অলপ টকা নহয় ২০ লাখ ২০ হাজাৰ টকা। গতিকে তদন্ত হব লাগে বুলি মই দাবী কৰিছো।

*শ্ৰীনগেন বৰা : অধ্যক্ষ মহোদয়, ১৯৭৩-৭৪ আৰু ১৯৭৪-৭৫ চনত আমাৰ যিটো এগ্ৰো ইণ্ডাষ্ট্ৰি কৰ্পোৰেচন আছে এই বিষয়ে তেখেতে যিখিনি তথ্য পাতিৰ কথা উত্থাপন কৰিছে—সেই সকলোখিনি ৰবিশসাৰ কাৰণে চৰকাৰৰ আঁচনিত আছিল। এই বয় বস্তুৰ মাজত আছিল কৃষি সম্পৰ্কীয় পানী যোগানৰ কাৰণে যন্ত্ৰপাতি অনা আৰু অন্য ৰকমৰ পাম্পচেট আদি কিনা হৈছিল। আমি শুনামতে প্ৰায় ৮০ লাখ মানৰ আছিল। কিন্তু এই বিলাক কিনাৰ কাৰণে নীতিমতে যি নিবিদা আদি গ্ৰহণ কৰিব লাগিছিল সেইবিলাক কৰা হোৱা নাই। লগতে ইয়াৰ লগত জৰিত যিসকল মন্ত্ৰী আৰু বিষয়া আছে তেখেতসকলে কোম্পানীৰ লগত নেগচিয়েট কৰি কিছুমান পৰিমাণ বস্তু কিনিছিল—যিবিলাক কিনাৰ পাছত কোনো কাৰ্য্যক্ষম নহয় আৰু এতিয়ালৈকে কামত লগাব পৰা নাই। সেইবিলাক এতিয়াও এগ্ৰ-ইণ্ডাষ্ট্ৰিৰ কৰ্পোৰেচনৰ গোদামত পৰি আছে। কিন্তু সেইবিলাক

*Speech not corrected

কিনাৰ সময়ত সম্পূৰ্ণ টকা পইচা দিয়া হৈছিল। এই গোটেই সঞ্চালকালয়ে তেতিয়াৰ পৰা এতিয়ালৈকে নানা কাৰণত লোকচান হৈয়েই আছে। গতিকে মন্ত্ৰী মহোদয়ে যিটো ৰিপৰ্ট দাখিল কৰিছে তাৰ বাহিৰেও অন্যান্য বহুত কথা আৰু কাৰণ আছে যিদৰে আমাৰ মাননীয় সদস্য শ্ৰীদত্ত ডাঙৰীয়াই যিটো কথা কৈছে—তাৰ এটা বিহিত ব্যৱস্থা লবৰ বাবে এটা তদন্ত আয়োগ চৰকাৰে গঠন কৰি দিয়াটো বাঞ্চনীয়। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এই তদন্তৰ ৰিপৰ্ট শুনাৰ পৰা আমাক বঞ্চিত নকৰে যেন।

*শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, ইতিমধ্যে আগৰ চৰকাৰে ১১।৬।৭৬ তাৰিখে ইয়াৰ বাবে তদন্ত কমিটি গঠন কৰিছিল। কিন্তু এতিয়ালৈকে যিখিন ঘটিছে সেইখিনিৰ হুবহু মই বিবৃত্তিত প্ৰকাশ কৰিছো—কোনো কথা ইয়াত লোক-ঢাক কৰা হোৱা নাই। ৰিশেষজ্ঞ কমিটিৰ ওপৰত যিটো সন্দেহ হৈছে—তাৰ ভিতৰত কি কি হব পাৰে সেইটো তেতিয়া দাখিল কৰিব। তেনেকুৱা এটা আঁচনিৰ পূৰ্ণ কাম হোৱা নাই যেতিয়া আমাৰ চৰকাৰে নিগমৰ বিষয়ে বিবেচনা কৰিব আৰু উপযুক্ত ব্যৱস্থা লব। গতিকে মাননীয় সদস্য সকলৰ যিটো অনুভূতি সেইটো বিবেচনা কৰি চোৱা হব। কিন্তু এইটো মাননীয় সদস্য শ্ৰীদত্ত ডাঙৰীয়াই যিটো কৈছে সেইটোও ঠিক আৰু মাননীয় সদস্য শ্ৰীবৰুৱা ডাঙৰীয়াই কোৱা কথাটোও ঠিক। মই বিবেচনা কৰি পাইছো যে এই বুলডজাৰৰ কাৰণে তেতিয়াৰ সঞ্চালক শ্ৰীআৰ, ডি, লিংডই কোনো নিবিদা গ্ৰহণ কৰা নাছিল। তেখেতে নিজে যিটো কয়—সেইমতে কি কি লাগে কিনা হৈছিল আৰু সেইবিলাকৰ কোনো চাৰ্টিফিকেট লোৱা নাছিল। তেখেতে নিজেই গোটেইখিনি সিদ্ধান্ত লৈছিল। গতিকে ইয়াত কোম্পানীৰে পৰা আৰম্ভ কৰি ক'ত কি আছে সেইবিলাক আমাৰ চৰকাৰে অনুসন্ধান কৰিবৰ ইচ্ছা আছে। গতিকে মাননীয় সদস্য সকলৰ সাপেক্ষে অধ্যক্ষ মহোদয়ে এই কথা অনুভৱ কৰি বিধান সভাৰ সদস্য সকলক লৈ এটা তদন্ত আয়োগ কৰি পৰামৰ্শ আগবঢ়াব পাৰে—সেই হিচাবে কৰিবলৈ আমাৰ চৰকাৰৰ ইচ্ছা আছে।

*শ্ৰীআলটাফ হুছেইন মজুমদাৰ: অধ্যক্ষ মহোদয়, ইয়াত বাইজৰ পৰা লোৱা অজস্ৰ ধন অপচয় হৈছে। এই অপচয়ৰ পৰিমাণ কিমান আৰু এই লোকচানৰ কাৰণে ব্যক্তিগত বিষয়া দায়ীনে কোনোবা দায়ী—সেই সকলোবোৰ কথা উলিয়াব লাগিব। সেইকাৰণে মই ভাবো ইয়াৰ এটা পূৰ্ণ পৰ্য্যায়ৰ অনুসন্ধান হব লাগে আৰু এই অনুসন্ধান হলে ভৱিষ্যতে কি কৰিলে ৰাজহৰ কোনো লোকচান নহয় আৰু সেই লোকচানত কেনেকৈ প্ৰটেকচন দিয়া যাব—এইবিলাক কথাৰ কাৰণে সদনৰ ফালৰ পৰা এটা অনুসন্ধান হব লাগে।

মাননীয় অধ্যক্ষ: পাব্লিক আণ্ডাৰ টেকিং কমিটি আৰু পি, এ, চি'ৰ দ্বাৰা এই বিষয়ে তদন্ত কৰাব নোৱাৰিব নে?

*শ্ৰীআলটাফ হুছেইন মজুমদাৰ:—পাব্লিক আণ্ডাৰ টেকিং কমিটি বিলাকৰ দ্বাৰা অনুসন্ধান কৰিলে টাৰমচ্ এণ্ড ৰেফাৰেনচ নাপাব পাৰে। গতিকে কত কেনেকৈ কিমান টকা অপচয় ঘটিছে আৰু এই অপচয়ৰ লগত কোন কোন জৰিত আছে—সেই বিলাকৰ একোটা অভিযোগ আহিব লাগিব—সেইকাৰণে নতুনকৈ এটা অনুসন্ধান কমিটি কৰি দিয়াতো ভাল।

শ্ৰীনগেন বৰুৱা:—এই নিগমৰ উদ্দেশ্য আছিল অসমক স্বাৱলম্বী কৰা আৰু কৃষিৰ ক্ষেত্ৰত বিকাশসাধন কৰা। কি কি ধৰণে কৃষকক সহায় কৰিব পাৰি ইত্যাদি কথা তদন্ত কমিটি হলে আহিব পাৰে। গতিকে পাব্লিক আণ্ডাৰ টেকিং কমিটি বা পি,এ,চি'ৰ দ্বাৰা আচলতে এই লোকচানৰ লগত জৰিত বিষয় বোৰৰ টাৰ্মচ্ এণ্ড ৰেফাৰেন্চ নাথাকিব পাৰে। গতিকে ভৱিষ্যতে এই বিষয়ৰ নীতিবোৰ যাতে সংশোধন কৰিব পাতি আৰু কোনবিলাক কথা জুডিচিয়েলী বিচাৰ কৰিব পৰা যায়—সেইবিলাকৰ টাৰ্মচ্ এণ্ড

*Speech not corrected

ৰেফাৰেন্চ দি ভৱিষতে লিাকচানত বাধা দিব পৰাকৈ ব্যৱস্হা লব পাৰিব। গতিকে ইয়াৰ এটা সৰকীয়া অনুসন্ধান হোৱা উচিত।

*শ্ৰীফনি মেধি: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখন প্ৰতিবেদন পাঠ কৰি পাছত যিখিনি কথা কলে—তাৰ পৰা স্পষ্ট হল যে পাৰ্টচ বিলাক কিনিবৰ কাৰণেও কোনো নিবিদা গ্ৰহণ কৰা নাছিল আৰু সঞ্চালকজনেই নিজেই কিনা-বেচা কৰিছে। এই কথা মন্ত্ৰী মহোদয়ে জানে। যদি এই কথা জানেই তেতিয়াহলে মন্ত্ৰীমহোদয়ে কিয় এই প্ৰতিবেদনখন এই কথাখিনি সন্নিৱিষ্ট নকৰিলে? এতিয়া যিখন প্ৰতিবেদন দাখিল কৰিলে তাৰ লগতো মন্ত্ৰী ডাঙৰীয়া একমত নহয়। গতিকে এই সন্দৰ্ভত যিসকল বিষয়া জৰিত আছে সেই বিষয়াসকলক প্ৰতিবেদনখনে প্ৰটেকচনহে দিব বিচাৰিছে। এই বিষয়াজনে অৰ্থাত সঞ্চালক-জনে ২০ লাখ টকা লোকচান কৰিলে। এইটোৰ বাবে কোনো ব্যৱস্থা নোলোৱাটো অনুচিত হব।

*শ্ৰীকুল বাহাদুৰ চেত্ৰী: অধ্যক্ষ মহোদয়, কৃষিমন্ত্ৰী ডাঙৰীয়াই যিখন প্ৰতিবেদন দাখিল কৰিলে তাত তিনিটা কথা সোমাই আছে। এটা কথা হৈছে অসমৰ ৰাইজক এইদৰে আনে ঠগি থকাৰ কাৰণে উন্নতিৰ ক্ষেত্ৰত অসমৰ ৰাইজ আটাইতকৈ পিচপৰা। আচলতে কৃষকক সহায় কৰিবৰ কাৰণেহে কৰ্ম্মচাৰী ৰখা হৈছিল। দ্বিতীয়তে ক্ৰয়ৰ ক্ষেত্ৰত যিটো কথা কৈছে—এই বিষয়ে দুখীয়া কৃষকৰ কাৰণে এই টকা লোকচান দিবলগা হব।

মাননীয় অধ্যক্ষ: আপোনাৰ কথাখিনি একোটা ভাষণ হৈছে।

*শ্ৰীকুল বাহাদুৰ চেত্ৰী: সেইকাৰণে মই আশা কৰিছো এনেকৈ কৃষকৰ নামত সুবিধান নলৈ ইয়াৰ বিহিত ব্যৱস্থাৰ কাৰণে অনুসন্ধান কমিটি এটা পাতিব লাগে।

*শ্ৰীবানেশ্বৰ শইকীয়া: অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো যে যি প্ৰতিবেদন মন্ত্ৰী ডাঙৰীয়াই দাখিল কৰিলে তাত যোৱা কালছোৱাৰ ভিতৰত এগ্ৰো-ইণ্ডাষ্ট্ৰিৰ গোদামত কিমান লাখ টকাৰ যন্ত্ৰ-পাতি নষ্ট হৈছে সেই কথা আলোচনা হৈছে আৰু এনে ধৰণৰ অপচয় বন্ধ কৰিবৰ কাৰণে বিশেষ কিবা ব্যৱস্থা চৰকাৰৰ তৰফৰ পৰা লোৱা হবনে? বা এই নিগমৰ দ্বাৰা এই পৰ্য্যন্ত কি কি প্ৰতিকাৰৰ ব্যৱস্থা কৰিলে—এইবিলাক কথা থাকিলে ভাল আছিল। এই কথাবিলাকৰ কিমান বছৰৰ পৰা উত্তৰ নাই? বাকী সকলো মাননীয় সদস্যই মোৰ দৰে উপযুক্ত বিবেচনা কৰিছে যে এনেকুৱা এটা ৰাজহৰ প্ৰতিষ্ঠানত যি ধৰণে অপচয় হৈছে তাত নিশ্চয় কোনেও শাস্তি পোৱা নাই। সেই কাৰণে ইয়াৰ এটা তদন্ত আয়োগ দাবী কৰিছো আৰু এই সদনৰ সদস্যৰ দ্বাৰা বা কোনো বিশেষজ্ঞক লগত লৈ এই অনুসন্ধানৰ স্পষ্ট ৰিপৰ্ট সদনত দাখিল কৰিব লাগে।

*শ্ৰীযোগেন গগৈ: অধ্যক্ষ মহোদয়, এগ্ৰো-ইণ্ডাষ্ট্ৰিৰ কিমান লাখ টকা পাৰ্ট মেৰামতিৰ কাৰণে ৰখা হৈছে তাৰ হিচাবটো আমাক লাগে আৰু আমি বিচাৰো। দ্বিতীয় প্ৰশ্ন হৈছে যি ধন অপচয় হৈছে এই ক্ষেত্ৰত যিসকল বিষয়া জৰিত আছে তেনে বিষয়াকে বিশেষজ্ঞ কৰি দিয়াৰ কথাটো তদন্ত কৰিবৰ বাবে দৃষ্টি আকৰ্ষিত কৰিলো।

*শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাননীয় সদস্য মেধি ডাঙৰীয়াই কোৱাৰ দৰে কথাটো লুকুৱাবলৈ চেষ্টা কৰা নাই, যিমান দূৰ উদ্ঘাটন কৰিবলৈকে চেষ্টা কৰা হৈছে। মই আগতেই কৈছো যে সঞ্চালক জনে নিজেই বস্তু খিনি কিনিছিল। তদন্তৰ কাৰণে বা আপোনালোকে যি পৰামৰ্শ দিছে চৰকাৰে নিশ্চয় বিবেচনা কৰিব আৰু মাননীয় সদস্যৰ অনুমতি সাপেক্ষে তদন্ত কমিটি গঠণ কৰাৰ কথা বিবেচনা কৰা হব।

---

*Speech not corrected

Mr. Speaker .— Now, Shri Promode Chandra Gogoi.

Shri PROMODE CHANDRA GOGOI :—Mr. Speaker, Sir, with your permission I would like to draw the attention of the Hon'ble Chief Minister to a very important news-item published in the Assam Tribune today, the 29th May, 1978. The news-item reads as follows :

"Dt, Shillong, the 28th may, 1978.

The Meghalaya Police has removed a boundary pillar along the Karbi-Anglong District. Assam, as a symbolic gesture of protest over the alleged encraochment of its territory by Assam, according to official sources here today.

The pillar was removed yesterday in pursuance of an order issued earlier by the Meghalaya Revenue minister"

Therefore, sir I want to draw the attention of the Hon'ble Chief Minister to clarify the latest position and to acquaint the House as to what steps have been taken by the Government to protect its own territory.

*শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মূখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বাৰ্তাৰটোৰ প্ৰতি আমাৰো দৃষ্টি আকৰ্ষিত হৈছে আৰু এই বিষয়ে আমাক অলপ সময় লাগিব। এই সম্পৰ্কত মই সদনত এটা বিবৃতি দাখিল কৰিম।

*শ্ৰীগোলোক ৰাজবংশী ঃ— অধ্যক্ষ মহোদয়, মোৰ কথা হৈছে এই এভাৰেজ চাইকেল ফেক্টৰীটোৰ বহুত লাখ টকা মৰা পৰিছে আৰু এই ফেক্টৰীটো চলা নাই। কেন্দ্ৰীয় শিল্প মন্ত্ৰী জৰ্জ ফাৰ্নাণ্ডেজ ইয়ালৈ আহোতে এই ফেক্টৰীটোৰ কৰ্ম কৰ্ত্তা সকলে এখন মেমোৰেণ্ডাম দিছিল। তেখেতে এই ফেক্টৰীটো কেন্দ্ৰীয় চৰকাৰৰ হাতলৈ নিবৰ বাবে এচুৰেন্স বুলি নকওঁ একপ্ৰকাৰ মত দিয়া যেনেই লাগিছিল। যোৱা বিধান সভাত আমাৰ শিল্প মন্ত্ৰী শ্ৰীসিংহ ডাঙৰীয়াই এই বিষয়ে তেখেতক লগ ধৰি ফেক্টৰীটো দেখুৱাইছিল আৰু কেন্দ্ৰীয় চৰকাৰে লব লাগে বুলি কৈছিল। সেই কথাবিলাক এতিয়া একো নোহোৱাৰ কাৰণে কৰ্ম্মী সকলে ধৰ্না দিছে। এতিয়া ৰাজ্য চৰকাৰেই লয় নে কেন্দ্ৰীয় চৰকাৰেই লয় তাৰ এটা ব্যৱস্থা কৰিব লাগে।

*শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মূখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই ফেক্টৰীটোৰ সংক্ৰান্তত কেনেকৈ এটা সুস্থ মিমাংসা হয় সেই বিষয়ে নতুন চৰকাৰে চিন্তা কৰি আছে। সোনকালে এই সমস্যাটোৰ সমাধান কৰাটো সম্ভৱপৰ নহয়, তথাপি আমি চেষ্টা কৰি আছোঁ। ইতিমধ্যে তিনি মাহৰ বেতন শ্ৰমিক সকলক দিয়া হৈছে। গতিকে কেনেকৈ সুস্থ সমাধান এটা কৰিব পৰা হয় তাৰ চিন্তা কৰি থকা হৈছে।

---

*Speech not corrected

Mr. Speaker :—I heard Shri Golok Rajbanshi on his notice of complaint of breach of privilege, the Chief Minister as also the Minister for Parliamentary Affairs on 26th May, 1978. Shri Rajbanshi in his complaint alleged that by publishing a booklet entitled অসমক সুন্দৰকৈ গঢ়িবৰ বাবে Shri Golap borbora hief Minister and the Printer of the Government Press have committed a breach of privilage of the House on the following counts :

(১) মুখ্যমন্ত্ৰীয়ে এই পুস্তিকা প্ৰকাশ কৰোতে সদনত দিয়া উত্তৰ সম্পৰ্কীয় ভাষণৰ সম্পূৰ্ণ প্ৰকাশ নকৰি ভাষণৰ তাতপৰ্য্য আৰু অৰ্থ বিকৃত কৰিছে।

(২) উত্তৰ সম্পৰ্কীয় ভাষণত নোহোৱা কিছুমান কথা যোগ দি ভাষণ উন্নত কৰা হৈছে।

(৩) উত্তৰ দিয়াৰ সময়ত বিধান সভাৰ কেইজনমান সদস্যই বিচৰা স্পষ্টীকৰণ ইয়াত সন্নিবিষ্ট নকৰি ভাষণ এক পক্ষীয় কৰি বিকৃত কৰা হৈছে।

(৪) সদনৰ কাৰ্য্যসূচী আৰশ্যকীয় অনুমতি ব্যতিৰে এনেদৰে প্ৰকাশ কৰি সদনৰ মৰ্য্যদা হানি কৰা হৈছে।

(৫) পুস্তিকাত প্ৰকাশ কৰা নাম প্ৰকাশ নকৰি বেআইনী কামেৰে লোক চক্ষুত সদনক হেয় প্ৰতিপন্ন কৰা হৈছে।

So far as point No. 1 is concerned, I have carefully gone through the booklet and found that in the very preamble of the booklet it has been said that it is only the major part of the speach of the Chief Minister delivered on the floor of the House in reply to the debate on the Governor's Address and not the whole of it. I have also carefully compared the contents of the booklet with the speech of the Chief Minister and found that the minor portions of the speech that have been omitted in the booklet have not in any way distorted the speech as a whole. Therefore the first point raised by the complainant falls through,

The second point raised by the complainant is that certain words have been added only to improve the speech. I do not find from the booklet that any additions have been made to what the Chief Minister said on the floor of the House; only certain subheadings have been given. The objeet of publishing the speech of the Chief Minister is to publicise the policy of the present Government for the information of the public at large. The subheading, to my mind, have been given for easy and better understanding by the people. The sub-headings have not in any way distorted the speech. Therefore, the second point raised by the complainant does not hold good.

The third point raised is that the clarifications sought for by some hon. Members of the House during the Chief Minister's speech have not found place in the booklet and thereby the speech has been destorted and made one sided. The intention of the booklet is to publicise

* Speech not corrected

the speech of the Chief Minister, the clarifications sought for do not form part of the Chief Minsster's speech, nor has the omission of clarifications sought for form the booklet distorted the speech of the Chief Minister in any way. Therefore, this point has no force at all.

The foruth point raised that it has been published without permission is also not corr ct. I find from records in my office that permission for publishing the speech was sought for and it was given by the speaker before publication of the booklet. Moreover, it is a common knowledge that proceedings of Parliament and State Legislature are being frequently published in the newspapers as also by other news agencies. The question of privilege would arise only when here is any distortion of the speech of the Chief Minister in its truest meaning in the booklet in question. Therefore, this point also falls through.

With regard to the fifth point that the dignity of the House has been lowered in the eye of general public by getting the booklet illegally published without the name of the publisher, the Chief Minister in his reply on 26-5-78 has said that some advance copies were printed in which the name of the publisher was not printed and that as soon as the mistake was detected, the main copies were corrected. Thus it was a bonafide mistake which was corrected immediately on detection. Mere omission to print the name of the publisher cannot constitute a breach of privilege. Therefore, this point has no force at all.

I therefore hold that there is no prima facie case of breach of privilege and I disallow it.

---

## INTRODUCTION OF THE ASSAM CRIMINAL LAW AMENDMENT) BILL, 1978

**Shri Sona Ram Thaosen** (Minister, Hill Areas) :– Sir, I beg leave to introduce the Assam Criminal Law (Amendment) Bill, 1978.

**Mr. Speaker** :—Is it the pleasure of the House to grant leave to the Minister to introduce the Bill ?

( voices yes, yes )

**Shri Sona Ram Thaosen** ( Minister ) :—Sir, I introduce the Bill.

**Mr. Speaker** The Bill is introduced.

(Secretary read out the Bill introduced is, Assam Criminal Law (Amendment) Bill, 1978)

**Mr. Speaker** :—Now we come to the general discussion on the Budget.

শ্ৰীপ্ৰসাদ দলৈ : মাননীয় অধ্যক্ষমহোদয়, ভাৰতবৰ্ষৰ সংবিধানৰ লক্ষ্য হৈছে এই ভাৰতবৰ্ষত শ্ৰেনীবিহীন আৰু সম্প্ৰদায় বিহীন ৰাষ্ট্ৰ গঠন কৰা। এই ভাৰতবৰ্ষৰ যি ৰাজ্যই নহওক সকলোৱেই এই লক্ষ্যক কেন্দ্ৰ কৰি বাজেট প্ৰস্তুত কৰিব লাগিব। আমি অন্যৰ নকও অসমত আমাৰ দিনক দিনে নিবনুৱা সমস্যা বাঢ়ি গৈছে। আমাৰ পঞ্জিভুক্ত হৈ আছে মাত্ৰ ২ লাখ ৪ হাজাৰ মানুহ। তাৰ ভিতৰত শিক্ষিত যুবক হৈছে ৯৮৬১৫ জন আৰু স্নাতক শিক্ষিত যুবক হৈছে ১৫৪৮৫ জন। এই সম্পৰ্কত অন্যৰ কথাই নকও বাগান বিলাকত যিটো নিবনুৱা সমস্যা হৈছে এই সমস্যাটোৱে এটা ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। ১৯৫০ চনত বাগান বিলাকত ১০ লাখ ৩৩ হাজাৰ বনুৱা আছিল। কিন্তু বিভিন্ন পাক চক্ৰত পৰি ১৯৭৫ চনত এই বাগান বিলাকত ৩ লাখ ৩৪ হাজাৰ বনুৱা আছে। তাৰ পৰা বুজা যায় বাগান বিলাকৰ বিভিন্ন লাভ লোকচানক কেন্দ্ৰ কৰি তাত যি বিলাক মালিক আছে তেওঁলোকৰ বিভিন্ন হেচাৰ ফলত ১০ লাখ ৩৩ হাজৰৰ পৰা বনুৱা ৩ লাখ ৩৪ হাজাৰত পৰিছেগৈ। আমাৰ বাজেট বক্তৃতাত নানান কথা কব বিচাৰিছে। আমাৰ বাগান বিলাকত যিটো নিবনুৱা সমস্যাৰ সৃষ্টি হৈছে, তাত মালিক সকলে যিটো নিবনুৱা সমস্যাৰ সৃষ্টি কৰিছে এই সমস্যাটোৰ সমাধান কৰিবলৈ হলে বাগান বিলাক পৰ্য্যায়ক্ৰমে ৰাষ্ট্ৰীয়কৰণ কৰাৰ ব্যৱস্থা হাতত ললে অসমত বিশেষ ভাবে উপকৃত হব বুলি ভাবো। তাৰোপৰি অসমক সুন্দৰকৈ গঢ়ি তুলিবৰ বাবে যিটো বিবৃত্তি মুখ্য-মন্ত্ৰী মহোদয়ে ইতিপূৰ্বে প্ৰকাশ কৰিছে তাত এটা কথা কোৱা হৈছে যে অসমত বনুৱা বিলাকৰ ক্ষেত্ৰত যি খন বনুৱা আইন, বেতন আৰু বনাচ কাৰ্য্যকৰীকৰণৰ সিদ্ধান্ত লোৱা হৈছে সেই খন কাৰ্য্যকৰী কৰিলে আমি সুখী হম। ইয়াৰ উপৰিও অসমত বিভিন্ন বনুৱা বা নিবনুৱা সমস্যা দূৰকৰিবৰ কাৰণে যি কেইটা উদ্যগ গঢ়ি তোলাৰ কথা কৈছে পাবলিক চেকটৰত যেনে কাছাৰত পঞ্চগ্ৰামত কাগজ কল, হিন্দুস্থান পেপাৰ লিমিটেডে জাগীৰোডত যি কাগজৰ কলৰ ব্যৱস্থা হাতত লৈছে, এই খিনিতে আমি শুনিবলৈ পাইছো যে তাৰ অফিচটো কলিকতাত থকাৰ কাৰণে অসুবিধা হৈছে আৰু তাৰ কাৰণেই স্থানা-ন্তৰ কৰা হব এই বিলাক কাম সোনকালে কৰিব পাৰিলে আমাৰ নিবনুৱা সমস্যা কিছু পৰিমাণে সমাধান কৰিব পৰা হব। সেই কাৰণেই মই ভাবো জনতা চৰকাৰে যি ১১ টা ক্ষুদ্ৰশিল্পৰ আঁচনি অনুমোদন জনাইছে যেনে চেৰিকালচাৰ, ফিচাৰি আদিৰ সম্পৰ্কত এই আঁচনি বিলাক তীব্ৰ গতিত কাৰ্যকৰী কৰিবলৈ মই আহবান জনালো।

ইয়াৰ উপৰিও অনান্য পিচপৰা শ্ৰেণীৰ লোকৰ কাৰণে ইতিপূৰ্বে যি বিলাক ডিফাৰেণ্টচিয়েল ৰেট অব ইনটাৰেষ্ট আৰু চিড মানিৰ ব্যৱস্থা কৰিছিল সেই বিলাক ধন খৰচ কৰিলে কিন্তু যি বিলাক নায্য প্ৰাপ্ত লোক সেই সকল সেই ধনৰ পৰা বঞ্চিত হল। সেই কাৰণে নিবনুৱা সমস্যা দূৰ কৰিবলৈ হলে, বিভিন্ন ব্যৱসায়ত জৰিত কৰি সংস্থাপন কৰিবলৈ হলে যি বিলাক ডিফাৰেণ্ট ৰেট অব ইনটাৰেষ্ট, চিড মানি আদি আঁচনি ইতি-পূৰ্বে অনুমোদন জনাইছে সেই বিলাক ক্ষীপ্ৰ গতিত আগবঢ়াই নিবৰ কাৰণে মই চৰকাৰক আহবান জনাইছো।

দ্বিতীয়তে জলসিঞ্চনৰ ক্ষেত্ৰত বহুতো অসুবিধাই দেখা দিছে। জলসিঞ্চনৰ ক্ষেত্ৰত মেজৰ আৰু মিডিয়াম চাইজৰ কাৰণে ১০ কোটি ১০ লাখ টকা ধৰিছে। এই জলসিঞ্চনৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে যি বিলাক জলসিঞ্চৰ ব্যৱস্থা কৰিছে সেই বিলাকত টেকনিকেল ডিফেক্ট আমি মন কৰিছো। উদাহৰণস্বৰূপে মই কব বিচাৰিছো যে আমাৰ জাগী-ৰোডত যিটো জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে তাত মইনাজানৰ পৰা বৰাহুলৈকে যি জল-সিঞ্চনৰ ব্যৱস্থা কৰিছে তাত নলীৰে পানী নাযায়। তাত যি খন দলং কৰিছে সেই খন ৩ ফুট ওখ হৈ থকাৰ কাৰণে পানী নাযায়। তাৰ ফলত কৃষকে পাবলগীয়া পানী পোৱা নাই। তাৰোপৰি যি বিলাক কৃষকৰ পৰা মাটি অধিগ্ৰহণ কৰিলে সেই মাটিৰো ক্ষতিপূৰণ দিয়া হোৱা নাই। এই আচনিটোত হাতীমুখৰ পৰা জাগিৰোডলৈকে কাৰীকৰি ডিফেক্ট

থকাৰ কাৰণে ৩।৪ ফুটলৈকে পানী আবদ্ধ হৈ থকাৰ ফলত প্ৰায় পাচ শ বিঘা প্ৰচদৰ পৰিমানে খেতি হোৱা মাটিত খেতি হোৱা নাই তাৰ ফলত খেতিক সফলৰ বহুতো লোকচান হৈছে।

ফৰেণ্ট বিভাগত কেইটামান নতুন সংস্কাৰ কৰিবৰ কাৰণে বন বিভাগে লৈছে। এই বন বিভাগটো সচাকৈ ৰহস্যময় বিভাগ হৈ আছে। বন বিভাগত কাঠ, গছ, বালি আদি নিলামত দিয়া হয়। আজি যদি ১০ হাজাৰ টকাৰ কাঠৰ কুপ হয় তেন্তে দাক হৈছে ৫০ হাজাৰ টকাত। অৱশেষত ঠিকাদাৰে উপায় নাপাই লাভৰ কাৰণে অযথা বনাঞ্চলৰ গছ কাটি বন নষ্ট কৰিছে। ঠিক সেই দৰে বালিৰ মহলৰ পাৰ্মিট দিয়া সংক্ৰান্তত যথেষ্ট আসোৱাহ দেখিবলৈ পাইছো। আশা কৰো বন বিভাগে এই বিলাক ক্ষেত্ৰত ভালভাৱে চকু দিব। তাৰ পিচত মায়ঙৰ পৱিতৰা ৰিজাৰ্ভত প্ৰায় ৪৫ টা গড় আছে। প্ৰটেকচন স্কুৱাড কৰা হওক, কিন্তু বহুত মানুহৰ আপত্তি হৈছে ৪৫ টা গড়ৰ কাৰণে হাজাৰ হাজাৰ বিঘা মাটি আবদ্ধ কৰি ৰাখিছে। এই গড় বিলাক চলা ফুৰা কৰিবৰ কাৰণে কোনো ৰাস্তা নাই আৰু তাৰ কাৰণে ওচৰ পাজৰত থকা মানুহ বিলাকৰ ওপৰত গড় কেইটাই ঘোৰ অত্যাচাৰ কৰিছে। এতিয়ালৈকে ৬৫ টা মানুহ মাৰিছে। যোৱা বছৰ তিনিটা মানুহ মাৰিছে। প্ৰটেকচন স্কুৱাড বিলাক কাম হাতত লব লাগে যাতে এই গড় বিলাকে ওচৰত থকা খেতি পথাৰ নষ্ট কৰিব নোৱাৰে। সন্ত্ৰাসৰ সৃষ্টি কৰিব নোৱাৰে, মানুহ মাৰিব নোৱাৰে।

তাৰ পিচত আমাৰ জনতা হাউচিং স্কিম গঠিত হৈছে। এই স্কীম অনুসৰি যি বিলাক অতি দুখীয়া মানুহ, যাৰ কম আয় সেই বিলাক মানুহক শতকৰা ৬০ ভাগ সাহায্য দিবলৈ সিদ্ধান্ত লৈছে। এই সংক্ৰান্তত এটা কথা কব খুজিছো যে ভূতপূৰ্ব চৰকাৰেও বিভিন্ন আচনি লৈছিল। এম,এন, পি আচনিত ঘৰ সাজিবৰ কাৰণে আচনি লৈছিল। সেই বিলাক মানুহৰ প্ৰতি ব্যক্তিগত মানুহৰ ভাল ভাবে আৰ্থিক সংক্ৰান্তত বিবেচিত নোহোৱাৰ কাৰণে সেই বিলাক মানুহৰ সেই আচনি নষ্ট কৰা হল। এতিয়া জনতা হাউচিং আচনিত আগতে এম, এন, পি আচনিত ঘৰ সাজিবলৈ দিয়া মানুহ বিলাকৰ কথাটো প্ৰথম পদক্ষেপ হিচাবে লব লাগে বুলি আহবান জনালো।

১৯৭৯ চনৰ বছৰটো আন্তৰ্জাতিক শিশু বৰ্ষ হিচাবে পালন কৰিবৰ কাৰণে সম্মিলিত জাতি সংঘই প্ৰস্তাব কৰিছে। সেই প্ৰস্তাবটো সম্পৰ্কত আমাৰ বাজেটত উল্লেখ কৰা আছে। সচাকৈ আজি যদি শিশু সকলক ভাল খাদ্য যোগান দিব পৰা নাযায়, শিশু সকলক যদি নিৰোগী কৰিব পৰা নাযায় তেন্তে সুস্থ অসম তথা ভাৰতবৰ্ষ কেতিয়াও নাপাও। অসমৰ চুকে কোনে থকা পিচপৰা অঞ্চল বিলাকৰ শিশু বিলাকক ৰোগৰ পৰা ৰক্ষা কৰিবৰ কাৰণে, স্বাস্থ্য ৰক্ষাৰ কাৰণে কোনো ভাল ব্যৱস্থা নাই। আজি ডাক্তৰ খানা বিলাকত স্বাস্থ্য ৰক্ষাৰ কাৰণে পলিও ভেক্সিন, ভিটামিন পিল আদি দিয়া হৈছে। নগাঁও জিলাৰ পকৰীয়া অঞ্চলত ডাক্তৰখানা নাই। সেই অঞ্চলৰ মানুহে পলিও ভেক্সিন, ভিটামিন পিলৰ কথা বুজি নাপায়। সেই কাৰণে মই ভাবো এই আচনি দ্ৰুত গতিত হাতত লব লাগে যি যি ঠাইত এতিয়ালৈকে শিশু বিলাকক ৰক্ষা কৰিবৰ কাৰণে কোনো ব্যৱস্থা হৈ উঠা নাই সেই ঠাই বিলাকত এই ব্যৱস্থাত জোৰ দিব লাগে। এই বৰ্ষটোত যত যত ডাক্তৰ খানা নাই তাত নজৰ দিবলৈ আহবান জনালো।

তাৰ পিচত বাজেটত উল্লেখ কৰা হৈছে যে এই বছৰ নতুন ৰাস্তা ছয়শ কিলোমিটাৰ কৰা হব। জনজাতীয় অঞ্চলৰ কাৰণে মাথোন ত্ৰিশ কিলোমিটাৰ নতুন ৰাস্তা কৰা হব বুলি উল্লেখ কৰা হৈছে। মই ভাবো সচকৈ এই অংকটো বৰ ভাল হোৱা নাই। কিয়নো জনজাতীয় অঞ্চল বিলাক সচৰাচৰ তুলনা মূলক ভাবে ভালকৈ পিচপৰা। অসমত এটা নহয় দুটা নহয়, ৩৪ টা ট্ৰাইবেল বেল্ট আৰু ব্লকৰ কাৰণে চাবপ্লেন কৰা হৈছে। কিন্তু জেনেৰেল বাজেটৰ পৰা ত্ৰিশ কিলোমিটাৰ নতুন ৰাস্তা কৰা কথাটো যিটো উল্লেখ কৰা হৈছে সেই অংকটো কম হৈছে। ছয়শ কিলোমিটাৰ ভিতৰত যাতে এশ কিলোমিটাৰ ধৰা হয় তাৰ কাৰণে আহবান জনালো।

শিক্ষা সংক্ৰান্তত কেইটামান অসুবিধাৰ কথা কব খুজিছো। ১৯৭৭ চনৰ এক অক্টোবৰৰ পৰা স্কুল বিলাক জাতীয়কৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কিন্তু স্কুলৰ সজুলিকে আদি কৰি ঘৰ বিলাক লোৱাৰ ব্যৱস্থা নহল। মই নিজে দেখি আহিছো স্কুল বিলাকক যি চাইন্স গ্ৰান্ট দিয়া হৈছে ই যথেষ্ট নহয়। মাধ্যমিক স্কুল বিলাকত পঢ়া দশম মান শ্ৰেণীৰ ছাত্ৰ সকলক শিক্ষা দিবৰ কাৰণে চাইন্স ৰুম নাই। সজুলি নাই। সৰু লৰা ছোৱালী বিলাকে চাইন্স সম্পৰ্কত শিকিবৰ কাৰণে ভাল সুবিধা হৈ উঠা নাই। গতিকে স্কুল বিলাকৰ চাইন্স গ্ৰান্টটো শকত হব লাগে যাতে সকলো বিলাক স্কুলে সজুলি কিনি লব পৰা ব্যৱস্হা হয় তাৰ কাৰণে চৰকাৰক বিশেষ ভাবে অনুৰোধ জনালো। তাৰ পিচত মই বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰো যে শিক্ষক সকলৰ প্ৰভিডেন্ট ফান্ড সম্পৰ্কত শিক্ষক সকলৰ লাভৰ বিষয়ত কি সিদ্ধান্ত লৈছে কব নোৱাৰো। সাহায্যপ্ৰাপ্ত হাইস্কুল বিলাকৰ শিক্ষক সকলে আগতে দৰ্ম্মহাৰ বাহিৰে অন্য সুবিধা পোৱা নাছিল। ১৯৭৭ চনৰ এক অক্টোবৰৰ আগলৈকে যিটো প্ৰভিডেন্ট ফান্ডৰ টকা জমা হৈছিল সেইটো ইনটেক্ট ৰাখি ভবিষ্যতে যি আইন প্ৰযোজ্য হয় সেই মতে কৰিলে ভাল হয় বুলি ভাবো। সাহায্যপ্ৰাপ্ত হাইস্কুলৰ এই কথাটো বিশেষ ভাবে বিবেচনা কৰিবৰ কাৰণে মই বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

পঞ্চায়ত আইন সম্পৰ্কত বিভিন্ন কথা বতৰা বিধান সভাত হৈছে। মই ভাবো প্ৰকৃততে জাতীয় চেতনা, ৰাজনৈতিক চেতনা, সামাজিক চেতনা জগাই তুলিবৰ কাৰণ পঞ্চায়ত আইন বিলাক কটকটীয়া কৰিব লাগে। আগতে তিনি তৰপীয়া পঞ্চায়ত ব্যৱস্হা আছিল, এতিয়া দুই তৰপীয়া পঞ্চায়তী ৰাজ ব্যৱস্হা কৰা হৈছে। ইয়াৰ ফলত আঞ্চলিক পঞ্চায়ত স্তৰত একটিভ অবস্হা হৈছে।

উপাধ্যক্ষ মহোদয়, আমি আশা কৰিছো যে এই পঞ্চায়ত ব্যৱস্হাটো তিনি তৰপীয়া হব লাগে। আৰু আঞ্চলিক পঞ্চায়ত, গাওঁপঞ্চায়ত আৰু মহকুমা পৰিষদ পঞ্চায়তে ভাল ভাবে কাম কৰি সমস্যা বিলাক সমাধান কৰিব লাগে। সৰ্ব্বশেষত মই এটা কথা কওঁ যে, ১৯৭৪ চনত আমি দেখিবলৈ পাইছিলো যে, ৬৩৩ খন সমবায় আছিল আৰু সৰু-ডাঙৰ ১৩ হাজাৰ ৬২০ টা খুচুৰা বিতৰণ কেন্দ্ৰ আছিল। এতিয়া আগৰ যন্ত্ৰটোৰ নট মামৰে ধৰিছিল যদি তাত তেল দি সমবায় বিলাক সোনকালে চালু কৰিব পাৰিলে ভাল হয়। ইয়াৰোপৰি আমাৰ নগাওঁ জিলাৰ সীমাতে কেইখনমান চৰ আছে যি কেইখনৰ এতিয়ালৈকে শাসন পদ্ধতি সংক্ৰান্তত যথেষ্ট অসুবিধা হৈছে। মাননীয় সদস্য এগৰাকীয়ে মঙ্গলদৈৰ সম্পৰ্কত এই কথা উল্লেখ কৰিছে। তাত পুঠিমাৰি কলাই, নাঙল আদি চৰ আছে আনহাতে নদীৰ উত্তৰ পাৰে পোৱা চৰ খিনি সেই নদীৰ মালিকী স্বত্বে পোৱা আৰু দক্ষিনৰ গৰাৰ পৰা তেওঁলোকে সীমা নিদ্ধাৰণ কৰে। এইদৰে বহু যুগৰ পৰা সীমা নিদ্ধাৰণ কৰি আহিছে। বৰ্ত্তমান মায়ং,পকৰীয়া মৌজাৰ সীমাতে ৭নং চৰ আদি কেইটামান চৰ আছে যত নদী আৰু নগাঁও জিলাৰ মাজত প্ৰায় ৫।৬ মাইল পাৰ্থক্য। কিন্তু ইয়াত হাজাৰ হাজাৰ মানুহে বসবাস কৰি আছে আৰু তেওঁলোক মঙ্গলদৈত চাবডিভিজনত পৰা বাবে শাসন সংক্ৰান্তত অসুবিধা হৈছে। গতিকে আমাৰ বিত্ত মন্ত্ৰী মহোদয়ক আৰু বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ কৰিছো যাতে বিশাল ব্ৰহ্মপুত্ৰৰ বুকুত লৈ মঙ্গলদৈ মহকুমাত প্ৰতিষ্ঠা কৰাত অসুবিধা হৈছে আনকি নিৰ্ব্বাচনৰ সংক্ৰান্তত যথেষ্ট অসুবিধা হৈছে এই কথা আমাৰ মাননীয় সদস্য শ্ৰীঅনিল দাস ডাঙৰীয়াই জানে। মোৰ নিজা সমষ্টি জাগিৰোডত আৰু এই অঞ্চলৰ মাজত প্ৰাকৃতিক কোনো সীমা নিৰ্দ্ধাৰণৰ চিন নাই। গতিকে নিৰ্ব্বাচনৰ কেমপেইন কৰিবলৈ যথেষ্ট অসুবিধা হৈছে। এই চৰ এলেকাবিলাক মৰিগাঁও চাব-ডিভিজনৰ নিকটবৰ্ত্তী হোৱা বাবে তাত অন্তৰ্ভুক্ত কৰিব পাৰিলে শাসনৰ সুবিধা হব। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিলো।

*শ্ৰীকিৰণ বেজবৰুৱা : উপাধ্যক্ষ মহোদয়, অসম চৰকাৰৰ বাজেট সমৰ্থন কৰাৰ লগে লগে মই কেইটিমান কথা কোৱাৰ প্ৰয়োজন বোধ কৰিছো। বাজেট যদি চোৱা যায়, অসমৰ আৰ্থিক অৱস্হা অতি দুখ লগা ১৯৫১ চনৰ পৰা যোৱা বছৰবোৰলৈ আমি যদি চাও, পাবলিক দেবটৰ শিতানত দেখিবলৈ পাও যে, ২ কোটি ৫০ লাখ টকাৰ পৰা আৰম্ভ কৰি বৰ্ত্তমানলৈকে পাবলিক দেবট ৬ শ কোটিৰ ওপৰ হৈছেগৈ। আনহাতে কেন্দ্ৰীয় চৰকাৰৰ আমাৰ যি ধাৰ সি প্ৰায় ৫ কোটিৰ ওপৰ হব। আৰু যোৱা বছৰ সুদতেই ২৬ লাখ টকা দিয়া হৈছে। এই অৱস্হালৈ চাই অসমৰ অৰ্থনৈতিক অৱস্হা দুখলগা। গতিকে চাব লাগিব যাতে অসম ৰাজ্যৰ আয় কৰিব পৰা শক্তি আছেনে নাই? যোৱা বছৰ অৰ্থাত ১৯৭৬-৭৭ চনত ষষ্ঠ ফাইনেন্স কমিচনে ৪২ কোটি টকা দিছে। আনহাতে অসমৰ পৰা ৩ শ কোটি টকা কেন্দ্ৰীয় চৰকাৰে এক্সচাইজ দিউটি হিচাবে লৈ গৈছে। ইয়াৰোপৰি যিবিলাক প্ৰাইভেট কোম্পানী বাহিৰত ৰেজিষ্টাৰ হৈছে সেই বিলাকৰ পৰাও টকা নাপায়। যি ২।১ টা সৰু সৰু কোম্পানী অসমত ৰেজিষ্টাৰ হৈছে তাৰ পৰা ১০ কোটি টকা পাইছে। ইয়াৰোপৰি ইণ্ডিয়ান অইল কোম্পানী বিলাকৰে ৰেজিষ্টাৰ অফিচ বোম্বেত আছে আৰু তাৰ পৰা ৫৬ কোটি টকা পাইছে। অসমে তাৰ একো অংশ পোৱা নাই। আনহাতে চাহ উদ্যোগৰ ক্ষেত্ৰত প্ৰতি কেজিত ৫ টকা কৰি এক্সপৰ্ট দিউটি কেন্দ্ৰীয় চৰকাৰক দিব লগা হৈছিল। আমাৰ ইয়াত প্ৰায় ৩২ টা প্লাইউদ ফেক্টৰী আছে, কিন্তু এই বিলাকৰ পৰা অসমে একো ৰাজহ নাপায়। আমাৰ ইকনমিক্সত এটা বস্তু আছে, ওৱেষ্টিং এচেট। অৰ্থাত আমাৰ যিখিনি নিজৰ বস্তু আছে সেইখিনি বিক্ৰি কৰি তাৰ বিনিময়ত যদি বস্তু উতপাদন কৰাৰ ব্যৱস্হা নকৰো তেতিয়াহলে ভৱিষ্যতে আয় বঢ়াৰ একো পথ নাই। আমাৰ অসমৰ পৰা ৩ টা বিশেষ বস্তু আমি সদায় শেষ কৰি আহিছো, সেইটো হৈছে তেল, কয়লা, আৰু কাঠ। এই তিনিটা বস্তু ওৱেষ্ট হৈ আছে। তেল ওলাইছে ৰয়েলিটি পাইছো, পইচা পাইয়ে খাই শেষ কৰি উৰাই দিছো। আমি যিখিনি খৰচ কৰিছো তাৰ বিনিময়ত উৎপাদন কৰিবৰ কাৰণে অলপো চেষ্টা কৰা নাই।

আমি যি দেখিছো, শুনিছোঁ, অসমৰ তিনিটা ওৱেষ্টিং এচেট — — তেল, কয়লা আৰু কাঠৰ পৰা যোৱা ২৮ বছৰে যি টকা আয় হৈছে সেইটো শতকৰা ৫ ভাগতকৈ বেছি। আৰু আয় কৰিবৰ কাৰণে আমি পইছা খৰছ কৰা নাই। মই মাননীয় বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছোঁ যে, যোৱা ২৮ বছৰত তাৰ পৰা যি টকা আয় কৰিলে সেই টকাৰ কিমান ভৱিষ্যতৰ কাৰণে অসমত খৰছ কৰিলে তাৰ এটা হিচাব লব পাৰিলেই কংগ্ৰেছ চৰকাৰে যোৱা ২৮ বছৰ কি কৰিলে সেইটো ওলাই পৰিব। আমাৰ কাৰণে এইটো শিক্ষাও হব পাৰে আৰু আমি আমাৰ লৰাছোৱালীৰ কাৰণে ব্যৱস্হা কৰিব পাৰিম। তেতিয়া সকলে দোষ কৰিছিল আৰু আমি যাতে সেইটো সংশোধন কৰিব পাৰো। এই বিষয়ে ষ্টাডি কৰি ব্যৱস্হা লবৰ কাৰণে মই আমাৰ বিত্ত মন্ত্ৰী মহোদয়ক জোৰ কৰি অনুৰোধ কৰো। আপোনালোকৰ নিশ্চয় মনত আছে যে, ৰয়েলটিৰ টকা বেছি যেতিয়া পাব তাৰে সৈতে তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল সকলক দৰ্মহা দিয়া হব বুলি আগৰ মুখ্যমন্ত্ৰীয়ে কৈছিল। যদি সেইটোৱেই নমুনা হয় আৰু বৰ্ত্তমানৰ চৰকাৰেও এইদৰেই খৰছ কৰে তেতিয়াহলে, আমাৰ ভৱিষ্যত অন্ধকাৰ। পাবলগীয়া খিনিও পোৱা নাই আৰু সেই পাবলগীয়া খিনি আনিবৰ কাৰণেও কোনো ধৰণৰ যত্ন নাই। এই সন্দৰ্ভতে মই এটা হিচাব দিব খুজিছোঁ। ভূতপূৰ্ব্ব শিক্ষামন্ত্ৰীও ইয়াতেই আছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ১১৬ খন অৱশ্যে এইটো দুবছৰ আগৰ হিচাব, এতিয়া ১২৬ খনো হব পাৰে, কলেজ আছে। পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত ইউনিভাৰ্চিটি গ্ৰাণ্টছ কমিতিৰ পৰা তিনি কোটি বা চাৰে তিনি কোটি টকা আনিব পাৰিলেহেতেঁন। কিন্তু অসম চৰকাৰ আৰু গুৱাহাটী বিশ্ব বিদ্যালয়ৰ গাফিলতিৰ কাৰণ এই ১২৬ খন কলেজে মাত্ৰ ৪০ লাখ টকাহে পাব পাৰিলে। ইয়াৰ কাৰণ কেইবাটাও। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত মাত্ৰ স্হায়ী এফিলিয়েটেড কলেজ হৈছে মাত্ৰ এখন আৰু সেইখনেই হৈছে কটন কলেজ

* Speech not corrected

খন। বাকী সকলো কলেজ 'এনৰ্বেল এফিলিয়েটেড'। এইটো কৰিছে বছৰি ৰিনিউৰেল ফিজ পোৱাৰ কাৰণে। কলেজৰ প্ৰফেচাৰ বা ইন্সপেক্টৰ সকলে যাতে টি,এ,ডি,এ, আদি পাই থাকিব পাৰে তাৰ কাৰণেই এই ব্যৱস্হা।ইউনিভাৰ্চিটি গ্ৰান্টছ কমিশ্যনে কিছুমান ঠাই শিক্ষাৰ ক্ষেত্ৰত উন্নত কৰি লৈছে। ইয়াৰ বেঁচিছটো উদ্যোগৰ ক্ষেত্ৰত একো একো অঞ্চল উন্নত আৰু উন্নত নোহোৱাৰ ওপৰত নিৰ্ভৰ কৰিয়েই এইটো কৰা হৈছে। এইটো হোৱাৰ ফলত কিছুমান অসুবিধা হৈছে। উদাহৰণ স্বৰূপে শিৱসাগৰ, ডিব্ৰুগড় আদি ঠাই উদ্যোগৰ পিনৰ পৰা উন্নত কথাটোলৈ লক্ষ ৰাখিয়েই সেই বিলাক ঠাই শিক্ষাৰ পিনৰ পৰাও উন্নত বুলি মানি লৈছে। ফলত একোখন ঠাই যদি শিক্ষাৰ ক্ষেত্ৰত পিছপৰা হয় তেন্তে ইয়াহলে, ১০০ লৰা থাকিলেও ইউৰিভাৰ্চিটিৰ পৰা টকা পাব পাৰে। ডিগ্ৰী কৰ্চত ১০০ লৰা থাকিলেও টকা পাব। পঞ্চবাৰ্ষিক পৰিকল্পনাত অসম চৰকাৰৰ সিদ্ধান্ত তিনি বছৰীয়া ডিগ্ৰী কৰ্চ দুবছৰীয়া কৰিলে। ডিগ্ৰী কৰ্চ হোৱাৰ কাৰণে পিছপৰা আৰু পিছ নপৰা শিক্ষাৰ ক্ষেত্ৰত, অঞ্চলৰ বহুখিনি টকা আমাৰ হাতৰ পৰা গল। আমি তিনি, চাৰেতিনি কোটি টকা পঞ্চবাৰ্ষিক পৰিকল্পনাত পাব পাৰিলোহেঁতেন। কিন্তু সেই টকা আমি হেৰুৱালোঁ। এনে এটা ব্যৱস্হা চৰকাৰে কৰিছে। বৰ্ত্তমান চৰকাৰে বাজেটত 'মেকিং গ্ৰাউণ্ডটো' এটা প্ৰভিজন কৰিব লাগে। আৰু এটা কথা, প্লেনিং কমিশ্যনত এইটো লব লাগে। উদ্যোগৰ ক্ষেত্ৰত পিছপৰা কথাটোৰ লগত শিক্ষাৰ ক্ষেত্ৰত পিছপৰা কথাটোৰ কোনো সামঞ্জস্য নাই। উৰিষ্যা, বিহাৰ আদিয়ে এইদৰে বহু টকা আনিব পাৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিতে গোলমলীয়া কথাই আৰু অলপ কওঁ। স্পৰ্টছ কাউন্সিল অব্ আসামৰ বিষয়ে মই অলপ কব খুজিছোঁ। যোৱা ১৩ তাৰিখত বাতৰি কাকতত এই বিষয়ে দেখা পোৱা গৈছে। এই বিষয়ে আনৰ কথা মই কব নোৱাৰো কিন্তু ব্যক্তিগত ভাবে মোৰ অকনো বিশ্বাস নাই। আলি আহমেদৰ সোঁৱৰণীৰ ওপৰত যিটো স্পৰ্টছ কাউন্সিল পাতিলে তাৰ লগত আগৰ স্পৰ্টছ কাউন্সিলৰ এইম এণ্ড অব্জেক্টিভ একেটাই। কৰ ডাইৰেক্টৰ হল, কৰ পৰা টকা আহিল আমি সেইটো বুজি নেপাওঁ। আমাৰ অসমৰেই এজন নেতা বুলি যাক মানি লোৱা হৈছিল যদিও ৰাজনৈতিক কাৰণত কিছু সময়ত বেলেগ বেলেগ ভাব লোৱা হৈছিল। এই লোক জনক স্পৰ্টছ কাউন্সিলৰ পৰা বেলেগ কৰিব নেলাগিছিল। কিয় বেলেগে এই ফাউণ্ডেশ্বন কৰিবলগীয়া হৈছে। দুজন ৰাষ্ট্ৰপতিৰ নামো ইয়াৰ লগত জড়িত কৰি লোৱাৰ কাৰণে মই বৰ বেয়া পাইছোঁ। আশা কৰো, বাজেটৰ উত্তৰ দিওঁতে এই বিষয়ে আমাৰ বিত্তমন্ত্ৰী মহোদয়ে ইয়াৰ কাৰণ সম্বন্ধে জনাব।

ইয়াৰ পিছতে জলসিঞ্চন বিভাগৰ সম্পৰ্কত হোৱা কিছুমান বেমেজালিৰ কথাও মই উনুকিয়াব খুজিছোঁ। কেনেকৈ এইখন অসমৰ টকা খৰছ কৰা হৈছে। মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ডাঙৰীয়াই এই বিষয়ে কৈ গৈছে। যোৱা ১৯৭৭ চনৰ ডিচেম্বৰৰ পৰা ১৯৭৮ চনৰ মাৰ্চ মাহলৈকে কোনো এড্ভাৰটাইজমেণ্ট নকৰাকৈয়েই লাখ টকাৰ বস্তু কিনিছে। যি বিলাক বস্তু কিনিছে সেই বিলাকৰ প্ৰত্যেকটো জিনিষসে দুই হাজাৰ টকাৰ পৰা আঠৈ হাজাৰটকালৈকে বেছি দৰত কিনিবলগীয়া হৈছে। এই বিষয়ে মই সবিশেষ চৰকাৰৰ ওচৰত দাখিল কৰিছো আৰু আশা ৰাখিছোঁ চৰকাৰে ইয়াৰ অনুসন্ধান কৰিব। আইৰণ মেটেৰিয়েলচ প্ৰত্যেক টনত বজাৰ দৰ দুহেজাৰ তিনিশ পঞ্চাছ টকাত নিকিনি ৫,৬৬০ টকাত কিনিছে। এইটো হৈছে আই, এছ, কুৱালিটিৰ। পাম্পমেইন্টেন্সৰিট প্ৰত্যেক চেটত ২,৫০০ বজাৰ দৰৰ পৰিবৰ্ত্তে ৬,২০০ টকাত কিনিছে। সেইদৰে অক্সিজেন গেছ চিলিণ্ডাৰ বজাৰ দৰ ২২০০ ৰ ঠাইত ৬,৫০০ ত কিনিছে।

**Mr. Deputy Speaker** :—Order, order. The hon'ble member will resume his speech after lunch.

The House stands adjourned till 2-30 P. M.

*শ্ৰীকিৰণ চন্দ্ৰ বেজবৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মই কৈ আছো যে জলসিঞ্চন বিভাগে কিছুমান বস্তু কিনিছে যেনে অক্সিজেন গেচ চিলিণ্ডাৰ। ছয় হাজাৰ পাচশ টকা দি কিনিছে। ফ্লাড কন্ট্ৰোল বিভাগে দুহেজাৰ দশ টকা দিয়েই কিনছে। যেতিয়া তেখেতসকলে এই বস্তু বিলাক কিনিছিল তেতিয়া তেখেতসকলে কিনা দামতকৈ বজাৰৰ দাম বহুত কম আছিল। যিয়েই হওক সেই অনুপাতে বজাৰতকৈ তিনি হাজাৰ পাচশ টকা বেছি দাম দি কিনিছে। ইয়াৰ ওপৰিও এই বস্তু বিলাক কিনাৰ আগতে কোনো বিচপ দিয়া হোৱা নাছিল।

*। শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : অধ্যক্ষ মহোদয়, বাজেটৰ ওপৰত যেতিয়া আলোচনা সমালোচনা কৰে সেই সময় খিনিত সংশ্লিষ্ট মন্ত্ৰী বিলাক সদনত থকা আৱশ্যক। আপুনি অনুগ্ৰহ কৰি মন্ত্ৰী সকলক এই কথাটো কব।

মাননীয় অধ্যক্ষ : সেইটো বাৰু কৰা হব।

*শ্ৰীকিৰণ চন্দ্ৰ বেজবৰুৱা : মহোদয়, তেৰ হাজাৰ পাচশ টকাৰ যেতিয়া বজাৰ দৰ আছিল তেনেকুৱা বস্তু উনৈশ হাজাৰ নশ পঞ্চানব্বৈ টকাত কিনা হৈছিল। ইয়াৰ উপৰিও এই বস্তু বিলাক কোনো এডভাৰটাইজ নোহোৱাকৈ কিনা হৈছিল। এই বস্তু বিলাক নভেম্বৰ আৰু মাৰ্চ মাহত কিনা হৈছিল। তেওঁলোকে কিনা দাম আৰু বজাৰ দাম মিলাই চালে দেখা যায় যে সৰ্বহভাগ ক্ষেত্ৰত তেখেতসকলে নিজৰ ইচ্ছা মতে বেছি দাম দি বস্তু কিনিছিল। ইৰিজেশ্যনে এনেকৈ বেছি দাম দিয়াৰ ফলত জনসাধাৰণৰ অৰ্থৰ অপব্যৱহাৰ কৰা হৈছে। এইখিনিতে আৰু এটা কথা কওঁ পি,ডব্লি,ডিৰ যি তিনিটা বিভাগ আছে সেই বিভাগৰ মুৰব্বী সকলে একেলগে বদলি নকৰাৰ এটা সিদ্ধান্ত লৈছিল। এই সময়ৰ ভিতৰত ইৰিজেশ্যনৰ চীফ ইঞ্জিনীয়াৰক বদলি কৰা হৈছে। কেবিনেটে এটা সিদ্ধান্তৰ অন্তৰালত কি থাকিব পাৰে আপোনালোকে ভাবি চাওকচোন। মই কব নোৱাৰো।

মহোদয়, মই যোৱা বাৰ্যে ভ্ৰমনত এটা প্ৰশ্ন দিছিলো যে জৰুৰীকালীন অৱস্থাত মুখ্যমন্ত্ৰীৰ যি ভিজিলেন্স চেল আছিল তেনে কোনো গণতান্ত্ৰিক দেশত থকাটো অবাঞ্চনীয়। আমাৰ নিজৰ পাৰ্টিৰ মুখ্যমন্ত্ৰীক মই কৈছিলো যে এই চেলটো ততালিকে ভাঙি দিব লাগে। কিন্তু এতিয়াও সেই চেলটো আছে। মোৰ বিশ্বাস আমাৰ মুখ্যমন্ত্ৰীয়ে ভিজিলেন্স চেলটোত কি আছে কি নাই সেইটোৰ পৰ্য্যৱেষণৰ কাৰণেহে এতিয়ালৈকে সেইটো ৰাখি থৈছে। মোৰ আৰু এটা বিশেষ উক্তি এই যে এজন পুলিচ অফিচাৰ, তেখেতৰ নাম ৰুণী ৰায়। তেখেতক আই-পি-এচৰ নাম ফেশ্যন দিয়া হৈছে। এই অফিচাৰ জনে জৰুৰী কালীন অৱস্থাত মানুহৰ ওপৰত অত্যাচাৰ কৰি এটা তাণ্ডৱ লীলাৰ সৃষ্টি কৰিছিল। এই ৰিকমেণ্ডেশ্যনটো কোনে কৰিছিল আৰু কেতিয়া কৰিছিল।

* শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— তেনে অনুমোদন ভূতপূৰ্ব্ব চৰকাৰে কৰাইছিল আৰু ১৯৭৭ চনত সেইটো চিলেকচন বোৰ্ডলৈ পঠিয়াইছিল।

* শ্ৰীকিৰণ চন্দ্ৰ বেজবৰুৱা :- কিন্তু তেখেতৰ বিৰুদ্ধে আগতেও তিনিটা এলিগেশ্যন অনা হৈছিল অৱশ্যে ভূতপূৰ্ব্ব গৃহমন্ত্ৰীয়ে সেই চাৰ্জবিলাকৰ কি বিচাৰ কৰিলে সেইটো আমাৰ জনা নাই। তেখেতৰ চাৰ্জবিলাক এটা হৈছে তেখেতৰ পৰিয়াল তেতিয়া শিলঙত আছিল আৰু তেখেতে কাম কৰিছিল ইয়াত। অসম চৰকাৰৰ ৫।১১।৭৭ তাৰিখে এটা বিজ্ঞপ্তি দি জনালে যে যি সকলৰ নিজৰ ঘৰ আছে সেই সকলক চৰকাৰী বাস ভৱন দিয়া নহব। যি হওক তেওঁৰ এই বিষয়েও এটা এলিগেশ্যন আছে। এই

Speech not corrected

আই-এ-এচ আই-পি-এচ ৰাজ্যিক চিলেকচন কামটো চাৰিজন উৰ্দ্ধতম অফিচাৰেৰে গঠিত। তাৰ ভিতৰত আগৰ চীফ চেক্ৰেটাৰী আৰু বৰ্ত্তমানৰ চীফ চেক্ৰেটাৰীও আছিল আৰু এই অফিচাৰ সকলে তেওঁৰ এলিগেশ্যন বিলাকৰ কোনো বিচাৰ নকৰি তেওঁক আই-পি-এচৰ কাৰণে নমিনেশ্যন দিছিল।

* শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী):—ভূতপূৰ্ব্ব চৰকাৰে তেখেতক আই-পি-এচৰ কাৰণে ৰিকমেণ্ডদেচন কৰিছিল আৰু সেইটো ১৯৭৭ চনত চেন্ট্ৰেল বৰ্ডলৈ পঠিয়াইছিল।

*শ্ৰীকিৰণ চন্দ্ৰ বেজবৰুৱা: তেখেতৰ বিৰুদ্ধে যি তিনিটা চাৰ্জ অনা হৈছিল সেই বিষয়ে ভূতপূৰ্ব্ব গৃহ মন্ত্ৰীয়ে কি ব্যৱস্থা লৈছিল সেই বিষয়ে আমি জানিব বিচাৰো। তেখেতৰ চাৰ্জ কেইটাৰ এটা হল তেখেতৰ টেলিফোন বিল সম্পৰ্কে। দ্বিতীয়টো হল—চৰকাৰী গাড়ী ঘৰে ঘৰে ব্যৱহাৰ কৰা বিষয়ত আৰু তৃতীয়টো হল—তেখেতৰ যি নিজা ঘৰ থকা স্বত্বেও চৰকাৰীবাসভৱন ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত কাৰণ তেতিয়া তেখেতৰ পৰিয়াল শিলঙত আছিল আৰু তেখেতে কাম কৰিছিল ইয়াত। কিন্তু অসম চৰকাৰে ৫-১১-৭৭ তাৰিখে এটা বিজ্ঞপ্তি দিছিল এই মৰ্ম্মে যে যি সকল অফিচাৰৰ ঘৰ আছে তেওঁলোকে চৰকাৰী বাসভৱন ব্যৱহাৰ কৰিব নোৱাৰে। যি হওক আই, পি, এচ, কমিনেশ্যনৰ ৰাজ্যিক বোৰ্ডত চাৰিজন সদস্যৰ ভিতৰত ভূতপূৰ্ব্ব মুখ্য সচিব এজন আছিল আৰু বৰ্ত্তমানৰ মুখ্য সচিবো তাৰ সদস্য আছিল। এজন অফিচাৰৰ এই চাৰ্জ বিলাক অওকান কৰি তেখেতক আই, পি, এচ,ৰ কাৰণে নমিনেচন দিয়াৰ কাৰণে জগৰীয়া কোন? ইয়াৰ উপৰিও এই বিষয়া জনক নমিনেচন দিওতে ইণ্ডিয়ান পুলিচ চাৰ্ভিচ নিয়মাৱলীৰ ৰুল ৫ (২) (এপইণ্টমেণ্ট বাই প্ৰমোচন) ৰিকেৰেচন ১৯৫৫ চনত কৰা হৈছে। কাৰণ এজন পুলিচ অফিচাৰক আই, পি, এচ, লৈ নমিনেচন দিয়াৰ সময়ত তেখেতৰ বয়স ৫২ বছৰৰ ওপৰ হব নোৱাৰে। যিহেতু এই বিষয়াজনৰ বয়স ৫২ বছৰৰ ওপৰ হৈ গৈছে-। তেখেতৰ কথা আহিবই নোৱাৰে। ইয়াতে এটা কথা আছে। আৰ্ডিনেৰিলি তলত সেই শব্দটোৰব্যাখ্যা কৰিছে।

Provided that, in Computing the number of officers referred to in Regulation (3) shall be excluded'. What is Sub-regulation (3) of Regulation 5? "The Committee shall not ordinarily consider the case of the members of the State Police Service who have attained the age of 52 years on the 1st day of January of the year in which it meets. The Word 'ordinarily' is explained,— Provided that a member of the State Police Service whose name appears in the Select list in force immediately before the date of the meeting of the Committee shall be considered for inclusion in the fresh list, to be prepared by the Committee, even if he is in the meanwhile attained the age of 52 years".

শ্ৰীপি, ৰায়ৰ নাম আগৰ কোনো চিলেকচন কমিটিৰ লিষ্টত চামিল হোৱা নাই। কাৰণ ১৯৭৭ চনৰ আগতে চিলেকচন কমিটি বহা নাছিল। কিন্তু ১৯৭৭ চনত যেতিয়া চিলেক্ট কমিটি বহিছিল সেই সময়ত তেখেতৰ বয়স ৫২ বছৰ চেৰাই গৈছে। গতিকে দেখা যায় তেতিয়াৰ কতৃপক্ষই আৰু মুখ্য সচিবে বিষয় ভংগ কৰি তেখেতক নমিনেচন দিছিল। কাৰণ তেখেতৰ বয়স দুই বছৰ চেৰাই গৈছিল। তেখেত কেনেকৈ আই পি এচ হবলৈ পালে? মই বৰ চিন্তা কৰি ইয়াকেই অনুমান কৰিছো যে আগৰ মুখ্যমন্ত্ৰী,ভূতপূৰ্ব্ব মুখ্য সচিব আৰু বৰ্ত্তমানৰ মুখ্য সচিব—এই তিনিজনেই বহি এই কামটো কৰিছিল। ইয়াৰ এটা যথাযথ ব্যৱস্থা কৰা দৰকাৰ বুলি মই ভাবো।

*Speech not corrected

এতেকে মই আকৌ অধ্যক্ষ মহোদয়ৰ জৰিয়তে আমাৰ মুখ্যমন্ত্ৰীক অনুৰোধ কৰো যে অকল ফনী বৰুৱাৰ ক্ষেত্ৰতেই নহয় বৰ্তমান মুখ্য সচিবৰ কাৰ্য্যাৱলীৰ ওপৰত অনুসন্ধান কৰি সদনত এটা বিবৃতি দিব লাগে আৰু আইন সম্মত ব্যৱস্থা লব লাগে।

নিমখৰ ক্ষেত্ৰত যোগান বিভাগে কি বেমেজালিৰ সৃষ্টি কৰি থৈ গৈছে আৰু অসম চৰকাৰৰ টকা কেনেকৈ মানুহক দি থৈ গৈছে সেই বিষয়ে কব খুজিছো। ১৯৭৭ চনৰ নভেম্বৰ মাহত ষ্টেট ফেডে জাননী দিয়ে যে নিমখ বিক্ৰিৰ কাৰণে হেণ্ডলিং এজেণ্ট লাগে। অসম চৰকাৰে ১৬৫ বেগ নিমখ আনিবৰ কাৰণে প্ৰায় ৫০ টা পাৰ্টিক অনুমতি দিলে। এইটো বৰ সুন্দৰ কথা। কিন্তু ইয়াৰে ১২৪ বেগৰ পাৰমিট চাৰিটা পাৰ্টিক দিয়া হল। এই চাৰিটা পাৰ্টি হৈছে—মেচাৰ্চ কেঠাৰী, মেচাৰ্চ, হৰলালকা, মেচাৰ্চ লোহিয়া আৰু মেচাৰ্চ চৌহনা। কিন্তু কাগজে পত্ৰই দেখুৱাইছে ৫০ টা পাৰ্টি। যোগান বিভাগৰ মন্ত্ৰীয়ে বিছাৰিলে এই ফাৰ্মৰ নামবিলাক মই আনি দিব পাৰো। এই বিষয়ে চকু দিবলৈ আপোনাৰ জৰিয়তে মই বিত্ত মন্ত্ৰীক অনুৰোধ কৰো। অসম চৰকাৰৰ কোনো টেক্স নাই কিন্তু এই চাৰিখন ফাৰ্মেই ৫০ জনৰ জাল নাম দি কেন্দ্ৰীয় চৰকাৰক ভুৰা দিছে। মাৰ্চ মাহৰ ৩১ তাৰিখে নিমখৰ দাম স্থিৰ কৰিলে কিলোত ৪০ পইচাকৈ। কিন্তু এই দাম ফিক্স কৰিলে জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহৰ কাৰণে আৰু সেই হিচাবে ডি, চি, আৰু এচ, ডি, ও, লৈ চাৰ্কুলাৰও পঠালে। গতিকে মই যোগান মন্ত্ৰীক অনুৰোধ কৰো এই চাৰ্কুলাৰ কেনেকৈ যাবলৈ পালে অনুসন্ধান কৰিব লাগে। এই পাৰ্টিকেইটাৰ যোগান বেভাগৰ লগত নিশ্চয় ঘনিষ্ঠ সম্বন্ধ আছে তাত কোনো সন্দেহ নাই। যোৱা তিনি বছৰে এই পাৰ্টিচাৰিটাই যোগান বিভাগৰ জৰিয়তে যথেষ্ঠ টকা আমদানী কৰিছে। নিমখ আহি যেতিয়া ৰেল ষ্টেচন পায়হি তেঁওলোকে যোগান বিভাগক জনায় যে তেঁওলোকে আৰ, আৰ, পোৱা নাই আৰু যোগান বিভাগে নিমখ আনি নিদিলে নিমখৰ অভাৱ হব। এইদৰে তেঁওলোকে যোগান বিভাগৰ জৰিয়তে নিমখ আনি বিক্ৰি কৰি পিচত বেংকত টকাটো জমা দিয়ে।

অসমত নিৰ্ব্বাচনৰ সময়ত টকাৰ প্ৰয়োজন। অধ্যক্ষ মহোদয় আমি হিচাব কৰি পাইছো যে ১৫/২০ বেক নিমখৰ ওপৰত একোটা বেংকৰ প্ৰায় ১ লাখ ১০ হাজাৰ টকা পৰ্য্যন্ত আৰ, আৰ, বিক্ৰি কৰি নিৰ্ব্বাচন খেলিছে। ইয়াৰ ওপৰত কোনো আয় কৰ নাই। এইবিলাক কলা বজাৰৰ টকা। সেই সময়ত যোৰহাটত কিলোত দুই টকালৈকে নিমখ বিক্ৰি হৈছে। আৰু গুৱাহাটী ৭৫-৮০ পইচালৈকে নিমখ বিক্ৰি হৈছে।

আৰু এটা কথা কও যে স্বাস্থ্য বিভাগত অসম ড্ৰাগ এণ্ড কচমেটিক এক্ট এখন আছে। সেইমতে ড্ৰাগ কণ্ট্ৰোলাৰ থাকিব লাগে। কিন্তু অমাৰ অসমত ড্ৰগ কণ্ট্ৰোলাৰ নাই। ইয়াত যিজনে ড্ৰাগ কিনে তেৱেঁই ড্ৰাগ কণ্ট্ৰোলও কৰে তাৰ ফলত আমি কেনেকুৱা দৰব পাওঁ সেইটো সকলোৱে জানে। গতিকে ড্ৰাগ কণ্ট্ৰোলটো ডিৰেক্টৰ আৰু চিভিল চাৰ্জনৰ পৰা বেলেগ কৰিব লাগে। আপোনালোকে শুনি আচৰিত হব অসমত মাত্ৰ ৫ জন ড্ৰাগ ইন্সপেক্টৰে বছৰত ২০০ খন লাইচেন্স চাব লাগে। আনহাতে অসমত ড্ৰাগ লাইচেন্স আছে ৭ হাজাৰ খন। ৫ জন ইন্সপেক্টৰে বছৰটোত মাত্ৰ এক হাজাৰ খন লাইচেন্সহে চাব পাৰে। বাকী ৬ হাজাৰ লাইচেন্সৰ হিচাব নোহোৱাকৈয়ে চলি আছে। গতিকে আমি কব পাৰো যে এই বিভাগটোৱে হিচাব নোহোৱাকৈয়ে চলি আছে।

অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই স্বাস্থ্য মন্ত্ৰীক অনুৰোধ কৰো যে চিভিল হস্পিতেল আৰু মেডিকেল কলেজৰ যদি উন্নতি কৰিব বিচাৰে তেনেহলে এটা কাম কৰিব লাগিব অৰ্থাৎ পেয়িং ৱাৰ্ড ব্যৱস্থাটো থাকিব নোৱাৰিব। এতিয়ালৈকে

পেয়িং ৱাৰ্ড থকা কাৰণেই হস্পিতেলৰ এই দুৰৱস্থা হৈছে। যিসকলৰ অৱস্থা ভাল তেওঁলোকে সদায় পেয়িং ৱাৰ্ড লয়। গতিকে নন পেয়িং ৱাৰ্ড ভাল কৰাৰ কথা তেওঁলোকে চিন্তাই নকৰে। পেয়িং ৱাৰ্ড উঠি গলে যেতিয়া নন পেয়িং ৱাৰ্ডতে সকলোৱে থাকিব লাগিব তেতিয়া তাৰ উন্নতি কৰিবলৈ বাধ্য হব। দ্বিতীয়তে মেডিকেল কলেজৰ যিবিলাক প্ৰফেচাৰ, আৰু এচিষ্টেণ্ট প্ৰফেচাৰ আছে তেওঁলোকৰ প্ৰাইভেট প্ৰেক্টিচ্‌ বন্ধ কৰক। দৰকাৰ হলে ৫ হাজাৰকৈ দৰমহা দিয়ক। এইটো নকৰিলে মেডিকেল সেৱা কেতিয়াও ভাল হব নোৱাৰে। আৰু যদি কৰে দেখিব অনতিপলমে হস্পিতেলৰ অৱস্থা ভাল হৈ যাব।

আৰু এটা কথা, সেইটো হল অসম পুলিচ চাৰ্ভিচ ডিপাৰ্টমেণ্টৰ চাপলাই বিভাগৰ তিনিটা পাৰ্টিক চাপ্লাই দিছে। এই চাপ্লায়াৰ সকলে পুলিচ ডিপাৰ্টমেণ্টক কণ্ডেচমিলক চাপ্লাই কৰে। কাক কিমান দিছে সেইটো মোৰ দৰ্কাৰ নাই আৰু মই ইণ্টাৰেষ্টেডো নহয়। কিন্তু যিটো অসম এজেন্চি বুলি এজেন্চি আছে তাৰ বিৰুদ্ধে চেলটেক্স ডিপাৰ্টমেণ্টে এনকুৱাৰি চলাইছিল, কিন্তু সেই এনকুৱাৰি শেষ নকৰিলে। কিন্তু সেই এজেন্চিটোৱে এতিয়াও বহু লাখ টকাৰ কণ্ডেচ মিল্ক চাপলাই দি আছে। অসম এজেন্চিৰ বাহিৰেও, যোৰহাটত এটা ইচটাৱন এজেন্চি আছে। এইদুটা এজেন্চি ৰেজিচটাৰ্ড ফাৰ্ম নহয়, আনডাৰ ফাইনেনচ চেলটোক এক্ট ১৯৫৬ চনৰ বলমতে। অধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰীয়ে এই কথা ভালকৈ জানে আৰু তেখেতে কেচ কৰি আহিছে যে ,কোনো ফাৰমে চেলটেক্সৰ ৰেকোমেনডেচন নাপালে বস্তু ৰিলিজ কৰিব নোৱাৰে। মই এটা তাৰিখ দিও, ১৯।৩।৭৭ তাৰিখে পাৰমিচন দিয়া হৈছিল। পাৰমিট নং ০৯০৫৮। এই চেলটেক্স এক্ট মতে ৰেজিষ্টাৰ হোৱা কোনো ফাৰ্মই চেলটেক্স ৰিলিফ নাপায়। কিন্তু অসমৰ যোৰহাটত ১৯।৩।৭৭ তাৰিখে দিছে। ইয়াত অসম এজেন্চিয়ে বহুদিনৰ পৰা পুলিচলৈ বস্তুবণ্টাৰড নোহোৱা কোনো ফাৰ্মই চেলটেক্স চেলটেক্স নোপোৱা কাৰণে চেলটেক্স অনুসন্ধান হৈছিল। এইটো মই ঘপকৈ দিব নোৱাৰো, মন্ত্ৰী মহোদয়ক পাচত দিম। কেচটো এতিয়াও আচলতে অনুসন্ধান নহল। এই অসম এজেন্চিৰ প্ৰপৰাইটাৰ হল শ্যাম সুন্দৰ আগৰওৱালাই যোৰহাটত নললে, তেওঁলোকে যতে ততে লব পাৰে। যোৰহাটত নলয় গুৱাহাটীত লয়, গুৱাহাটীত নললে যোৰহাটতত লয়, তাত কোনো বাধা নাই। ইয়াত যদিও তেওঁলোকৰ ফৰম নাই চুপাৰিনটেনডেণ্ট যতে ততে দিব পাৰে। কাৰণ তেওঁলোকে লাখ লাখ টকাৰ ব্যৱসায় কৰে। আইনে তেওঁলোকক ধৰিব নাপায়।

অসমত ৬৬৩ টা সমবায় হৈছে। ৬৬৩ টা সমবায় তৈয়াৰ কৰাৰ আগতে বৈকুণ্ঠ লাল মেহটা কমিটিৰ পৰামৰ্শ আহিছিল। সেই কমিটিয়ে কৈছিল যে অসমত কৃষি সেৱা কমিটি কৰিব লাগে। এইটো কৰিবৰ কাৰণে মাত্ৰ দুই খন বা তিনিখন কৰিলেই হব। ২৫।৩০ হাজাৰ মানুহৰ মাজত ভাগ কৰিব পাৰি। অসমত তেতিয়া কাৰ হাতত ডিপাৰ্টমেণ্ট আছিল কব নোৱাৰো কিন্তু পৰামৰ্শটো পায়েই জপীয়াই উঠিল আৰু ১৯৭৮ চনৰ ভিতৰত ৬৬৩টা সমবায় হল। তাৰ আগতে অসমত মাত্ৰ ৩০০শ খনহে প্ৰাথমিক কৃষি ঋণ কমিটি আছিল। অসমৰ সমবায়ত এপেক্স আৰু চেনট্ৰেল বেংকৰ ৮ লাখ ৮২ হাজাৰ টকা সোমাই আছে। আৰু এখন ৰাজ্যিক কোপোৰেটিভ কৰি দিছে টকা বিলাক ডিচট্ৰিবিউচন কৰিবৰ কাৰণে। কিন্তু ৰিজাৰ্ভ বেংকৰ ৰিপোৰ্ট মতে ১৯৭৫।৭৬ চনত চৰ্টটাৰমত ১৩ লাখ টকা দিয়া হৈছে। আৰু এটা মেডিয়াম ঋণ এই কোপোৰেটিভক দিয়া হৈছে। কিন্তু তেওঁলোকৰ কথা হল যে অসমৰ কোনো কোপোৰেটিভত কাম হোৱা নাই। কিন্তু এই সকলো বিলাক চালি যাবি চালে, অসমত পইচা নোহোৱা নহয়, যি টকা পাইছে সেই টকা সদ ব্যৱহাৰ কৰিব পৰা নাই। আমাৰ

কংগ্ৰেছ পাৰ্টিৰ সদস্য সকলে কৈছে চেণ্ট্ৰেলৰ পৰা টকা আনিব লাগে। কিন্তু আনিব লাগে প্ৰত্যেক বছৰেই দেখোন বাজেটৰ কোটি কোটি টকা চাৰেণ্ডাৰ কৰে। পইচা খৰছ কৰিবৰ কাৰণে আমাৰ কোনো প্লেন প্ৰগ্ৰেম নাই, ভাল অফিচাৰ নাই। আগৰ কংগ্ৰেছ চৰকাৰে বোধকৰো কেন্দ্ৰক হেচা মাৰি ধৰিছিল। কিন্তু আমাৰ জনতা চৰকাৰে তেনে কোনো কথা ভবা নাই। মই ভাবো আমি যিমান বিছাৰো সিমান খিনি পাই আছো আৰু সেইখিনিয়েই যথেষ্ট বুলি মই ভাবো। গতিকে আমাৰ কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে যিটো অভিযোগ আনিছে সেইটো মই মানি লব নোৱাৰো। আৰু শেষত এটা কও, বাজেট খন পাই যি সকল সুখি হব পৰা নাই বুলি কৈছে, মই তেখেত সকলৰ সুখি হব পৰা নাই কথাটোতেই বেচি সুখি হৈছো। কাৰণ এই বাজেটখন তেওঁলোকেই কৰিথৈ গৈছে। কাৰণ ২২ মাৰ্চ্চৰ ভিতৰত দুদিনীয়া জনতা চৰকাৰ ইমান বেচি ক্ষমতা নাই যে ইমান কম সময়ৰ ভিতৰতে বাজেটখন তৈয়াৰ কৰিব, হয়তো কংগ্ৰেছ চৰকাৰৰ থাকিব পাৰে। সেইটো মই কব নোৱাৰো। গতিকে আমি যিখন বাজেট পাইছো আমি সন্তোষেই পাইছো। এই বাজেট খনেই সত হিচাবে ব্যৱহাৰ কৰিবৰ কাৰণে আমি চেষ্টা চলাই যাম। বন্ধুবৰ মুকুট শৰ্মা ডাঙৰীয়াৰ উক্তি মতে এই বাজেট খন হল মাক বাপেক নোহোৱা বাজেট। কিন্তু মই কওঁ হওক এই বাজেট কংগ্ৰেছৰ অৰ্থাৎ কংগ্ৰেছৰেই সন্তান কিন্তু আমি জনতা চৰকাৰে তাৰ দায়িত্ব লৈছো। অহা বছৰ যে সদ ব্যৱহাৰ কৰিব পাৰিম তাত কোনো সন্দেহ নাই। কিন্তু ইয়াৰ আগতে এটা কাম কৰা প্ৰয়োজন সেইটো মই আগতেও কৈছো আৰু আজিও মুখ্যমন্ত্ৰীক কৈছো যে, আগৰ চৰকাৰে টকা পইচা বিলাক কি হিচাবত অসত ব্যৱহাৰ কৰিলে তাৰ এটা অনুসন্ধান কৰি পৰিপেক্ষিত ব্যৱস্থা লব লাগে। লগতে ওৱেচটিং এচেচমেন্টৰ যিটো ব্যৱস্হা তাৰ অনুসন্ধান হব লাগে। ভৱিষ্যতৰ কাৰণে যাতে আমি কাম কৰিব পাৰো। অধ্যক্ষ মহোদয়, এই সকলো বিলাক কামৰ কাৰণে মই মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰীক অনুৰোধ কৰিছো। তেখেত সকলে যাতে এই বাজেটখন সত ব্যৱহাৰ কৰি সমাজবাদী সমাজ গঢ়িবৰ কাৰণে আমাৰ যি ইচ্ছা পুৰণ কৰিব বুলি আশা ৰাখিলো।

শ্ৰীনিশীথ রঞ্জন দাস : অধ্যক্ষ্য মহোদয়, আমাদের রাজের জনগণ স্বৈরতন্ত্রী কংগ্রেছ শাসনের অবসান ঘটিয়ে যে আশা আকাংখ্যা নিয়ে জনতা পার্টীকে শাসনে প্রতিষ্ঠিত করেছিল আজ জনতা সরকার এসদনে যে বাজেট পেশ করেছেন তা আমাদের রাজের জনগণের কোন আশা আকাংখা পূরণ করতে পারেনি। জনতা পার্টী যে বাজেট পেশ করেছেন তা আমাদের রাজের জমিদার শ্রেণী ও পুঁজিপতিদেরই প্রকৃত স্বার্থ রক্ষা করবে এবং গরীব শ্রেণী করবে বঞ্চনা। সুতরাং জনতা চরকারের এই বাজেট আমার মতে জন বিরোধী বাজেট।

অধ্যক্ষ মহোদয়, ইতিমধ্যেই আমাদের রাজ্যে গভীর অর্থনৈতিক সংকটের সৃস্টি হয়েছে এবং আমরা দেখছি নির্বাচনের পূর্বে জনতা পার্টী যে সমস্ত প্রতিশ্রুতি জনগণকে দিয়েছিলেন সে সমস্ত প্রতিশ্রুতি তারা রক্ষা করছেন না অথচ তাঁরা মালিকশ্রেণী ও পুঁজিপতিদের স্বার্থ রক্ষা করেই চলেছেন।

আজ আসামের বহু কল-কারখানা বন্ধ। আসাম হার্ড বোর্ড, এভারেষ্ট সাইকেল কোম্পানী প্রভৃতি কারখানা বন্ধ হওয়াতে অনেক শ্রমিক আজ বেকার। তাছাড়া, আমাদের রাজ্যের কল-কারখানাতে ছাটাই দিন দিন বেড়েই চলেছে। অপরদিকে শ্রমিকদের হাত থেকে সমস্ত ট্রেড ইউনিয়ন রাইট কেড়ে নেওয়া হচ্ছে। বাজেটের ৪২ নং পরিচ্ছেদে শ্রমিক শ্রেণীর স্বার্থ রক্ষার কথা বলা হয়েছে। বাস্তব অবস্হা কিন্তু তার বিপরীত। সরকারী সাহায্যপ্রাপ্ত কল-কারখানা বন্ধ হচ্ছে, শ শ শ্রমিক কর্মচ্যুত হচ্ছেন, বাগান

থেকে শ্রমিক ছাটাই হচ্ছেন, সরকার তাদেরস্বার্থ রক্ষার কোন ব্যবস্থা করছেন না। অপর দিকে সংগঠিত শ্রমিক নিয়মতান্ত্রিক প্রতিবাদ করতে গেলে সরকারী নীতির সম্মুখীন হচ্ছেন। ইতিমধ্যে ১৫ হাজার শ্রমিক কর্মচারী কাজ থেকে বিতারিত হয়েছে। গোহাটী, গোয়ালপারা, ডিব্রুগড় ও কাছারে বিভিন্ন চা বাগিচায় এবং করিমগঞ্জ ট্রেড ইউনিয়ন করার অপরাধে শ্রমিকরা নানা সাজানো মামলায় জেল হাজতে গিয়েছে। চা বাগান থেকে সি আই টি ইউ কর্মীরা কাজ থেকে এমন কি বাড়ী থেকে বিতারীত হয়েছে, প্রতিকার হয়নি। করিমগঞ্জে একটি তেলের মিলে শ্রমিক ইউনিয়ন করার ইউনিয়নের সম্পাদককে গেপ্তার করে পুলিশ থানার নিয়ে গিয়ে বলেছে লিখে দাও ইউনিয়ন করবেনা। নইলে বাংলাদেশে পাঠিয়ে দেব। একেবারে জরুরী কালীন অবস্থাত মত ব্যপার চলছে। আমাদের এখানে ফার্মাসীর জনৈক মালিক মে দিবসে তার কর্মচারীদের শ্রমিক কর্মচারীর আয়োজিত সভায় যোগ দেয় নি। আমাদের রাজ্য দোকান কর্মচারীগণ দশ্যেতঃ ছুটি ভোগ করে থাকে, কিন্তু কার্যত কোন মালিক তাদের ছুটি দেয় না। আমাদের এখানে জরুরী অবস্থার আগে সপ্তাহে দেড়দিন ছুটি ছিল দোকান কর্মচারীদের। জরুরী অবস্থার সময় ছুটী কমিয়ে মঙ্গলবারে মাত্র ছুটীর ব্যস্থা হয়। কিন্তু প্রকৃত পক্ষে এই মংগলবারেও দোকান কর্মচারীদের কাজ করতে বাধ্য করা হয়। অথচ সরকার নীরব দর্শক মাত্র তাছাড়া ও দোকানের মালিকরা কর্মচারীদের নিয়োগ পত্র দেয় না, বোনাস দের না। সিনেমা কর্মচারীরাও মালিকের নিকট থেকে আইনগত অধিকার পায় না। আবার অধিকার আদায় করতে গেলে উৎপীড়নের সম্মুখী হয়।

বাজেট বক্তিতার ৪২তম পরিচ্ছেদ বলা হয়েছে যে আসামে বোনাস ব্যবস্থা করা হবে। কিন্তু প্রকৃত পক্ষে বনাস দূরে থাক, নায্য ছুটী পর্যন্ত এইসব হতভাগ্য দোকান কর্মচারীগণ আজও আদায় করতে পারছে না এবং এগুলি আদায় করার দাবী উৎথাপন করলে তাদের উপর সমস্ত রকম দমন পড়ীন ব্যবস্থা চালু করা হচ্ছে, তাই, আমি জনতা সরকারকে বলব যে সমস্ত প্রতিশ্রুতি তারা নির্বাচনী ইস্তহারে দিয়েছেন এবং এই বাজেটে দিয়েছেন, এ গুলোকে যেন বাস্তবায়িত করেন।

বাজেট বক্তিতার ৫১ নং পরিচ্ছেদে আছে যে এই সরকার কর্মচারীদের সমস্ত রকম অভাব অভিযোগ সম্পর্কে সচেতন, আমি আশা করব মূখ্যমন্ত্রী মহোদয় তার নিজের কর্মচারীর অথ্যাৎ রাজ্য সরকার কর্মচারীদেয়ে যে সব প্রতিশ্রুতি দিয়েছিলেন সেইসব প্রতিশ্রুতি তিনি পালন করেবেন।

কর্ম ক্ষমতা বজায় যাবর জন্য মূল্যবৃদ্ধির সংগে সংগে বেতন বৃদ্ধির যে বৈজ্ঞানিক নীতি সমস্ত সভ্য দেশে অবলম্বন করা হয় সেই নীতি অনুযায়ী বর্তমান রাজ্যিক সরকার পরিচালিত হচ্ছে না এটা অত্যন্ত পরিতাপের কথা। আশাকরি সরকার এই নীতি অনুযায়ী কর্মচারীদের প্রতি দায়িত্ব পালন করবেন।

আমাদের রাজ্যে যারা পৌর কর্মী আছে, তারা সরকারী কর্মচারীদের মত কাজ করা সত্বেও বিগত ৩১ বসর যাবৎ তারা তা দর নায্য অধিকার থেকে বঞ্চিত। ইতিমধ্যে এইসব কর্মীগণ মূখ্যমন্ত্রী ও বিভাগীয় মন্ত্রী কাছে তাদেরে সরকারী কর্মচারী হিসাবে গণ্য করার জন্য এবং সরকারী কর্মচারীদের সকল সুযোগ সুবিধা দেওয়ার জন্য দাবী করেছেন। সুতরাং এইসব পৌর কর্মী এবং পৌরসভার হরিজন কর্মীদের দাবী পূরণের জন্য আমি সরকারের কাছে দাবী রাখছি।

আমাদের রাজ্য এক ধরনের রাজ্যিক কর্মচারী আছে যারা আবহমান কালধরে অবহেলিত। তারা হলো একষ্ট্রা রাইটার। আমার দাবী হলো তাদেরে যেন ৩য় শ্রেণীর সরকারী কর্মচারী হিসাবে গণ্য করা হয় এবং সরকারী কর্মচারীদের সকল সুযোগ সুবিধা দেওয়া হয়। অধ্যক্ষ মহোদয়, আপনি শুনলে আশ্চর্য্য হবেন যে এইসব কর্ম-চারী, এইসব এক্সট্রা রাইটারের মাধ্যমে এই কামরূপ জেলায় গত বছর সরকারের কত আয় হয়েছে। এই আয়ের পরিমান হলো ৫ লক্ষ ৪ হাজার ২২৮ টাকা ৮৮ পয়সা। আর তাদের পেছনে খরচ মাত্র ২৭ হাজার ৬ শত ৭৬ টাকা ৬৪ পয়সা। আমি দাবী করছি যে এই এক্সট্রা রাইটারদের যেন অতি সত্বর ৩য় শ্রেণীর কর্মচারী হিসাবে গণ্য করা হয়।

স্কুলের চৌকীদার, পরিবার পরিকল্পনা বিভাগের কর্মচারী ম্যালেরিয়া বিভাগের কর্মচারীদের স্বার্থ যাতে রক্ষিত হয় তার ব্যবস্থা যেন অনতি বিলম্বে সরকার করেন এবং রাজ্যের চিকিৎসা বিভাগের প্রতি সরকার যে সব প্রতিশ্রুতি দিয়েছিলেন সে গুলি যেন সত্বর পালন করেন। জনতা সরকার আমাদের সামনে যে বাজেট পেশ করেছেন তা ঘাটতি বাজেট কেন্দ্রেও ঘাটতি বাজেট। তার ফলে সংকট বৃদ্ধি পাবে এবং নানা রকম উন্নয়নের কাজ ব্যাহত হবে।

আমাদের অর্থমন্ত্রী বাজেটের ৬ নং পরিচ্ছেদে মূল্য বৃদ্ধি প্রতিরোধের যে প্রতিশ্রুতি দিয়েছেন সে সম্পর্কে আমি বলতে চাই যে বাজেটে মূল্যবৃদ্ধির বহুবিধ কারণ রয়েছে। কেন্দ্রীয় বাজেটে সমস্ত পন্য উৎপাদনের উপর শতকরা ৫ ভাগ আবগারী সারচার্জ আছে, যা যা মালিক পক্ষ পণ্য মূল্যের উপর ধার্য্য করবে। তাছাড়া, কয়লা ও বিদ্যুতেরউপর শুল্ক বসেছে যা স্বভাবতঃ ইক্রেতা সাধারনের উপর পড়বে।

আমাদের রাজ্যে কিছু অসাধু ব্যবসায়ী ও ব্যবসায়ী প্রতিষ্ঠানকে এক চেটিয়া ব্যবসায় অধিকার দেওয়া হয়েছে যারা মুনাফা লাভের জন্য বস্তুর কৃত্রিম অভাব ও দুর্নীতির আশ্রয় নেন। ফলে, ইতিমধ্যেই লবন ও সিমেন্টের হাহাকার চলছে।

মহোদয়, আমাদের রাজ্য যোগাযোগ ব্যবস্থার প্রচন্ড অভাব। ফলে ব্যবসায়ীবা এই অবস্থার সুযোগ নিয়ে থাকে। আসাম রাজার সঙ্গে ত্রিপুরা, মিজোরাম ও আসাম রাজ্যের উত্তর কাছাড় ঐ দুটি বিরাট অঞ্চল কাছাড়ের সঙ্গে একমাত্র যোগাযোগের রাস্তা পাহাড় লাইন। মহোদয়, আপনি জানেন, এতে আবার ৩৭ টানেল আছে। পুরোনো রাস্তা, নড়বড়ে সেতু, একটু বৃষ্টি হলেই যোগাযোগ ব্যবস্হা বিচ্ছিন্ন হয়ে যায়। ভোগ্যপণ্য এবং অন্যান্য পণ্য সামগ্রী এই গৌহাটী থেকে কাছাড়ে য়েতে হলে কম পক্ষেও ৩ দিনের জায়গায় ৩ সপ্তাহ লাগে। আগে জাহাজে মাল পাঠানোর সুবিধাছিল। কিন্ত ১৯৬৫ ইং থেকে সে ব্যবস্হা বন্ধ হয়ে যায়। তারপর বাংলাদেশ প্রতিষ্ঠিত হওয়ার পর এই জাহাজ চলাচলের পুণরপ্রবর্তন হলো কাছাড় জেলায়। কিন্ত জরুরী অবস্হার সময় এই ব্যবস্হার বন্ধ হয়ে যায়। সুতরাং এক্ষেত্রে আমার দাবী হলো কাছাড় তথা সমগ্র পূর্বাঞ্চলের যোগাযোগ ব্যবস্হার উন্নতিকল্পে যেন অবিলম্বে জাহাজ চলাচলের ব্যবস্হার পুনঃ প্রচলন হয় এবং পাহাড় লাইনের বিকল্প উন্নত আরেকটি রেল লাইন স্হাপনের জন্য যেন সরকার সচেস্ট হন। তাছাড়, মটর সড়কও তথৈবচ। বৃষ্টিতে অচল হয়ে পড়ে। আরো মজার ব্যাপার এই যে ত্রিপুরা, ও মিজোরাম যাতায়াতের পথে পড়ে করিমগঞ্জ রেল গেট। গেট ম্যান এই গেট বন্ধ করে দিলেই যানবাহন সমস্ত বন্ধ হয়ে যায়। খোলার পরও কয়েক ঘন্টা রাস্তা পরিস্কার হতে সময় লাগে।

মহাদয়, আমাদের রাজ্যর সরবরাহ বিভাগের কাজকর্ম একই জেলার বিভিন্ন অঞ্চলে বিভিন্ন রকম দেখা যায়। এগুলি মালিক শ্রেণীর স্বার্থে করা হচ্ছে, ব্যবসায়ীদের সুবিধা অনুযায়ী মাল বিক্রীর বিভিন্ন নিয়ম ও বিভিন্ন দর। এর মধ্যে অর্থমন্ত্রীর মূল্য নিয়ন্ত্রনের ললিতবাণী আমাদের কাছে শোনায় ব্যর্থ পরিহাসের মত। জনগণের প্রয়োজনে বস্তুর বিক্রয় ব্যবস্থা হোক, এক চেটিয়া ব্যবসায়ীদের মুনাফা লাভের পরিবর্তে সারা রাজ্য যোগাযোগ ব্যবস্থার উন্নত করা হোক, পাহাড় লাইনের বিকল্প রাস্তা, জাহাজ চলাচল ও প্রয়োজন মত রেলওয়ে ওভার ব্রীজ করে ব্যবস্থা বানিজ্যের সম্প্রসারণ করার দাবী আমি আজ সরকারের কাছে রাখছি।

অধ্যক্ষ মহোদয়, আপনি জানেনে, জনগণের পকেট কাটা পুজিতন্ত্রী ব্যবস্থার বাজেটের বৈশিষ্ট। গত ৩১ বছরের কংগ্রেসী রাজত্বে দেখেছি প্রত্যেক বছরের বাজেট হলো শোষনের মাত্রা বৃদ্ধির এক একখানা দলিল। নির্দ্দল রূপে নির্বাচিত পরবর্তী কালে জনতা দলে যোগদান কারী মাননীয় সদস্য শ্রীফকরুল ইসলাম সাহাবে পশ্চিম বঙ্গের বামফ্রন্ট সরকারের বাজেটকে টেনে এনেছেন এখানে। দুটি বাজেটেরে মৌলিক তফাৎ আর চোখে ধরা পড়েনি। পড়লে একথা তিনি বলতেন না। মহোদয়, আমি আপনার মারফৎ তাকে বলতে চাই আসুন বামফ্রন্ট সরকারের ন্যায় আমাদের রাজ্যর জনতা সরকার বেকার ভাতা দেওয়ার ব্যবস্থা করুন। আশ্বিন, কার্ত্তিক ও অগ্রাহায়ন মাসে কৃষকের ধান ক্ষেতে থাকে—হাতে কাজ থাকে না, ঘরে খাবার থাকে না। ক্ষুধার যন্ত্রণায় যখন ছেলেমেয়ের কাঁদে, অসহায় কৃষক পিতা তখন জমির ধান ৫।৭ টাকা মন দরে গ্রামের শোষক মহাজনের কাছে বিক্রী করে দেয়। তাদেরে রক্ষা করার জন্য পশ্চিম বংগের বাম ফ্রন্ট সরকার এই ৩ মাস নগদ ১ টাকা, ১ কেজি চাল ও ১ কেজি আটা তাদের মধ্যে বিতরণ করে তাদেরে রক্ষা করছে। সুদখোর মহাজন জমিদারদের হাত থেকে গরীব কৃষকদেরকে রক্ষা করছে, কিন্তু ফকরুল সাহবের দল ক্ষমতায় আসার পর রাজ্যের অবস্থা কি হছেয়ে? প্রজা উচ্ছেদ চলছে, ভাগ চাষীরা মার খাচ্ছে, এমন কি রিকুইজিশন মাটি থেকে বাগানের মালিকরা উচ্ছেদ করছে প্রজাদেরে। কৃষকদের দখলানা স্বীকৃত হচ্ছে না। বামপন্থী ফ্রন্ট সরকার প্রজাকে তার অধিকারের জন্য জমির পাট্টা দিচ্ছে। শ্রমিক, কৃষক, কর্মচারী, মধ্যবিত্তের স্বার্থ রক্ষা করছে। আর আমাদের এখানে চলছে তার ঠিক বিপরীত ব্যবস্থা। এগুলো মাননীয় সদস্য ফকরুল সাহেবের চোখে পড়ে না। আমাদের সরকার ডেফিচিট স্কুলের ছাত্রদের বেতন মাপ করেছেন কিন্তু ভ্যানচার স্কুলের ছাত্রদের বেতন মাপ করেণ নি যা করার প্রয়োজনীয়তা ছিল সব ছেয়ে বেশী। তিনি কি জানেন না যে বামফ্রন্ট সরকার ছাত্রমাত্রেরই বেতন মাপ করেছে ও একেবেলা খাবার দিবেন। আসুন আমাদের রাজ্যেও এর ব্যবস্হা করে শিক্ষা সম্প্রসারণের ব্যবস্হা করি।

আমাদের রাজ্যে দহ বিঘা জমির খাজনা মাপ হয়েছে। অথচ দহ বিঘা জমির বকেয়া খাজনা কৃষকদের কাছ থেকে আদায়ের জন্য আজ জনতা সরকার কোক জারী করছেন নয়াবিলের পারের গরীব কৃষকদের মধ্যে এই মাসে পুলিশ পেদা সেখানে নিয়ে গরু ধরে নিয়ে আসে এবং গরু উদ্ধারের জন্য দরিদ্র কৃষক গ্রামের মহাজনদের কাছ থেকে শতকরা ত্রিশ টাকা হারে সুদে টাকা এনে আরও বড় মহাজন জনতা সরকারকে দিতে হয়েছে। বহু আবেদন নিবেদন সত্বেও কৃষককে আগামী ফসল কাটার সময় পর্যন্ত দেওয়া হয়নি। এনে দয়ালু জনতা সরকারের মাননীয় সেচমন্ত্রী আবুল ফজল গোলাম ওচমানি সাহেবের বক্তৃতার মাধ্যমেই জনতা সরকারের কৃষক শোষণের স্বরূপ প্রকাশ পেয়েছে। তিনি যখন ছন্দ সহকারে এই বিধান সভার ঘোষণা করলেন "নো মানি নো পানী", অর্থাৎ পয়সা না দিলে সেচের জন্য জল মিলবে না এবং জ্ঞান দিলেনযে দহ মনের জায়গায় পোন্ধর মন ধান পেলে কৃষক এক মন দিতে কেন আপত্তি করবে?তখনই বোঝা গেল কাপড় ধোলাই না করলে

তার রং বোঝা যায় না। সেচমন্ত্রীর উত্তরের মধ্যেই জনতা সরকারের শোষণের চরিত্র ঝুলি থেকে বেরিয়ে পড়েছে, সরকারের উচিত ছিল দহ বিঘা জমির খাজনা মাপ করার সংগে সংগে দহ বিঘা সেচ এলাকার জমির খাজনা মাপ করা।

মহোদয়, কারণ এই কৃষক সমাজ যারা দুনিয়ার অন্ন যোগায় কিন্তু নিজে পেট ভরে খেতে পায়না। এরা জন্ম লগন থেকে ক্ষুধার্ত, ক্ষুধার্ত কৃষক খাদ্যভাবে রোগগ্রস্ত, রোগগ্রস্ত কৃষক খাওয়ার জন্য ঋণ গ্রস্ত। সন্তানকে তারা শিক্ষা দিতে পারে না। শিক্ষার আলো বঞ্চিত ক্ষুধাপীড়িত কৃষকদের কাছ থেকে সেচ মন্ত্রীর কর আদায় করতে হাত কাঁপে না। কাঁপে শুধু এক চেটিয়া পুঁজিপতির ব্যবস্হা জাতীয় করণ করে দেশের উন্নতি করতে। শীতের রাতে গরীব মানুষ মাছ ধরে মাছ বিক্রী করতে বলে মাছ নাই দিতে হয়, খড় দিয়ে ঘর বানিয়েছে, গৃহট্যাক্স দিতে হবে। পেটের দায়ে রিক্সা চালায় তাও লাইসেন্স ফি বছরে বছরে বাড়ে। তাই বলেছিলাম জনতা দলের বাজেটও কংগ্রেছের মত শোষণের মাত্রাবৃদ্ধির একখানা দলিল। বামফ্রণ্ট সরকার কৃষকদের জন্য সেচ এলাকায় ১২ কেয়ার এবড অসেচ এলাকায় ১৮ কেয়ার জমির খাজনা মাপ করেছেন। জনতা পার্টির বাজেট আর বামফ্রন্টের বাজেটর মৌলিক তফাত হলো, একটি, শোষনের মাত্রা বৃদ্ধির দলিল এবং আরেকটি, শোষন অবসানের সং চেষ্টা। বাম সককার একচেতীয়া পুঁজিপতিদের প্রশ্রয় দেয়না। কেন্দ্রে জনতা সরকার যে বাজেট করেছেন তা লক্ষ্য করলে দেখা যায় যে নানা রকম আমদানী শুল্ক ও আবগারী শুল্ক প্রত্যাহার করে নেওয়ার ব্যবস্হা হল এবং সেই শুল্ক ছাড়গুলো প্রধানতঃ দেশী ও বিদেশী একচেতীয়া সংস্হাগুলি কতৃর্ক উৎপন্ন সম্পদের কার্য্যকারী চাহিদা বাড়ানোর জন্য। যেখানে কিছু কিছু শিল্পপতিদের কংগ্রেস সরকার শতকরা ২৫ ভাগ নিয়োগ ভাতা দিয়েছে এবং জনতা সরকার সেখানে সমস্ত শিল্পে শতকরা ৩৫ ভাগ নিয়োগ ভাতা দিয়ে পুঁজিপতিদের সাহায্য করছেন। তথাপিও যাক তথাকথিত পুঁজিপতিরা সংকট থেকে উদ্ধার পাচ্ছেনা। কারণ পুঁজিতান্ত্রিক পথ ক্ষয়িষ্ণু পথ, এই পথ পরিহার করা দরকার। এই পথে দেশের কল্যাণ হতে পারেনা।

মহোদয়, ব্রহ্মপুত্রএবং বরাক আজ আমাদের রাজ্যের বিরাট সমস্যা হয়ে পাড়িয়েছে। এই দুইটি নদীর ধ্বংসলীলাকে প্রতিরোধ করে এক জনমুখী পরিকল্পনা নেওয়া উচিত। সঙ্গে সঙ্গে আমি আরেকটি আবেদন রাখছি যে সরকার যে ঘোষণা করেছেন যে গ্রামাঞ্চলের উন্নয়ন করছেন কিন্তু ইতিমধ্যে গ্রামের জনসাধারণ ইন্দিরা কংগ্রেস এবং রেডি কংগ্রেসের স্বৈরতান্ত্রী লুণ্ঠন এবং সর্বপ্রকার চক্রান্তের মধ্য বসবাস করছে। জনতা সরকার পঞ্চায়ত নির্বাচনের ঘোষনা করেছিলেন। আমরা একথা বিশ্বাস করেছিলাম। কিন্তু পরবর্তী কালে দেখলাম এই নির্বাচন পিছিয়ে ওেয়া হয়েছে। কংগ্রেস এর দুর্নীতি গ্রামের অভ্যন্তরে এখনো সোরসী পাট্টা বজায় রেখে জনগনের মধ্যে নানা বিভ্রান্তির সৃষ্টি করছে।

আমি জনতা সরকারকে বলতে চাই তারা যেন সত্ত্বর পঞ্চায়ত নির্বাচন অনুষ্ঠিত করার ব্যবস্হা করেন। বর্ষার জন্য এই নির্বাচন এখানে পিছিয়ে দেওয়াহলো অথচ আমাদের পাশেই দইটি রাজ্যে এব মধ্য নির্বাচন হচ্ছে। জনতা সরকারের এই নির্বাচন পিছিয়ে দেওয়ার আজ আমি ইন্দিরা সরকারের সেই কণ্ঠস্বর শুনতে পাচ্ছি। কারণ ১৯৭৫ ইং তে গুজরাটে একই কারণে নির্বাচন বন্ধ রাখাতে চাইলে, ইন্দিরার বিরুদ্ধে মোরারজী দেশাই কে অনশন করতে হয়। আসামে ও কি পঞ্চায়টি নির্বাচন জন্য সেই পথে জনশক্তিকে যেতে হবে? সর্বশেষে আপনার মারফৎ আর একটি গুরুত্বপূর্ণ বিষয় আমি উপস্হিত করতে চাই যে আমি সীমান্ত শহর করিমগঞ্জ থেকে নির্বাচিত এবং এই শহরের অপর দিকে কুশিয়ারার তীরে বাংলাদেশ আন্তর্জাতিক আইন লংঘন করে ৩ কোটী

টাকা খরচ করে ৩ টি বাঁধ তৈরী করছে এর বিরুদ্ধে সরকার কি ব্যবস্থা নিয়েছেন তা বিধান সভার সদস্যদেরে যেন জানানো হয় এবং করিমগঞ্জ রাজ্যর ও সহরের বিস্তের্ণ অঞ্চলে যে ইরোশন হছে সেই ধ্বংসের হাত থেকে রক্ষা করার জন্য কি ব্যবস্থা নেওয়া হচ্ছে তাও যেন বিধান সভার সদস্যদেরে জনানো হয় এবং ইতিমধ্যে যাদের ঘরবাড়ী ভেঙ্গে গিয়েছে ও ভাংছে তাদের যেন ক্ষতিপূরণ দেওয়া হয়। আমি এই ভাঙ্গানের ছবি আপনার মারফত সদনে উপস্থিত করছি। এই গুরুত্বপূর্ণ ব্যাপারটি যেন আমাদের মুখ্যমন্ত্রী কেন্দ্রীয় সরকারের সহযোগে বাংলাদেশ সরকারের সঙ্গে অনতি বিলম্বে যোগাযোগ করে একটা ব্যবস্থা গ্রহণ করেন যাতে করিমগঞ্জ শহরের বিস্তীর্ণ অঞ্চলকে ধ্বংসের হাত থেকে রক্ষা করা যায়। এই বলে আমি আমার বক্তব্য শেষ করলাম।

ডাঃতাৰিণী মোহন বৰুৱাঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে ১৯৭৮।৭৯ চনৰ বাজেটখন দাখিল কোতে এবাৰ কথা তেখেতে পৰিস্কাৰকৈ কৈছিল যে নতুন চৰকাৰে যে ইয়াৰ নীতি অনুযায়ী বাজেটৰ প্ৰস্তাৱ সমূহৰ গঢ় দিবলৈ যথেষ্ট সময় পোৱা নাই সেই কথা মাননীয় সদস্য সকলৰ অবগত আছে। সেয়েহে নতন চৰকাৰে আৰম্ভ কৰিবলগীয়া কাৰ্য্যসূচী সমূহ বৰ্ত্তমানৰ বাজেটত সম্পূৰ্ণ ভাৱে প্ৰতিফলিত হৈ উঠা নাই। কিন্তু আমাৰ বিৰোধী পক্ষৰ মাননীয় বিধায়ক মুকুট শৰ্মা ডাঙৰীয়াই জনতা দল আৰু বাজেটৰ ওপৰত বহুতো কটু সমালোচনা কৰিছে, তেখেতে কৈছে জনতা দলৰ কোনো নীতি নাই আৰু এতিয়া জনতা দলক আৰু জনতা চৰকাৰৰ হৰ বিচাৰিছে। এই সন্দৰ্ভত মই কব বিচাৰিছো যে তেখেতে হয়তো জনতা দলৰ সকলো কথা বুজিবলৈ সময় কৰিব পৰা নাই বা তেখেতে সময় পোৱা, নাই বা বুজিবলৈ চেষ্টা কৰা নাই, ভালদৰে বুজা হলে তেখেতে এই দৰে সমালোচনা নকৰিলেহতেন। জনতা দলৰ যে নীতি আছে, তাক ৰাইজে প্ৰমান কৰিছে জনতা দলক ক্ষমতাত প্ৰতিস্থিত কৰি। দ্বিতীয়তে তেখতে কৈছে যে জনতা দলৰ ভাঙন হৈছে, মই কব খোজো By uniting at least 5 parties Janata party was formed. আৰু যিটো দলত তেখেত আছে, সেই নীতিথকা দলটো Congress is divided and Sub-divided practically in to10parties নীতি থকা দলটো গড়া খহনীয়াৰ নিচিনাকৈ ভাঙন-মুখী হৈছে। কিন্তু জনতা দল শক্তিশালী হৈ আছে। যি কি নহওক মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যিখন বাজেট সদনত দাখিল কৰিছে সেই খনক মই পূৰ্ণ সমৰ্থন কৰিছো। এই সন্দৰ্ভত মই কেইটামান কথা সদনত ডাঙি ধৰিব বিচাৰিছো। আজি আমাৰ দেশখন অৰ্থনৈতিক দিশত আগবাঢ়িছে বুলিলে আমি বুজি যে আমাৰ ৰাজ্যখনৰ সৰ্ব্বসাধাৰণ ৰাইজৰ উন্নতিকে বুজো। সৰ্ব সাধাৰণ ৰাইজৰ যদি উন্নতি নহয় আৰু সৰ্ব সাধাৰণ ৰাইজৰ উন্নতি বিহীন এখন দেশৰ উন্নতি হোৱা কথাটো অবান্তৰ। তেনেস্থলত আজি আমাৰ দেশৰ শতকৰা ৬০ জন মানুহ দৰিদ্ৰ সীমা ৰেখাৰ তলত থকাটো কিমান পৰিতাপৰ কথা, এই অৱস্থাৰ উন্নতি আমি কৰিবই লাগিব। এখন দেশ আগবাঢ়িবলৈ হলে আমি তিনিটা কথাৰ ওপৰত বেছি জোৰ দিব লাগিব। তাৰে এটা হৈছে কৃষি আৰু আনটো হৈছে উদ্যোগ আৰু তৃতীয়টো হৈছে প্ৰশাসন। আমি সকলোৱে জানো যে কৃষি, উদ্যোগ আৰু প্ৰশাসন শক্তিশালী হলে এখন দেশৰ উন্নতি হোৱাতো স্বাভাৱিক আৰু এই হিচাবেই এই কথাটোৰ ওপৰতে গুৰুত্ব দিয়া হয়। আগৰ পঞ্চবাৰ্ষিক পৰিকল্পনা বিলাকত উদ্যোগৰ ওপৰত বেছিকৈ জোৰ দিয়া হৈছিল আৰু কৃষিৰ ওপৰতো তেনেদৰে জোৰ দিয়া হৈছিল। কিন্তু তথাপিতো আজিলৈকে ইয়াৰ কোনো উন্নতি হোৱা দেখা নগল। ইয়াৰ কেৰোণটো কত?

Either in the industry or in the administration, something is rotten somewhere in the kingdom of Denmark.

থিক আমাৰ ইয়াতো তেনেকুৱাই হৈছে, কেৰোণটো কোনখিনিত? ইটোৱে সিটোৰ ওপৰত

দোষ দিয়াই চলি আছে আৰু তেনেদৰেই কাম-কাজবোৰ চলি আছে। তথাপি মই কৃষি উদ্যোগ আৰু প্ৰশাসনৰ ওপৰত আজি বেছি জোৰ দিব লাগিব। কৃষিৰ বিষয়ে মই দুষাৰ-মান কব খুজিছো। কৃষি বুলিলে ভূমিৰ কথাও আহে। ভূমি ও কৃষক এই দুটা অঙ্গাঙ্গী। গতিকে ভূমিৰ সমস্যা সমাধান নহলে কৃষিৰ সমস্যা সমাধান নহয়। ভূমিৰ সমস্যা সমাধান হলেহে কৃষিৰ সমস্যা সমাধান হব। কিন্তু আমাৰ দেশত ভূমিৰ সমস্যা একেধৰণেই আছে আৰু ৰাজ্যৰ ৮০ ভাগ মানুহেই কৃষিৰ ওপৰত জীৱন নিৰ্ব্বাহ কৰি থাকে। জন-সংখ্যা বঢ়াৰ লগে লগে এই ৮০ ভাগো ওপৰলৈ গৈছে কিন্তু ভূমি নাবাঢ়ে আৰু বাঢ়িবও নোৱাৰে। গতিকে কিবা এটা উপায় কৰিব নোৱাৰিলে এই সমস্যা সমাধান কৰা টান হৈ পৰিছে। জনসংখ্যা বঢ়াৰ লগে লগে কিছুমান কৃষি বনুৱাৰ উৎপত্তি হয় আৰু সেই কৃষি বনুৱা বিলাকে তেওঁলোকৰ কৰ্মক্ষেত্ৰ বিচাৰি নাপায় নগৰমুখী হয় আৰু নগৰত আহি ধনী দুখীয়া ব্যৱধান বঢ়ায়। এই খিনিতে শ্ৰেণী সংগ্ৰামৰ কথা আহি পৰে। ১৯৬১ চনৰ এটা সমীক্ষা মতে কৃষিৰ ওপৰত নিৰ্ভৰশীল লোক শতকৰা ৫০ ভাগৰ বেছি হব নালাগে। গতিকে এই ওপৰ্চীণ্ড মানুহখিনিক যদি আনফালে প্ৰয়োগ কৰিব নোৱাৰি তেনেহলে এই সমস্যা সমাধান নহয়। আমাৰ কৃষি মন্ত্ৰী মহোদয়ে আগবেলা কৈছিল যে আমাৰ ৰাজ্যত বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰাত এতিয়াও বহুত পিছপৰি আছে। সচাঁ কথা কাৰণ আমাৰ জলসিঞ্চন বা বৈদ্যুতিকৰণ থিক সেই মতে খেতি কৰাত আমাৰ ৰাজ্যত একো সুবিধা নাই। অনভিজ্ঞতাৰ কাৰণে আৰু সেই বিলাক প্ৰচলন নোহোৱাৰ কাৰণে আৰু চৰকাৰৰ ফালৰ পৰা কেনে কোনো প্ৰশিক্ষণৰ ব্যৱস্হা নাই কাৰণে বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰাত আমাৰ ৰাইজ পিচপৰি আছে। গতিকে ভূমি আৰু কৃষি এই দুটা সমস্যাৰ বিষয়ে যদি কিবা বিশেষ চিন্তা নকৰে তেনেহলে এগ্ৰিকালচাৰ এজ এ হোল আগবাঢ়ি যোৱা টান হব।

ভূমী সমস্যাৰ ক্ষেত্ৰত সিবিলাক আইন-কানুন আছে সেই বিলাকত সুৰুঙা থকা বাবে ভূমি সমস্যাৰ সমাধান কৰিব পৰা নাই। ভূমি সমস্যা সমাধান কৰাৰ কাৰণে বহুত আঁচনি কৰা হৈছে কিন্তু প্ৰত্যেক বিলাকতে সুৰুঙা থকাৰ কাৰণে সেইবিলাক ফলবতী হোৱা নাই। কৃষক সকলক বহুত সুবিধা দিয়াৰ ব্যৱস্হাই আছে কিন্তু সেইবিলাকৰ আলমলৈ আকৌ কিছুমান নতুন সমস্যাৰহে সৃষ্টি কৰিছে। আপোনালোকে হয়তো জানে নে নাজানে কব নোৱাৰো কিন্তু জৰুৰীকালিন অৱস্হাত আমাৰ গাৱেঁ ভূঁৱে কিছুমান গ্ৰামিক শ্ৰমিক সন্হা কৰিলে। অসমৰ আন ঠাইত আছেনে নাই কব নোৱাৰো কিন্তু কিছুমান অঞ্চলত আমাৰ দিশপুৰ সমষ্টিৰে ডিমৰীয়া অঞ্চলত এই গ্ৰামিন শ্ৰমিক সন্হা আছে আৰু ১৯৭৫ চনত আইন পাচ কৰিছিল। সেই আইনৰ জৰিয়তে কিছুমান চালিচি বোৰ্ড কৰিছে সেই চালিচি বোৰ্ডৰ সভাপতি সকলে কিছুমান নোদ্দিশ জাৰি কৰে আৰু তেওঁলোকৰ মাজতে আদালত তৈয়াৰ কৰি মানুহবিলাক ভিতি প্ৰদৰ্শন কৰিছে। তেনেকুৱা নোটিশ মোৰ হাতত আছে। এই সম্পৰ্কে মই উপায়ুক্তৰ লগতো কথা পাতিছো। তেখেতে কলে যে এই ধৰণৰ নোটিশ দিয়াৰে অধিকাৰ নাই। অধ্যক্ষ মহোদয় যদি প্ৰয়োজন হয় মই সেই নোটিশ সদনত দাখিল কৰিব পাৰো (ভইচ আপুনি পঢ়ি দিয়ক) মই বাৰু পঢ়ি দিছো প্ৰথমিক গ্ৰামিন সন্হাৰ কাৰ্য্যালয় শ্ৰীধীৰেন চন্দ্ৰ দাস, গাঁও মালয়বাৰী মৌজা ডিম্মোৰীয়া।

ইয়াৰ দ্বাৰা আপোনাক জনোৱা যায় যে আপুনি ১৯৬৩ চনত মালয়বাৰী (বৰবাপ্যাক) গাঁও নিবাসী দুখীয়া কৃষি শ্ৰমিক শ্ৰীদুলাল দাসৰ পৰা ১ বিঘা মাটি অস্হাৱৰ সম্পত্তি ৩৬০.০০ টকাত বন্ধক লৈছে। যোৱা ইং ১৯৭৫ চনৰ ৮ নবেম্বৰত অসম গ্ৰাম্য ৰিণ গ্ৰস্হত দুৰীকৰণ আইন বলবৎ হৈছে। সেই আইনমতে বন্ধক লোৱা সম্পত্তি এই নোটিশ পোৱাৰ ৩০ দিনৰ ভিতৰত আমাৰ কাৰ্য্যালয়ত উপস্হিত থাকি লিখিতভাৱে সম্পত্তিৰ মালিকক ঘূৰাই দিয়াৰ আইনমতে চুক্তিপত্ৰ কৰিবলৈ জনোৱা হল।

অন্যথাই আন্দাৰ চেকচন ৬(২) অৰ আৰ, আই, আৰ, এক্ট ১৯৭৫ এজ এমেন্দেদ ইন ১৯৭৬ আইনমতে এমাহ সশ্ৰমক বাডন্দ বা ৫০০ টকাৰ অৰ্থদণ্ড বা উভয় শাস্তি বহন কৰিব লাগিব। সভাপতি পশ্চিম মালয়াবাৰী। আৰু এখন আছে প্ৰতি শ্ৰীঅৰ্টীন দাস ডাঙৰীয়া ইয়াৰ দ্বাৰা আপোনাক জনোৱা যায় অহা ১৬।৪।৭৮ ইং তাৰিখ ৰবিবাৰে দিনৰ ১০ বজাত সোনাপুৰ পথাৰ প্ৰাথমিক বিদ্যালয়ত বন্ধকি গোচৰবোৰ মিমাংসা কৰাৰ বাবে গুৱাহাটী জিলা চালিচি বোৰ্ড বহিব। উক্ত বোৰ্ডত আপুনি বন্ধক থোৱা মাটিৰ নথিপত্ৰবোৰ লগত লৈ উপস্থিত থাকিবলৈ জনোৱা হল। অন্যথাই আইনমতে ব্যৱস্থা লোৱা হব।

শ্ৰীগোলোক ৰাজবংশী :—এই বোৰ্ডৰ বাজ্যিক সভাপতি ৰবীন কাকতি নাছিল জানো ?

ডাঃ তাৰিনী মোহন বৰুৱা :— এইবোৰ কাগজ-পাতি আমাৰ গাঁওৰ দুখীয়া ৰাইজে পালে বিব্ৰত হয়। তেওঁলোকে এইদৰে দুইফালে টকা মাৰে। এইবিলাক বিভৎস কাণ্ড হৈ আছে। গাঁওলীয়া জনজাতীয়লোক সকলে এই নোটিশ পালে ভয়ত কি কৰো তত নাইকীয়া হয়। ইয়াৰ ফলত কিছুমানে মাটি বিক্ৰী কৰিছে ৰেজিষ্টাৰ্ড দলিল নহলেও দালল কৰা মাটিৰ মালিক বিলাকো বিপদত পৰিছে আনহাতে কিনোতাইও দিগদাৰ পাইছে. আশাকৰো এই বিষয়ে ৰাজহ মন্ত্ৰী মহোদয়ে কিবা এটা ব্যৱস্থা কৰিব।

মই এই বিষয়ে আপোনাৰ জৰিয়তে আমাৰ ৰেভিনিউ মিনিষ্টাৰ আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক জনাব বিচাৰিছো যে যাতে ইয়াৰ এটা ব্যৱস্থা লয় আৰু ইতিমধ্যে ডেপুটি কমিচনাৰলৈ এই বিষয়ে দৰ্খাস্ত দিয়া হৈছে।

ভূমি সংস্কাৰৰ বিষয়ে এটা কথা কব বিচাৰিছো যে আমাৰ গুৱাহাটীৰ ওচৰে পাজৰে যিবিলাক পাহাৰীয়া বন-জঙ্গল আছে—সেইবিলাকত যিবিলাক অলাগতিয়াল মাটি আছে—তাত আমাৰ বহুতো মানুহ আজি ২৫।৩০ বছৰ ধৰি বসবাস কৰি আছে। তেওঁলোকে আজি পৰ্য্যন্ত তৌজী পট্টনহে পাই আছে—অথচ চৰকাৰৰ ওচৰত বহুবাৰ আবেদন নিবেদন কৰিও তেওঁলোকে পট্টন পাব পৰা নাই। কিন্তু দুখৰ বিষয়—তাৰ ভিতৰতে যিসকল শক্তিশালী লোক আছে —যিসকলৰ চৰকাৰৰ লগত ইনফ্লুয়েন্স আছে তেওঁলোকে সেই মাটিৰ পট্টা পাব পাৰিছে। সেই কাৰণে মই এই বিষয়ে আপোনাৰ জৰিয়তে ৰাজহমন্ত্ৰী ডাঙৰীয়াক দৃষ্টি আকৰ্ষণ কৰিলো যাতে সেই অলাগতীয়াল মাটিবোৰত থকা লোকসকলক সোনকালে পট্টন দিয়ে। এই অঞ্চল সমূহত প্ৰায় ৩।৪ হেজাৰ পৰিয়াল বসবাস কৰি আছে।

দ্বিতীয়তে উদ্যোগৰ কথাত এইখিনিকে কব বিচাৰিছো যে আমাৰ ইয়াত বহুতো ৰাজহুৱা খণ্ডত উদ্যোগ গঢ়ি উঠিছে। কিন্তু সেই উদ্যোগ বিলাকত মোনাফাকাৰীলোককহে শোষণ কৰিবলৈ কিছুমান সুবিধা দিছে। বোধকৰো আমাৰ বিধায়ক সকলে জানে যে—শিলঘাট মৰাপাটৰ মিলত এক কোটি টকা লোকচান হোৱা দেখুৱাইছে। গতিকে সেই ফালৰ পৰা আজি উদ্যোগৰ বিষয়ে চিন্তা কৰাৰ সময় আহি পৰিছে। তদুপৰি যিবিলাক স্মল স্কেল ইণ্ডাষ্ট্ৰি আছে—তাত আজি তদন্ত কৰিব লগীয়া হৈছে যিসকলে চৰকাৰৰ পৰা বা বেংকৰ পৰা লোন লয় সেই সকলে ইয়াৰ পৰা ধন লৈ আন ৰাজ্যতহে উদ্যোগ স্থাপন কৰে—ইয়াত নকৰে। তাৰ দ্বাৰা আমাৰ অসমীয়া ৰাইজ লাভবান হোৱা নাই। সেইকাৰণে এই স্মল স্কেল ইণ্ডাষ্ট্ৰিৰ এটা অনুসন্ধান হব লাগে। অতি সোনকালে এই তদন্ত কৰিব লাগে যাতে আমাৰ ইয়াৰ ধন লৈ নাম মাত্ৰ ইণ্ডাষ্ট্ৰি ৰাখি আমাৰ বেংকৰ ধন অন্য ৰাজ্যলৈ লৈ যাব নোৱাৰে। ইয়াত চাইকেল ফেক্টৰীৰ কথা কোৱা

হৈছে আৰু আসাম হাৰ্ড বোৰ্ডৰ যিটো ইণ্ডাষ্ট্ৰি পানীখেতিত আছে—সেইবিলাকৰ কথা কোৱা হৈছে। যতেই লোকচান দেখা গৈছে—তাতেই পাব যে তেওঁলোকে আমাৰ বেংকৰ পৰা লোন লৈছে আৰু বাহিৰত কাৰবাৰ কৰিছে। তেওঁলোকে ইয়াত উদ্যোগ স্থাপন কৰিব নিবিচাৰে—ইয়াত লোকচানৰ অজুহাত দেখুৱাই বাহিৰলৈ লৈ যায়। সেইকাৰণে মই সদনত এইখিনিকে নিবেদন কৰিব বিচাৰিছো যে যিবিলাক উদ্যোগ অসমৰ কেচামাল লৈ গঢ়ি উঠিছে—তাৰ হেড্ অফিচ অন্য ৰাজ্যত যাতে নাথাকে। তেনেকুৱা উদ্যোগ বিলাকৰ বাবে আমাৰ ৰাইজ সুচিন্তিত হোৱা উচিত। সেইকাৰণে মই মুখ্যমন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যে সেইসকলক এনেকুৱা এটা আদেশ দিয়া উচিত যে—ইয়াত যিটো উদ্যোগ হব, তাৰ হেড্ অফিছ ইয়াতেই হব লাগিব—যদি অসমত হেড কুৱাৰ্টাৰ নকৰে তেতিয়া-হলে তেওঁলোকক ইয়াত উদ্যোগ কৰিবলৈ দিয়া নহব। গতিকে তেনেকুৱা এটা দৃঢ়পদাক্ষেপ যদি লব নোৱাৰে তেতিয়াহলে অসমত উদ্যোগ হোৱা কঠিন। গতিকে উদ্যোগ বিলাক অনতিপলমে অনুসন্ধান কৰা অতি দৰকাৰ।

অধ্যক্ষ মহোদয়, এতিয়া মই প্ৰশাসনৰ কথা কব বিচাৰিছো যে—এখন ৰাজ্যত সকলো প্ৰকাৰে উন্নত কৰিবলৈ হলে প্ৰশাসনীয় ব্যৱস্থা টনকিয়াল হব লাগে। কিন্তু দুখৰ বিষয় অসমৰ প্ৰশাসন আজিলৈকে তেনে হৈ উঠা নাই। হোলোক-ঢোলোক অৱস্থা হৈ আছে। অন্যান্য ৰাজ্যলৈ মন কৰিলে দেখা যায় যে —সেই বিলাক ৰাজ্যৰ শিপা নাথাকা লোকক প্ৰশাসনৰ ভাৰ প্ৰায় নিদিয়ে। ৰাজ্যিক প্ৰশাসনত সেই বিলাক কথাৰ থল নিদিয়ে। কেন্দ্ৰৰ পৰা ৰাজ্যিক প্ৰশাসনত সেইবিলাক সমৰ্থিৰ নলয়। কিন্তু আমাৰ অসমত বেলেগ—ওভোতাহে। আগৰ দিল্লী চৰকাৰে ভাবিছিল যে তেওলোকে অসমক বাহিৰৰ পৰা নচলালে অসমক চলাবলৈ অসমৰ মানুহ নাই। সেইকাৰণে তাগৰ অসম চৰকাৰে দিল্লীৰ অনুগ্ৰহত চলি আহিছিল। গতিকে দিল্লীৰপৰা অসমলৈ বিষয়া পঠোৱাৰ কাৰণে অসমত প্ৰগতি হোৱা নাই। আগৰ চৰকাৰৰ দিনত তেনে ধৰণে বাহিৰৰ পৰা বিষয়া অহাৰ আৰু কাম কৰা বিষয়াসকলৰ ওপৰত নিৰ্ভৰশীলতাহোৱাৰ কাৰণে অসমৰ প্ৰগতিত ইমান বাধা মই তাৰ এইটা জলন্ত প্ৰমান দিববিচাৰিছো যে আগৰ চৰকাৰে কৃষিৰ উপদেষ্টা হিচাবে সুদূৰ পাঞ্জাবৰ পৰা ইয়ালৈ আমদানি কৰিছিল। অসমৰ মানুহে খেতি কৰিব নাজানিছিল নে কি? যে তেনেকৈ উপদেষ্টা হিচাবে আনক লব? দ্বিতীয়তে এইটো কথাৰ প্ৰশ্ন হৈছিল আৰু প্ৰশ্নোত্তৰ কালত আমাৰ গ্ৰাম্যউদ্যোগ ডাঙৰীয়াই কৈছিল যে এজন চিফ মাৰ্কেটিং অফিছাৰৰ কাৰণে এজনক নিযুক্তি দিছিল—কিন্তু বহুতো লিখালিখি কৰাত এতিয়া যেনিবা সেই নিযুক্তি বন্ধ হৈ আছে। এতিয়া আমাৰ প্ৰশ্ন হৈছে যে যি জন মানুহে চিলেকশ্যন কমিটিত প্ৰথম স্থান লৈছিল—সেইজন মানুহে কেনেকৈ সেই স্থান পালে। সেই জন মানুহ কোন আছিল? কিন্তু যিজনক বাছি লৈছিল তেওৰ নাম হল শ্ৰীগোপাল কৃষ্ণ শংকৰণ। হায়দৰাবাদৰ মানুহ। শিক্ষাগতঅৰ্হতা মেট্ৰিকুলেট আৰু বয়স ৫২ বছৰ। বেলেগ বেলেগ ঠাইত ২০ টা কোম্পানী ঘূৰি শেষত অসমলৈ আহিছে। তেওঁ বাৰু দৰ্খাস্ত কৰিবলৈ কেনেকৈ পালে? যিজন বিষয়া চিলিকচনত আছিল—সেইজন ইণ্ডাষ্ট্ৰি বিভাগৰ সচিব কাৰণে তেখেতৰ লগত কিবা সম্বন্ধ থাকিব পাৰে। কিন্তু এই সংক্ৰান্তত তেওঁ চিলেকচনত কেনেকৈ প্ৰথম হল? সেই পদৰ বাবে যোগ্যতা থকা অসমীয়া ইঞ্জিনিয়াৰ নাছিল নে?

কিন্তু যথেষ্টতোকৈ যোগ্য ইঞ্জিনিয়াৰ অসমত আছে। গতিকে মই এই খিনিকে কব খুজিছো যে অসম ৰাজ্যৰ প্ৰশাসন অসমৰ মানুহেৰে হব লাগে। অসমীয়া বুলি মই ইয়াকে বুজাইছো যে অসমৰ জলবায়ু সেৱন কৰি, অসমতে থাকি যিসকল ডাঙৰ হৈছে আৰু যাৰ অসমৰ বাহিৰে অন্য ঠাইত নিজৰ ঘৰ বুলিবলৈ নাই, আৰু নিজকে অসমীয়া বুলি গৌৰৱ কৰিব পাৰে সেই সকলকে মই অসমীয়া বুলি কৈছো। সেয়ে মই পুনৰ কৈছো যে অসমৰ প্ৰশাসনৰ খুটাঁটো অসমৰ কাঠেৰে হব লাগে বা হোৱা উচিত।

আন এটা সমস্যা হৈছে, যিটো অকল অসমৰে নহয়, গোটেই ভাৰতবৰ্ষৰে সমস্যা। যিটো সমস্যাই অসমৰ প্ৰগতিত বাধা দিছে—সেইটো হৈছে শ্ৰেণী-বৰ্ণৰ বৈষম্য আমি গণতান্ত্ৰিক সমাজবাদ বিশ্বাস কৰোঁ আৰু আমি সকলো মানুহৰে উন্নতি কামনা কৰোঁ। গতিকে আমাৰ সমাজবাদত আমি জাতি-বৰ্ণৰ বৈষম্য নিবিচাৰোঁ। মহামানব মহাত্মাগান্ধীয়ে শ্ৰেণী ভেদ, বৰ্ণ ভেদৰ বিৰুদ্ধে সংগ্ৰাম কৰি নিজৰ প্ৰাণ ত্যাগ কৰিছিল, সেই কথা সকলোৰে অবগত আমাৰ সংবিধানত অৱশ্যে জনজাতি,অনুসূচিত জাতি আদিৰ বিভেদ ৰখা হৈছে। সেইটো কেৱল ১০ বছৰৰ বাবেহে ৰখা হৈছিল, কিন্তু আজি ৩০ বছৰে সেই বিভেদ আমাৰ ইয়াত চলি আছিছে যিটো আজি আমি সকলোৰে পৰ্য্যালোচনা কৰি চোৱাৰ সময় আহি পৰিছে। আমাৰ মাজত আজি বেক ওৱাৰ্ড ক্লাচ, অ,বি,চ ; এম,া,বি চি, বেক ওৱাৰ্ড ক্লাচ ইত্যাদি নানা ধৰণৰ ক্লাচ ওলাইছে। এই শ্ৰেণী বিলাকৰ ভিতৰত কোনে কিমান চৰকাৰৰ পৰা আদায় কৰিব পাৰে তাৰ এটা প্ৰতিযোগিতা চলিছে।

অধ্যক্ষ মহোদয়, গুজৰাটত ২৯ টা অনুসূচিত জাতিৰ ভিতৰত মাত্ৰ তিনিটাই শতকৰা ৭৬ ভাগ বেছি পাই আছে। তদৰূপ অসমত যিবিলাক অনুসূচিত জাতি, জন-জাতি বা বেকওৱাৰ্ড ক্লাচ আছে তাৰ ভিতৰত যি সকল লোকে যি কোনো কাৰণত শিক্ষা লাভ কৰি আৰ্থিক অৱস্হা ভাল কৰাৰ সুবিধা পাইছে এই সকলেই সকলো সুবিধা লৈছে আনে সেই সুবিধা যে পাইছে সেইটো সন্দেহজনক। সেই কাৰণে মই কব খুজিছো যে আমি যদি সকলো মানুহকে সমানে উন্নত কৰিব খোজোঁ তেনেহলে আমি জাতিগত ভিত্তিত, সম্প্ৰদায়ৰ ভিত্তিত শ্ৰেণী ভাগ নকৰি আৰ্থিক ভিত্তিত কৰিব লাগে। নহলে মানৱ ভিত্তিত ভেদাভেদ আহি পৰিব। সেইকাৰণে বৰ্ণ বা সম্প্ৰদায়ৰ ভিত্তিত শ্ৰেণী ভাগ নকৰি আৰ্থিক ভিত্তিত কৰিব লাগে। ইয়াৰ বাবে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো।

আন এটা শ্ৰেণীৰ কথা মই কব খুজিছোঁ, সেইটো শ্ৰেণী আমাৰ আন শ্ৰেণী-বিলাকৰ ভিতৰত নপৰে। সেইটো হৈছে প্ৰাক্তন সৈনিকৰ শ্ৰেণী, যি সকলে নিজৰ ঘৰ-দুৱাৰ, লৰা-ছোৱালী এৰি দুৰ-সুদুৰত গৈ ২৫-৩০ বছৰ ধৰি দেশক ৰক্ষা কৰি থাকে আৰু অবসৰ লৈ, মনত এক নতুন ছবি লৈ ঘৰলৈ উলটি আহে। কিন্তু, সেইখন ছবি সাধাৰণতে তেওঁলোকে দেখিবলৈ নাপায়হি। মই নিজে এজন প্ৰাক্তন সৈনিক, সেই-কাৰণে মই নিজে ভুক্তভোগী। এই শ্ৰেণীটোৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যথেষ্ট কৰিছে যদিও আমাৰ অসমত প্ৰাক্তন সৈনিকৰ বাবে যি ব্যৱস্হা আছে সেইখিনি কাৰ্য্যকৰী হোৱা নাই। আমাৰ ইয়াত প্ৰাক্তন সৈনিকৰ এখন ষ্টেট বৰ্ড আছে। সেই ষ্টেটবৰ্ডখনৰ যিজন চেক্ৰেটৰী তেওঁৰ কেইব্যাও দপ্তৰথাকে। গতিকে তেওঁ এওঁলোকৰ ওপৰত নজৰ দিব নোৱাৰে। সেইকাৰণে এই বৰ্ডখন পুনৰ গঠন হব লাগে।

আমাৰ অসমত আগতে নাছিল কিন্তু আজি কালি কৰনেল, ব্ৰিগ্ৰেদিয়াৰ আদি হৈছে সেই সকলক ইয়াত লব লাগে। আমাৰ প্ৰাক্তন সৈনিক সকলৰ কামৰ কাৰণে যি বিলাক টকা পইচা আছে সেই সকলো বিলাক কাৰ্য্যকৰী কৰিব লাগে। মই জনামতে প্ৰাক্তন সৈনিক সকলৰ ফান্ডত প্ৰায় ৩৫ লাখ টকা আছে যদিও তাৰ ৩৫ পইচাও প্ৰাক্তন সৈনিকে নাপায়। অলপতে ডিফেন্স দপ্তৰে তেজপুৰ চাৰিদুৱাৰত থকা টিম্বাৰ ফাৰ্মখন প্ৰাক্তন সৈনিক সকলক ক'অপাৰেটিভ বেচিচত দিয়াৰ কথা আছিল। কিন্তু বৰ্ডৰ অমনো-যোগীতাৰ কাৰণে কাৰ্য্যকৰী নহল। আমি ভাবো যে আমাৰ প্ৰত্যেকখন জিলাতে চেই-লাৰচ বৰ্ড থাকিব লাগে। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মূখ্যমন্ত্ৰী মহোদয়ক কব খুজিছো যে প্ৰাক্তন সৈনিক সকলৰ কাৰণে যি বিলাক সুবিধা কেন্দ্ৰীয় চৰকাৰে দিছে সেই বিলাক সুবিধা যাতে অসমত প্ৰাক্তন সৈনিক সকলেও পায় তাৰ কাৰণে চেষ্টা কৰিব লাগে। মই আৰু কব খুজিছো যে ফান্ড কৰ পৰা আহে Army central Welfare Fund,

ISSA Fund, Special Fund for ex-servicemen এই বিলাকৰ পৰা বছৰি টকা আছে। কিন্তু এই টকা কেনেকৈ কি হয় সেই কথা এতিয়াও কব পৰা হোৱা নাই। এক্স চাৰ-ভিচ মেনৰ কাৰণে প্ৰত্যেক জিলাতে মাটি ৰখাৰ নিৰ্দ্দেশ আছে। কিন্তু অসমত কিমান ৰাখিছে নাজানো। এই খিনিতে এটা কথা আগবঢ়াব বিচাৰিছো সেইটো হৈছে প্ৰাক্তন সৈনিক সকল হৈছে দিচিপ্লিন থকা মানুহ। আমাৰ চৰকাৰে যি বিলাক ৰিজাৰ্ভ খুলি দিছে সেই বিলাকত প্ৰাক্তন সৈনিক সকলক লৈ মডেল ভিলেইজ কৰিব পাৰে। তাকে কৰিব পাৰিলে এই মানুহ খিনিৰ বহুত উপকাৰ হব। এই সকলৰ কাৰণে টকা আচুতীয়াকৈ ৰখা আছে কেৱল আমি তেওঁলোকৰ কাৰণে ভাল দৃষ্টি ৰাখিব লাগে। গতিকে মই অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে এই কথা বিলাকৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ কৰিলো। মই বেচি সময় লব বিচৰা নাই। মোৰ বন্ধু শ্ৰীবেজবৰুৱা ডাঙৰীয়াই দুৰ্নীতিৰ কথা কৈ গৈছে। দুৰ্নীতি প্ৰত্যেক স্তৰতেই আছে যোগান বিভাগৰ পৰা আৰম্ভ কৰি যোগান বিভাগৰ কথা সকলোৱেই কৈ গৈছে। গতিকে মই এই খিনিতে সামৰিব খুজিছো। অৱশ্যে যদি অসম চৰকাৰে আমাৰ কথা বিলাক গণ্য কৰে দেশৰ সৰ্বাঙ্গীন উন্নতি হব পাৰে। সেইটোকে কামনা কৰি বিত্তমন্ত্ৰী ডাঙৰীয়াই দাখিল কৰা বাজেট সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ—মাননীয় অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে তেখেতৰ বাজেটৰ বক্তৃতাত ১০ কোটি ৬০ লাখ টকাৰ ঘাটি পৰাৰ কথা কৈছে। কমিউনিস দলৰ দলপতি শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই এই ঘাটি পৰিমান ৩১ কোটি হবগৈ পাৰে বুলি আশংকা প্ৰকাশ কৰিছে। অধ্যক্ষ মহোদয় এটা চৰকাৰ গাদীলৈ আহি নতুন আঁচনি লয়। সেই নতুন আঁচনি বিলাক কাৰ্য্য কৰিবলৈ যাওতে সেই মাটিৰ পৰিমাণ বাঢ়ি যোৱাটো অস্বাভাৱিক নহয়। কিন্তু বিত্তমন্ত্ৰীয়ে বাজেট বক্তৃতাত এই ঘাটি কেনেকৈ পূৰণ কৰিব তাৰ কোনো ইংগিত দিয়া নাই। আমাৰ ৰাজ্যখনৰ বেছিভাগ মানুহ কৰ কাটল দিব পৰা অৱস্হাত নাই। সেয়ে হলেও ৰাজ্যখনৰ এচাম লোকৰ পৰা যথেষ্ঠ কৰ-কাটল সংগ্ৰহ কৰিব পাৰে আৰু আমাৰ ৰাজ্যখনত থকা বহুতো উদ্যোগ, শিল্প প্ৰতিস্হান আৰু অন্য ব্যক্তিৰ পৰা যিসকলে চৰকাৰৰ পৰা যথেষ্ঠ সংখ্যক ৰীণলয় সেইসকলৰ পৰা কেনেকৈ ৰীণ এই বছৰ আদায় কৰিব তাৰ কোনো ব্যৱস্হাৰ ইংগিত এই বাজেট বক্তৃতাত উল্লেখ কৰা হোৱা নাই। মই ভাবো ঘাটিৰ পৰিমাণ যিমানেই নহওক লাগে এই ঘাটিৰ পূৰ কৰিবৰ কাৰণে চৰকাৰে এটা ব্যৱস্হা লব। নহলে এই ঘাটিৰ ব্যৱধানে দেশত মুদ্ৰাস্ফিটিৰ সৃষ্টি কৰিব। এনেয়ে আমাৰ দেশত বস্তুৰ মূল্য বৃদ্ধি পাইছে আৰু ঘাটি পূৰণ কৰিব নোৱাৰিলে বস্তুৰ মূল্য আৰু বৃদ্ধি পোৱাৰ আশঙকা থাকি যায়। মই এই খিনিতে বিত্তমন্ত্ৰীয়ে ডিব্ৰুগড়ত উল্লেখ কৰা এষাৰ কথা কব বিছাৰিছো। কথাটো আসাম ট্ৰিবিউনত ১৫ মাৰ্চত প্ৰকাশ পাইছিল। তেখেতে ১৪ মাৰ্চত ডিব্ৰুগড়ত সাং-বাদিকক কৈছিল আসাম ট্ৰিবিউনৰ শিৰোনামাটো এনেধৰণৰ—

Congress Government leaves treasury empty.

অধ্যক্ষ মহোদয়, ১২ মাৰ্চত নতুন মন্ত্ৰী সভাই শপত গ্ৰৱণ কৰিলে। কিন্তু মন্ত্ৰীয়ে ১৪ মাৰ্চত ডিব্ৰুগড়ত এই কথা কৈছে। মই জনাত ১২ আৰু ১৩ তাৰিখে আমাৰ ৰাজ্যৰ ৱেজ এণ্ড মিনচ পজিচন ভাল আছিল আৰু অভাৰ ড্ৰাফটো নাছিল। আমাৰ সেই সময়ত, ৰিজাৰ্ভ বেংকে ৱাৰ্নিং চিগলেও দিয়া নাছিল। ১৯৭৭-৭৮ চনৰ কাৰণে যি বাজেট পাচ কৰা হৈছিল সেই বাজেট মতে বিভিন্ন বিভাগে টকা খৰছ কৰিছিল। যদি ৰাজকোষত টকাই নাছিল তেতিয়াহলে এই টকা কেনেকৈ খৰছ কৰিলে? আমি জনাত কোনো বিভাগৰ ছেক্ বেংকে অগ্ৰাহ্য কৰি ঘূৰাই দিয়া নাছিল। তাৰ পৰা এইটো স্পষ্ট হয় যে আমাৰ ৰাজকোষ উদং নাছিল। যদি কোনোবা বিভাগে বিল চাবমিট কৰাৰ পিচত সেইবিলাক যদি পেমেণ্ট নকৰি ঘূৰাই দিলেহেতেন তেতিয়াহলে আমি বুজিব পাৰিলোহেতেন ৰাজকোষ সচাঁকৈয়ে উদং। কিন্তু এনে অৱস্হা হোৱা নাছিল। অৱশ্যে বিত্তমন্ত্ৰী মহোদয়ে তাৰ এক সপ্তাহৰ পিচতে কাগজত প্ৰকাশ কৰে যে "আমাৰ বিত্তীয় অৱস্হা ভাল হৈছে।" মাননীয় সদস্য শ্ৰীবৰবৰুৱাক বিত্তমন্ত্ৰীয়ে কৈছিল যে ৩১ মাৰ্চৰ ভিতৰত কেইবাটাও বিভাগে টকা খৰছ

কৰিব নোৱাৰাৰ ফলত বহু কোটি টকা ফিৰত দিয়া হৈছে। এতিয়া এইটো প্ৰশ্ন হৈছে যে ১৪ মাৰ্চত যদি আমাৰ ৰাজকোষ উদণ্ডেই আছিল তেতিয়াহলে ৩১ মাৰ্চত কেনেকৈ বহু কোটি টকা ফিৰাই দিব পাৰিলে।

অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াৰ বাজেট বক্তৃতাৰ দুই পৃষ্ঠাত আছে "পৰিকল্পনা আয়োগে অসমৰ ১৯৭৮-৭৯ চনৰ বাবাৰ্ষিক পৰিকল্পনাৰ আকাৰ ১৫৫ কোটি টকাত নিৰ্দ্ধাৰণ কৰিছে।" পৰিকল্পনাই আমাৰ দেশ খনৰ যথেষ্ট উন্নতি আনিছে। অধ্যক্ষ ডাঙৰীয়া, আপুনি নিজে ১৯৫২ চনৰ পৰা ১৯৬২ চনলৈকে তেতিয়াৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱহৰ লাল নেহৰুৰ দিনত সংসদী সচিব আছিল। সেয়ে পৰিকল্পনাৰ গাথনি আৰু পৰিকল্পনাৰ জৰিয়তে কেনেকৈ টকা পায় আপুনি ভালকৈ জানে। আমাৰ দেশ খনৰ যি উপাৰ্জন, আমাৰ ৰাজ্য খনে নিজৰ ফালৰ পৰা যি খিনি উপাৰ্জন কৰে সেই খিনিৰে আমাৰ কৰ্ম্মচাৰী সকলক দা-দৰ্মহা দিবলৈ আমাৰ নিচিনা সৰু দুখীয়া ৰাজ্যই যেতিয়া বিভিন্ন দিশত কাম কৰিব খোজে তেতিয়া কেন্দ্ৰৰ আশ্ৰয় বিচাৰে আৰু কেন্দ্ৰই পৰিকল্পনাৰ জৰিয়তে টকা দিয়াৰ ব্যৱস্থা কৰে। এই টকাৰ শতকৰা ৭০ ভাগ ঋণ আৰু শতকৰা ৩০ ভাগ অনুদান। নতুন চৰকাৰে পৰিকল্পনাৰ জৰিয়তে ১৫৫ কোটি টকা পাইছে বুলি বিত্তমন্ত্ৰী ডাঙৰীয়াই কৈছে। ১৫৫ কোটি টকাৰ ভিতৰত শতকৰা ৭০ ভাগ ধাৰ অৰ্থাত প্ৰায় ১০৮ কোটি টকা ধাৰ হিচাবে আহিছে আৰু বাকী ৪৭ কোটি টকা অনুদান হিচাবে আহিছে। এই ১০৮ কোটি টকা চৰকাৰে কেনেকৈ পৰিশোধ কৰিব তাৰ ইংগিত নাই। এইটো কথা ঠিক যে আমাৰ নিচিনা ৰাজ্যত ধাৰ লগাব পাৰো, ধাৰ ঘুৰাব পাৰো ধাৰ ঘুৰাই দিয়া ব্যৱস্থা কৰাটো বৰ টান। কাৰণ আমি কেইটামান বিভাগত বিশেষ গুৰুত্ব আৰোপ কৰো। সেই কেইটা হল স্বাস্থ্য আৰু শিক্ষা। শিক্ষা প্ৰসাৰৰ কাৰণে এই নতুন চৰকাৰে আঁচনি লোৱাৰ কথা কৈছে। যি বিলাক গাঁৱত প্ৰাইমাৰী স্কুল নাই, সেই বিলাক গাঁৱত প্ৰাইমাৰী স্কুল পাতি দিয়াৰ কথা কৈছে। প্ৰতি খন গাঁৱত পানী খাবৰ কাৰণে পানী নাদ দিয়াৰ কথা কৈছে। স্বাস্থ্য কেন্দ্ৰ, উপস্বাস্থ্য কেন্দ্ৰ পতাৰ কথা কৈছে। সেই বিলাকত যি টকা আহিব সেই বিলাক অনুদান হিচাবে নাহে, ঋণ হিচাবে আহিব। কিন্তু আমি প্ৰতি খন গাঁৱত বিদ্যালয় পাতিব লাগিব, প্ৰতি খন গাঁৱত আমি পানী যোগান দিব লাগিব, স্বাস্থ্য কেন্দ্ৰ পাতিব লাগিব, উপস্বাস্থ্য কেন্দ্ৰ পাতিব লাগিব। এই বিলাক হৈছে জনকল্যাণ ৰাষ্ট্ৰৰ জনকল্যাণ মূলক কাম। এই কাম বিলাক কৰিবলৈ যাওঁতে ঋণ হিচাবে টকা আনিলেও পৰিশোধ কৰিবৰ কাৰণে আমি ৰাইজৰ ওচৰত যাব নোৱাৰো। শিক্ষা টেক্স, স্বাস্থ্য টেক্স লগাব নোৱাৰো। অহা টকাটো দান হিচাবে নাহে ঋণ হিচাবত আহে।

অধ্যক্ষ ডাঙৰীয়া, এই বাজেটৰ পৰিপূৰক বাজেটত বিত্তমন্ত্ৰী ডাঙৰীয়াই বিদ্যুৎ বিতৰণৰ কথা কৈছে। এই বছৰ এহেজাৰ খন বৈদ্যুতিকৰণ কৰাৰ ব্যৱস্হা কৰা হব। ভাল কথা হৈছে গ্ৰাম্যাঞ্চল বৈদ্যুতিকৰণ কৰিব লাগিব। মই জনামতে যি খিনি টকা পাব খুজিছে এই গ্ৰাম্যাঞ্চল বৈদ্যুতিকৰণ আঁচনিত, তাৰ পৰিমাণ হল ৩০ কোটি টকা। এই ৩০ কোটি টকাৰ ২৭ কোটি টকা ঋণ। আমাৰ দেশৰ কাৰণে পৰিকল্পিনা মানেই ধাৰ, পৰিকল্পনা মানেই ঋণ। যি পৰিকল্পনাই নকৰো লাগে কেন্দ্ৰই শতকৰা ৭০ ভাগ ধাৰ হিচাবে পঠিয়ায় আৰু ধাৰৰ বোজা ক্ৰমশঃ বাঢ়ি গৈছে। আমাৰ বানানিয়ন্ত্ৰণৰ কথাত কব পাৰি যে ডিব্ৰুগড় নগৰৰ নিচিনা অন্যান্য অঞ্চল ব্ৰহ্মপুত্ৰৰ কবলৰ পৰা ৰক্ষা কৰিবৰ কাৰণে বান্ধ নিৰ্ম্মাণ কৰো। ডিব্ৰুগড়ৰ নিচিনাকৈ অসমৰ বিভিন্ন অঞ্চলৰ নগৰত স্পাৰ নিৰ্ম্মাণ কৰি নগৰ ৰক্ষা কৰাটো জাতীয় কাম। এইবাৰ আমৰ চৰকাৰে ১০ কোটি টকা পৰিমাণৰ ধন বানানিয়ন্ত্ৰণ বিভাগত আনিব।

মই জনামতে এই খিনি সম্পূৰ্ণ ঋণ। মই জনামতে এতিয়ালৈকে অসমত এই কাম কৰিবৰ কাৰণে বানানিয়ন্ত্ৰণ বিভাগে ৮০ কোটিতকৈও বেচি টকা আনিছে। সকলো ঋণ।

আজি আমি ব্ৰহ্মপুত্ৰৰ পাৰত থকা কোনো ব্যক্তিক, ডিব্ৰুগড় নগৰবাসীক ডিব্ৰুগড় খন ৰক্ষা কৰিবৰ কাৰণে বান্ধ দিছে বুলি, স্পাৰ দিছে বুলি বান্ধ টেক্স লগাব নোৱাৰো।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) —ঃডিব্ৰুগড়ত লগোৱা হৈছে।

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ—অসমৰ বিভিন্ন অঞ্চলত বান্ধ নিৰ্ম্মাণ কৰা হৈছে, স্পাৰ দিছে, সেই বিলাকৰ কাৰণে এতিয়াও ঋণ হিচাবে আছে, সেই খিনি পৰিশোধ কৰিবৰ কাৰণে কৰ লগাব পৰা নাই।

জলসিঞ্চনৰ কথা কৈছে। দেশখনত বতৰৰ ওপৰত নিৰ্ভৰ কৰি খেতি কৰিলে নহব। আমি বাইজক খেতি কৰিবৰ কাৰণে সুবিধা কৰি দিব লাগিব। দুটা তিনিটা খেতি কৰাৰ ব্যৱস্থা কৰিব লাগিব। সেয়ে আমাৰ চৰকাৰে এই বছৰ প্ৰায় ২৩ কোটি ১৭ লাখ টকা অনাৰ কথা বাজেট বক্তৃতাত উল্লেখ কৰিছে। এই ২৩ কোটি টকা ঋণ হিচাবে আহিব। আমাৰ পৰিকল্পনাত টকা বিলাক ঋণ হিচাবে আহে। পৰিশোধ কৰিবৰ কাৰণে কৰ-কাটল লগোৱাৰ ব্যৱস্থা কৰিব লাগিব। আমাৰ দেশৰ এই অৱস্থাত এনে কৰ-কাটল লগোৱাটো সম্ভৱ হৈ নুঠে। মাননীয় সদস্য শ্ৰীবেজবৰুৱা ডাঙৰীয়াই ঠিকেই কৈছে যে আমাৰ দেশত থকা চাহ তেল আদিৰ ক্ষেত্ৰত বিশেষ ভাৱে যদি কৰ-কাটল সংগ্ৰহৰ ব্যৱস্থা কৰিব পাৰো তেন্তে ধাৰ বহুত খিনি কমাব পাৰো। শিক্ষাৰ ক্ষেত্ৰত ভালে কেইটা কথা উল্লেখ কৰিছে।

অধ্যক্ষ ডাঙৰীয়া, আজি শ্ৰীবেজবৰুৱা ডাঙৰীয়াই আমাৰ বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে দিয়া চাৰে তিনি কোটি টকা খৰচ কৰিব নোৱাৰা কথা কৈছে। খা-খবৰ লৈ যি গম পালো এই টকা শিক্ষা বিভাগে পোণপটিয়া দায়িত্বত নলয়। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে কলেজ বিলাকক, বিশ্ববিদ্যালয় বিলাকক বিভিন্ন শিতানত মঞ্জুৰী দিয়ে। বিল্ডিং গ্ৰাণ্ট, লাইব্ৰেৰী গ্ৰাণ্ট, লেবৰেটৰী গ্ৰাণ্ট, গাৰ্লচ্ কমনৰুম গ্ৰাণ্ট আদি গ্ৰাণ্ট দিয়ে। এই গ্ৰাণ্ট বিলাক আনিবৰ কাৰণে কলেজ খনে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগলৈ দৰ্খাস্ত কৰে। বিশ্ববিদ্যালয়ে সেই কাগজ খন ৰিকমেণ্ড কৰি বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগলৈ পঠিয়াই দিয়ে। কাগজ পত্ৰ ঠিক পালে মঞ্জুৰ কৰে। চৰকাৰে গম নাপায়। কলেজ খনৰ অৱস্থা বেয়া হলে মেট্‌চিং গ্ৰাণ্টৰ কাৰণে চৰকাৰৰ ওচৰত আহে। তেতিয়া সেই টকা ইচ্ছা কৰিলে, দয়া কৰিলে দিবলৈ দিয়ে। শিক্ষা বিভাগৰ দায়িত্ব লোৱাৰ পিচত ব্যক্তিগত ভাবে এই ধৰণৰ যিমান কলেজ আৰু বিশ্ববিদ্যালয় বিশ্ববিদ্যাল মঞ্জুৰী আয়োগৰ পৰা বিভিন্ন গ্ৰাণ্ট পাইছে, মেট্‌চিং গ্ৰাণ্টৰ ব্যৱস্থা কৰিছিলো। এই বছৰ চাৰে সাত লাখ টকা বিভিন্ন কলেজক মেট্‌চিং গ্ৰাণ্ট হিচাবে দিয়া হৈছে। এই কথাটো জনতা চৰকাৰে কৰি থাকিলে ভাল কথা হব। এই পৰামৰ্শ শ্ৰীবেজবৰুৱা ডাঙৰীয়াই দিছে। শিক্ষাৰ ক্ষেত্ৰত বাজেট বক্তৃতাত বিত্তমন্ত্ৰী ডাঙৰীয়াই দশম মান শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা দিয়াৰ কথা কৈছে। দশম মান শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা কৰা কথাটো নিশ্চয় আমাৰ দেশৰ কাৰণে ভাল কথা। তেখেতৰ পৰিপূৰক বাজেট বক্তৃতাৰ ৪১ পৃষ্ঠাত আছে The Government has further decided free education to the children upto class X whose parents, monthly income is below Rs. 600 00 per month

উপাধ্যক্ষ মহোদয়, মই ভাবো যে, আমাৰ যি সকল অভিভাৱকৰ বছেৰেকীয়া আয় ৬ হাজাৰৰ কম সেই সকলৰ লৰাছোৱালীক দ্বাদশ শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। নিশ্চয় ইয়াৰ কাৰণেও টকা আছে। কিন্তু দশম মানলৈকে বিনামূলীয়া শিক্ষা দিয়াৰ ক্ষেত্ৰত সম্পূৰ্ণ বিনামূলীয়া নকৰি ধনী লোকৰ কাৰণে কিয় বিনামূলীয়া কৰিব লাগে মই বুজি নাপাও। এইটো নিশ্চয় জনতা চৰকাৰে মানি নলব কাৰণ তেখেত সকলে এইটো নীতি হিচাবে লৈছে। আমাৰ এই বছৰৰ বাৰ্ষিক পৰিকল্পনাত আমি জনামতে যিখিনি টকা শিক্ষা বিভাগৰ কাৰণে দিছে, সেইখিনি টকা কেন্দ্ৰীয় চৰকাৰে শিক্ষাৰ

শিতানত তিনিটা বিষয়ত খৰচ কৰিবলৈ দিছে। প্ৰথমতে প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষাৰ কাৰণে, দ্বিতীয়তে প্ৰাপ্ত বয়স্কৰ শিক্ষাৰ কাৰণে আৰু তৃতীয়তে ১০-২-৩ কাৰণে খৰচ কৰিবলৈ দিছে। ইতিমধ্যে ১০-২-৩ শিক্ষা ব্যৱস্থা ৮-৪ কৰাৰ কথা কেন্দ্ৰত উঠিছে। অৱশ্যে এই বিষয়ে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰীয়ে এতিয়ালৈকে একো জনোৱা নাই। আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে প্ৰাপ্ত বয়স্কৰ শিক্ষাৰ কাৰণে কি আঁচনি লৈছে এই বিষয়ে সদনত জনালে সুখী হম। মাননীয় সদস্য বেজবৰুৱা ডাঙৰীয়াই বেকওৱাৰ্ড ক্লাচৰ কথা কৈছে। অৱশ্যে এইটো শিক্ষা বিভাগত প্ৰযোজ্য হোৱা নাই। তেখেতে প্ৰাদেশিকৰণৰ কথাও উল্লেখ কৰিছে। যি কি নহওক, তেখেতে এইটো ৰাজনৈতিক সিদ্ধান্ত বুলি কৈছে। কিন্তু আমি জনামতে অসমৰ হাইস্কুল আৰু এম,ই স্কুলৰ শিক্ষাৰ সংক্ৰান্তত চৰকাৰলৈ পঠোৱা প্ৰস্তাৱৰ চিঠিত চৰকাৰী কৰ্ম্মচাৰী সকলৰ মাজত দৰমহাৰ যিটো বৈষম্য সেইটো আতৰ কৰিবলৈ চাব লাগে। ইয়াৰোপৰি চৰকাৰী কৰ্ম্মচাৰী সকলে যি সকলে সুবিধা পায়, হাউচ ৰেণ্ট পায়, মেডিকেল এলাউন্স পায়, পেন্সন আদি পায়, সেইবিলাক সুবিধা অসমৰ শিক্ষক সকলে পোৱা নাই। গতিকে শিক্ষক আৰু কৰ্ম্মচাৰীৰ মাজত থকা দৰমহাৰ বৈষম্য দূৰ কৰি যদি প্ৰাদেশিকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে তেনেহলে এইটো সৌভাগ্য জনক কথা হব।

উপাধ্যক্ষ মহোদয়, ভূমি সংস্কাৰ সম্পৰ্কে কেইটামান কথা কব খুজিছো কাৰণ আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে এখন সাংবাদিক মেলত কোৱা কথা বাতৰিত প্ৰকাশ পাইছিল আৰু মূখ্য মন্ত্ৰী মহোদয়ে সেই সংক্ৰান্তত কেইটামান কথা ৰাজ্যপালৰ ভাষণত উত্তৰ দিওতে কৈছিল। তেখেতে কৈছে যে, মন্ত্ৰীয়ে কাগজত লিখি বিতৰণ কৰিবলৈ মানুহে মাটি নাপায়। মূখ্যমন্ত্ৰী বা আন মন্ত্ৰীয়ে কাগজত লিখি দিলেই মাটি নাপায়। তাৰোপৰি সেই কাগজত ডি, চি, এচ, দি, চি আৰু এচ, ডি অৱ চহি সেই কাগজত থাকিব লাগিব। এই সম্পৰ্কত মই নিজৰ এলেকাত চাইছিলো সেই অঞ্চলত ১৫ হাজাৰৰ অধিক লোকে খতিয়ান আৰু ৰায়তি স্বত্বৰ কাগজ পাইছে আৰু তাত দি, চি, এচ, দি, চি আৰু এচ, দি, অৰ চহি আছে।

উপাধ্যক্ষ মহোদয়, মই ভাবো ১৯৭৫ চনত ৫০ বিঘাৰ বেচি মাটি থকা মানুহৰ মাটি অধিগ্ৰহণ কৰি ২ বছৰৰ ভিতৰত ২ লাখ ২৬ হাজাৰ ৩১ টা পৰিয়ালক ২ লাখ ২৪ হাজাৰ ২ শ একৰ মাটি বিতৰণ কৰাতো ডাঙৰ কাম কাৰণ কাগজ পাইছে মাটি পোৱা নাই। গতিকে এই বিষয়টো চৰকাৰে ভালকৈ চাব পাৰে কোনে মাটি পাইছে আৰু কোনে পোৱা নাই। অৱশ্যে দুই লাখ ২৬ হেজাৰ, ৯৯১টা পৰিয়ালক মাটি দিয়াটো ডাঙৰ কথা হৈছে। ইতিমধ্যে মাটি দিয়া লোক সকলক হেক্টৰে প্ৰতি ২৫০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে। সেই টকা ব্যক্তি সকলে গৈ এচ, দি, চিৰ অফিচৰ পৰা আনিব লাগে। কিন্তু ১০-১২ দিন গৈ টকা নাপালে ৰাইজে এশ টকা এৰি ১৫০ টকা লৈ আহে। গতিকে বিত্তমন্ত্ৰী মহোদয়ে ৰাজহ বিভাগৰ জড়িয়াতে তদন্ত কৰিব লাগে। শিল্প উদ্যোগৰ ক্ষেত্ৰত মই কওঁ যে উদ্যোগীকৰণ কৰাৰ ক্ষেত্ৰত এতিয়াও কোনো পণ্ট নীতি লোৱা হোৱা নাই। আমাৰ নতুন মন্ত্ৰী সভাৰ দুজন মন্ত্ৰীয়ে অসমৰ শিল্পৰ ক্ষেত্ৰত বিভিন্ন মত প্ৰকাশ কৰিছে। শিল্প মন্ত্ৰী জগন্নাথ সিংহ ডাঙৰীয়াই কৈছে যে his Government would welcome business magnates from the rest of India or from outside India to establish industries in Assam এইটো ভাল কথা কৈছে। অসমত উদ্যোগৰ কাৰণে বাহিৰৰ লোক আছে, ইয়াত আপত্তি কৰিবনালাগে। যি সকলে কাম কৰে সেই সকল অসমৰ মানুহ। আন এজন বিদ্যুত মন্ত্ৰীয়ে শ্ৰীগোলাম ওচমানী ডাঙৰীয়াই কলিকতাত কৈছে no fresh industrial licence is being sanctioned in Assam because of the power deficit in the State and that industrialists who had approached the State Government for setting up units have been told that they would have to wait till 1980-81.

তেখেত কব খুজিছে ১৯৮১ চনলৈকে উদ্যোগৰ লাইচেন্স দিব নোৱাৰে কাৰণ পাৱাৰ নাই। গতিকে এই মন্ত্ৰী দুজনাৰ কথা কন্টাদিক হৈছে। গতিকে ইয়াৰ উত্তৰ পালে ভাল হয়।

মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে নিবনুৱাৰ কথা কৈছে। এই ক্ষেত্ৰত মই এটা কথা কব বিচাৰিছো যে অসমত ই, এম স্কীম কৰিলে বিভিন্ন ঠাইত নিবনুৱা শিক্ষিত যুবকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰি নিবনুৱা সমস্যাৰ কিছু সমাধান কৰিব পৰা হব। আজি কালি বহুতো নিবনুৱা শিক্ষিত যুবকে টেক্সী, অটো আৰু অন্যান্য উদ্যোগ পাতিছে। মৰিগাঁও মহকুমাত বিষয়া সালসলনি উজান উঠিছে। কোনোবা জনৰ হয়তো দুবছৰেই হোৱা নাই। বদলি কৰিবৰ কাৰণে দিছপুৰলৈ আহিছে। এই কামত এজন প্ৰাক্তন বিধায়কে নেতৃত্ব দিছে। তেখেতে আহে আৰু কোনোবা এজনক ধৰেহি। অকো আহে ট্ৰেন্সফাৰ ষ্টে কৰাবৰ কাৰণে। এইদৰেই এই বিলাক হৈ আছে। কেনোবা জন হয়তো দহমাহমানহে আছিল। এই যি জন প্ৰাক্তন বিধায়কৰ কথা কোৱা হৈছে তেখেতে এই বিধান সভাৰে ১০ বছৰ কাল বিধায়কহে আছিল। আগেয়ে তেখেতে মৰিগাঁৱত নাছিল কিন্তু এতিয়া তেখেত তাত থাকিয়েই লৈছে। গতিকেই এই বিষয়টো চাবৰ কাৰণে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। ৰাজ্যপালৰ ভাষণৰ বিৰ্তকৰ উত্তৰত মাননীয় মুখ্যমন্ত্ৰীয়ে এটা ভাল কথাই কৈছিল যে, নেতা, বিষয়া আৰু ব্যৱসায়ীৰ এটা সম্পৰ্ক আছে। তেখেতে কৈছিল যে, নেতাসকল সত হলে বিষয়া সত হব আৰু বিষয়া সত হলেহে ব্যৱসায়ীলোক বিলাকো সত হব। এই সম্পৰ্কতে মই এজন নেতাৰ কথা জনাব লগীয়া হৈছে। তেখেত কংগ্ৰেছত থাকি পৌৰ সভাৰ সভাপতি হৈ আছিল। তেখেতে এক লাখতকৈও বেছি টকা আত্মসাত কৰিলে। এই সম্পৰ্কে লোকেল একাউন্টৰ অডিটে এই বুলি মন্তব্য কৰিছিল যে, "এনেকৈ লুণ্ঠন কৰা এইটোৱেই প্ৰথম আৰু শেষ যেন লাগিছিল।" এনেকুৱাও কৰিলে যে, শিৱসাগৰ ট্ৰেজাৰীৰ পৰা একেটা এমাউন্টকে দুবাৰ দ্ৰ কৰিছে। এমাণ্টটো আছিল ১৯,৬৮০ টকা। সেই মানুহ জনেই আজি জনতা দলৰ হৰ্ত্তাকৰ্ত্তা। সঘনেই তেওঁ দিছপুৰলৈ অহাযোৱা কৰে। আমি বিচাৰো দেশখন ভাল হওঁক। সেই কাৰণেই মই আমাৰ মাননী মুখ্যমন্ত্ৰীক এইটো কব খুজিছো যে, দেশখন ভাল হোৱাৰ কাৰণে কথাই কমে যতে এক হব পাৰি তাৰ কাৰণে যন্ত্ৰপৰ হব লাগিব।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)ঃ মানুহ জনৰ নামটো কলে ভাল হব।

শ্ৰীহিতেশ্বৰ শইকীয়াঃ মাননীয় অধ্যক্ষ মহোদয়, নামটো কব পাৰি কিন্তু যি সকলে ইয়াত ৰক্ষণাবেক্ষণ নেপাব সেই সকলৰ নাম নোকৱাই ভাল। আগতে সাধাৰণ মানুহ কিছুমানৰ নাম কোৱাৰ নজিৰো আছে। হলেও আমি সদনৰ পৱিত্ৰতা আৰু মৰ্য্যদা ৰক্ষা কৰি চলিব লাগিব। আমাৰ মাননীয় সদস্য শ্ৰীতাৰিণীমোহন বৰুৱাদেৱে কইটামান নীতিৰ কথাই কলে। তেখেত সকলৰ দলৰ লোকৰ বিষয়েই কৈছে। অৱশ্যে তেখেত সকলৰ দলৰ বিষয়ে কোৱাৰ আমাৰ অধিকাৰ নাই। যোৱা ৩০ বছৰৰ কংগ্ৰেছী শাসনক কু শাসন বুলি আখ্যা দিয়া হৈছে। এই কথাটো আমাৰ মাননীয় সদস্য শ্ৰীধনীৰাম ৰংপী ডাঙৰীয়াই কোৱা সাধুটোৰ নিচিনাই হৈছে। কংগ্ৰেছৰ লগত জাড়ত লোকেই আজি জনতা দলত সোমাইছে। তাৰে পৰি, আচৰিত কথা হৈছে যে, কংগ্ৰেছৰ লগত ওতঃপ্ৰোত ভাৱে জাড়ত লোকেই আজি মন্ত্ৰী সভাতো সৌন্দৰ্য্য বঢ়াইছে। কোনো উপসভাপাত হৈছে। সেয়েহে জনতা দলত আজি ইমান লোকৰ সংখ্যা বাঢ়ছে। আমাৰ ফালে একেবাৰে নাইকীয়াই হৈ গৈছে। কংগ্ৰেছৰ কুশাসনৰ লগত জাড়ত লোক-সকলৰ লগত জনতা দলৰ ইমান প্ৰেম কিয়? এই খিনি কৈয়েই মই সামৰণী মাৰিলো।

*শ্ৰীমতী আনোৱাৰা টাইমুৰ ঃ—মাননীয় মহোদয়, অসমত নতুন চৰকাৰ গঠন কৰাৰ পিছত মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে যি এখন বাজেট দাঙি ধৰিছে সেই বাজেটত অসমৰ ৰাইজে যথেষ্ঠ নতুন আশা ৰেঙনী থকা আৰু জনকল্যাণমূলক উদ্দেশ্য পূৰ্ণ বাজেট এখন ডাঙি ধৰিবৰ বুলি আশা কৰিছিলো। কিন্তু যেতিয়া এই বাজেট দাঙি ধৰা হল তেতিয়া দেখা গল যে, জনসাধাৰণৰ সেই আশাৰ ৰেঙণি ইয়াত দেখা পোৱা নগল। এই বাজেটত মাননীয় অন্যান্য সদস্যই কোৱাৰ দৰে ১০ কোটি ৬০ লাখ টকাৰ ঘাটিৰ বাহিৰে অন্য নতুন কথা ইয়াত দেখা পোৱা নেযায়। উদ্যোগীকৰণৰ ক্ষেত্ৰত নতুন কোনো দিশৰ অবতাৰণা ইয়াত কৰা হোৱা নাই। অসমৰ বৰ্দ্ধিত নিবনুৱা সমস্যা সমাধান কৰাৰ কাৰণেও কোনো ব্যৱস্থাৰ ইয়াত ইঙ্গিত নাই। উদ্যোগীকৰণৰ ক্ষেত্ৰত যদি কোনো নতুন আঁচনি লোৱা নহয় তেতিয়া হলে নিবনুৱা সমস্যা সমাধানত আমি কেতিয়াও কৃতকাৰ্য্য হব নোৱাৰিম। সেই কাৰণেই আগৰ বাজেটবোৰৰ নিছিনাকৈ বেংক ৰাষ্ট্ৰীয় কৰণ আদিৰ নিছিনা আঁচনি বিলাকৰ কোনো কথা অবতাৰণা নকৰাকৈ এই বাজেট উথ্থাপন কৰাত ভৱিষ্যতৰ কোনো আশাৰ ৰেঙণি নেদেখি আমাৰ অসমৰ যুৱক সকলৰ আৰু আমাৰ ৰাইজ সকল আজি আতংকিত হৈ পৰিছে। যি বোৰ পৰিকল্পনাৰ প্ৰকল্প আদি অসমত স্থাপন কৰিছে যেনে বি, আৰ, পি, এল আদিত সেইবিলাকত সকলোৱে দেখাই পাইছে যে, তাত অমাৰ স্থানীয় যুৱক সকলে কোনো সা-সুবিধা আদি পোৱা নাই। সেয়ে হে আনকি আমাৰ ইঞ্জিনিয়াৰিং ছাত্ৰ সকলে ধৰ্ম্ম ঘট কৰি আন্দোলন পৰ্য্যন্ত কৰিবলৈ আৰম্ভ কৰিছে। আনকি ট্ৰেইনিঙত পথাৰৰ কাৰণেও চিলেকশ্চনত আমাৰ যুৱক সকলে স্থান পোৱা নাই। সেই কাৰণেই এই বিষয়ে মই আমাৰ নতুন চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ।

সেয়েহে মই আজি আপোনাৰ জৰীয়তে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষন কৰিছোঁ যাতে আমাৰ অসমত থকা যি সকল থলুৱা যুৱক আছে বিশেষকৈ যিবিলাক অহৰ্-তা সম্পন্ন যুৱক আছে, মই অকল অসমীয়া যুৱকৰ কথা কোৱা নাই, অসমত বাস কৰা সকলো যুৱকৰে কথা কৈছো, এইথলুৱা যুৱক সকলৰ মাজত যাতে কোনো ধৰণৰ বৈষম্য নহয় আৰু এই যুৱক সকলৰ মাজত যাতে আন্দোলন গঢ়ি নুঠে তাৰ বাবে যাতে কেন্দ্ৰীয় চৰকাৰৰ লগত আমাৰ চৰকাৰে যোগাযোগ কৰি ইয়াৰ এটা আশুমীমাং-সা কৰে। আমাৰ কিছুমান অফিচ দিল্লীত আছে, তাৰোপৰি দিল্লীত থকা আমাৰ কাৰখানাৰ হেড অফিচ প্ৰেট্ৰোকেমিকেল কম্পেক্স ইত্যাদি যিবিলাক অফিচ আছে তাৰ চিলেকশ্যন দিল্লীতহে হয় গতিকেই মই কব খোজো যাতে এই বিলাক অনুষ্ঠানৰ যিবিলাক পৰীক্ষা বা ইন্টাৰভিউ হয় সেইবিলাক আমাৰ ইয়াতে পাতিব লাগে আৰু আমাৰ থলুৱা যুৱক সকলে যাতে ইয়াতে পৰিক্ষাত বহিব পাৰে। এই বিষয়ে যত্ন লবৰ কাৰণে মই মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো। জনতা দলৰে এগৰাকী সদস্যই কৈ গৈছে আমাৰ কাম কৰাৰ কাৰণে টকাৰ কোনো নাটনি নাই কিয়নো কেন্দ্ৰীয় চৰকাৰে যথেষ্ট টকা দিব, সেইটো উত্তম কথা যদি প্ৰকৃততেই টকা থাকে অসম আগবাঢ়ি যোৱাৰ কাৰণে কোনো অসুবিধা নহব। ইয়াৰ দ্বাৰা আমাৰ অসমত চলি থকা বহুতো সমস্যা সমাধান হব বুলি মই আশা কৰিব পাৰো। কিন্তু এতিয়াও

*Speech not corrected

আমাৰ বহুতো সমস্যা আছে যিবিলাক সমাধান কৰিবলৈ আমি আগবাঢ়ি যাব পৰা নাই। যেনেকৈ বঙ্গাইগাওঁৰ পৰা তিনিচুকীয়ালৈ যি ব্ৰডগেজ ৰেইলওৱে লাইন সম্প্ৰসাৰণ কৰাৰ কথা অসমৰ ৰাইজে আজি বহু দিনৰে পৰা চিঞৰি আছিল আৰু যিটো নোপোৱাৰ কাৰণে অসমৰ ৰাইজ হতাশ হৈ পৰিছে এই ব্ৰডগজ হোৱা হলে অসমৰ বহু খিনি কাম সুচাৰুৰূপে সমাধা কৰিব পৰা গলহেতেন আৰু আমাৰ যোগাযোগৰ ব্যৱস্থা সুচল হল হেতেন কিন্তু আজিলৈকে সেই বিষয়ে চৰকাৰৰ কোনো স্পষ্টিকৰণ নাই।

(ভইচ-অলপ ধৰ্য্য ধৰক)

উপাধ্যক্ষ মহোদায় ইয়াৰ বাহিৰেও ২।৩ দিন মান আগতে খবৰ কাগজত দেখিবলৈ পাইছোঁ যে আমাৰ প্ৰধান মন্ত্ৰীয়ে কাগজত বিবৃতি দিছিল যে বস্তুৰ দাম কমি গৈছে কিন্তু আজি বস্তুৰ দাম কত কমি গৈছে সেইটো আমি নাজানিলো। অইন বস্তু যিবিলাক অত্যাৱশকীয় আছে যিবিলাক বস্তু নহলে আমাৰ দুখীয়া ৰাইজ জীয়াই থাকিব নোৱাৰে তেনে বিলাক বস্তুৰ দামো এতিয়া কমা নাই আৰু যদি কৰবাত কমিছে সেই বিষয়ে আমি একো গম পোৱা নাই। অলপতে কেন্দ্ৰীয় মন্ত্ৰী জৰ্জফাণেনদাইজ অসমলৈ আহিছিল তেতিয়া তেখেতে কৈছিল যে যে নিমখৰ দাম ০.৪০ পইচালৈ কমাই অনাৰ ব্যৱস্থা কৰা হব। কিন্তু সেই দাম কমিলে নে নাই গম নাপালো। আমাৰ যি সকল গৰীব শ্ৰেণীৰ লোক তেওঁলোকে কেৱল নিমখ ভাত খাইয়েই জীৱন কটাব লগীয়া হয় সেই সকলেও আজি নিমখ এটকাকৈ কিনিব লগীয়া হৈছে, গতিকে তেওঁলোকে কেনেকৈ চলিব? সেই কাৰণে আজি অসমৰ সমূহ ৰাইজ বস্তু-বাহানীৰ চৰা দামত অতিষ্ঠ হৈ বস্তুৰ দাম নকমাৰ কাৰণে আন্দোলনমূখী হৈ পৰিছে, অসমত জিলাই জিলাই যিবিলাক মহীলা সমীতি আছে আৰু আন আন অনুষ্ঠানবোৰে এই বস্তু বাহানীৰ দাম নকমাৰ কাৰণে আৰু বিশেষকৈ এই ঘাটি বাজেট দেখি আতংকিত হৈছে, সকলোয়ে আশা কৰিছিল জনতা চৰকাৰ হোৱাৰ পিচত বস্তুৰ দাম কমি যাব। প্ৰধান মন্ত্ৰীয়ে কৈছে যে বস্তু-বাহানীৰ দাম কমি গৈছে কিন্তু আজি কিয় অসমত বস্তু-বাহানীৰ দাম কমা নাই? আজিলৈকে অসমৰ কলা বেপাৰী আৰু চোৰাং বেপাৰীৰ বিৰুদ্ধে কোনো ব্যৱস্হা লব পৰা নাই ইয়াৰ কাৰণ কি? তেওঁলোকৰ লগত কিবা যোগাযোগ আছে নেকি? অসমত খাদ্য বস্তুৰ দামো কমাব পৰা নাই। জনতা দলৰে এজন সদস্যই চাপলাই বিভাগৰ এজন পাৰ্টিৰ কথা উল্লেখ কৰিছে, তেখেতেই জানে বস্তু-বাহানীৰ দাম কিয় কমা নাই, যোৱা বছৰ আৰু এই বছৰ অসমত জনতা দল গঠন হোৱাৰ পিচৰে পৰা কেৱল আগৰ চৰকাৰক গালি-শৰ্পানি আৰু সমালোচনা কৰোতেই ব্যস্ত হৈ আছে, তাকে কৰিলে আমাৰ ৰাইজ সন্তুষ্ট নহব। সেই বাবেই আমাৰ ৰাইজে দেখিবলৈ পাইছে যে আজামগড়ত জনতা পাৰ্টিক ৰাইজে সমৰ্থন জনোৱা নাই। সকলোয়ে জানে যে উত্তৰ প্ৰদেশ ভাৰতবৰ্ষৰ ভিতৰতে ডাঙৰ প্ৰদেশ, এই প্ৰদেশৰ পৰাই লোক সভাৰ অ টাইতকৈ বেচি সদস্য নিৰবৰ্বাচিত হৈ আছে আৰু ভাৰতবষৰ কেন্দ্ৰীয় চৰকাৰ নিয়ন্ত্ৰন কৰে এই প্ৰদেশতেই দুটা বিধান সভাৰ সমষ্টিত জনতা পাৰ্টি ৰাইজৰ আস্হাভাজন হব পৰা নাই। সেইকাৰণেই তেওঁলোকে কি অসুবিধাৰ কাৰণে ৰাইজৰ আস্হাভাজন হব পৰা নাই আৰু ৰাইজে কি বিচাৰে সেইটো চাবলগীয়া। অসমত নতুন চৰকাৰ গঠন হোৱাৰ পাচত আমি খবৰ কাগজত দেখিবলৈ পালো যে স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ মাচুল ৰেহাই দিয়া হব আৰু ১০ বিঘালৈকে মাটিৰ খাজনা মাফ দিয়া হব কিন্তু সেইবিলাক জানো আজিলৈকে কাৰ্য্যত পৰিনত কৰিব পাৰিলে? আজিয়ো স্কুলৰ ফিজ মাফ দিয়াৰ চাৰ্কলাৰ দি, পি, আই অফিচৰ পৰা স্কুল বিলাকলৈ যোৱা নাই ফলত বহুতো স্কুলত ফিজ নিদিয়াৰ কাৰণে ল'ৰা-ছোৱালীৰ নাম কাটি দিছে আৰু কৈছে যে সেইবিলাক কাগজতহে আছে আমি তাৰ কোনো অৰদাৰ পোৱা নাই। আনহাতেদি অভিভাৱকেও লৰা-ছোৱালীক ফিজ দিয়া নাই কিয়নো তেওঁলোক গাঁৱলীয়া হোজা মানুহ। তেওঁলোকে কথাবিলাক চিধা-চিধিকৈ বুজে। আকৌ ১০ বিঘালৈকে খাজনা ৰেহাই দিয়াৰ ক্ষেত্ৰত একেই কথা হৈছে। বহুতো ঠাইত ৰাইজে খাজনা আদায় নিদিয়াৰ কাৰণে তেওঁলোকৰ ঘটিলোটা বাতি ক্ৰোক কৰি লৈ গৈছে অথচ কাগজত দিছে ১০ বিঘালৈকে খাজনা মাফ দিয়া হৈছে।

*শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ— আমি 'ৰিট্ৰোস্পেকটিভ এফেক্ট' দিয়া নাই, ১৯৭৮ চনৰ ১লা জুলাইৰ পৰাহে দিছো।

*চৈয়দা আনোৱাৰা টাইমুৰ ঃ— আচলতে দেখা যায় কথা আৰু কামৰ মাজত আমি কোনো সঙ্গতী দেখা নাই। আমাৰ গাঁৱলীয়াবাইজে কাগজত ওলোৱা কথা বিলাক দহকৈ ভাবিব নোৱাৰে তেওঁলোকে পোনপতিয়াকৈ কথা বিলাক চিন্তা কৰে, সেইকাৰণে এই কথাবিলাককলৈ বিশেষ দৃষ্টি দিব লাগে আৰু এই অসুবিধা বিলাক অনতিপলমে দূৰ কৰিবলৈ চেষ্টা কৰিব লাগে। ইয়াৰ আগতে এজন মাননীয় সদস্যই কৈ গৈছে যে আমাৰ বহুতো ট্ৰেন্সফাৰ ইত্যাদি উদ্দেশ্য প্ৰণোদিত আৰু ৰাজনৈতিক প্ৰণোদিত ভাবে হৈছে সেইটো ভাল কথা হোৱা নাই। এই বিষয়ে সদনত আলোচনাও হৈছে। মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই ৰাজনৈতিক প্ৰণোদিত কাম বিলাক চৰকাৰে কৰাতো উচিত হোৱা নাই বুলি কহীয়াই কৈ গৈছে।

আৰু এটা কথা মই উনুকিয়াব খুজিছো, সেইটো হৈছে ৰাজনীতি সমন্বয় কাম। তাৰে এটা উদাহৰণ হ'ল, টেজপুৰ জিলাত এজন গৱৰ্ণমেণ্ট উকিলক অলপতে সলাই দিয়া হৈছে। তেওঁৰেই চিডিউলকাষ্টৰ এডভোকেট আছিল। তেওঁ জনতা পাৰ্টিৰ সমৰ্থক নহয় বুলিয়েই এনে কৰা হ'ল। এনে বেয়া কথা। ৰাইজে ৰাজনীতি বিৰোধী বুলি ৰাইজে ধৰিব লয়। সেই কথা বিলাককলৈ দৃষ্টিৰাখিবলৈ মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰীয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

আজি বস্তুৰ দামৰ লগতে কিছুমান বস্তু পাবলৈ নাইকীয়া হৈছে। আগতে ইমান চিমেণ্ট আছিল যে বিদেশলৈও পঠোৱাৰ কথা আছিল। ব্লেক মাৰ্কেটৰটো কথাই নাছিল। কিন্তু এতিয়া চিমেণ্ট পাবলৈ নাই। কিন্তু ৫০/৬০ টকা দিলে ব্লেকমাৰ্কেটত চিমেণ্টৰ অভাব নাই। আৰু বিশেষকৈ ঘৰ কৰিবৰ কাৰণে যিবিলাক আহিলা পাতিৰ দৰ্কাৰ সেই বিলাক বিশেষ ভাবে বজাৰত পাবলৈ নাইকীয়া হৈছে। অথচ জুৰোডৰ বাটৰ কিনাৰৰ সাজি থকা ডাঙৰ ডাঙৰ ঘৰ বিলাক দেখিলে বুজা যায় যে বজাৰত বস্তু পোৱাতেই আছে। এই বিষয়েও মই বৰ্ত্তমান চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

আন এটা কথা হৈছে আমাৰ গাওঁৰ মহকমা বিলাকত দুখিয়া লোক সকলে সৰু সৰু হৈক হোলাৰ মিল কেইটাম ৰাখি চাউল কৰি জীৱিকাৰ ব্যৱস্হা কৰি আছে, তাৰো বৰ্ত্তমান চৰকাৰে মধা মাৰিব বিচাৰিছে।২০ দফীয়া কাৰ্য্যসূচীত এম্প্লেইমেণ্ট মোটিভেটেটি স্কীমত বহুত লোকে বেঙকৰ পৰা লোন আদি লৈ হোলাৰ মিল বিলাক চলাই আছিল। কিন্তু কিছুদিন আগতে চৰকাৰৰ ফালৰ পৰা এখন চাৰকোলাৰ গৈছে যে হোলাৰ মিল বিলাক যদি ডাঙৰ নকৰে তেনেহলে বিভাগৰ তৰফৰ পৰা লাইচেন্স দিয়া নহব। এই ব্যৱস্থাৰ দ্বাৰা উপাধ্যক্ষ মহোদয়, বেপাৰি সকলক হে সহায় কৰা হৈছে। যি সকল গাঁৱৰ মানি দুখীয়া মানুহ তেওঁলোকে বেংকৰ ৭-৮ হাজাৰ লোন লৈ কোনোৰকম এই মিল বিলাক চলাই আছিল কিন্তু নতুন ব্যৱস্হা মতে মিল বিলাক যদি বহল কৰিব লগীয়া হয় তাৰ কমেও ৩০ ৪০ হাজাৰ টকাৰ দৰ্কাৰ হব। সেইটো তেওঁলোকৰ কাৰণে সম্ভৱপৰ নহব।

---

*Speech not corrected

(ভইচ—আপুনি সত্যক ধাকি ৰাখিব খুজিছে। কথাটো ঠিক তেনে নহয় কিবা এটা পাৰ্টচ হে লগাবলৈ কোৱা হৈছে।) কিন্তু তাত যদি ইমান টকাৰ দৰ্কাৰ হয়, তেনেহলে তেওঁলোকৰ পক্ষে এইটো সম্ভৱ নহব।

তাৰ পাচত দুখীয়া মাটিহীন খেতিয়ক সকলৰ ওপৰত কেনে ধৰণৰ অত্যাচাৰ চলিছে তাৰ ওপৰত দুআষাৰমান কব বিছাৰিছো। ভূমিহীন লোক সকলৰ বাৰিষা কালত উচ্ছেদ বন্ধ ৰখা আগৰ চৰকাৰৰ এটা নীতি আছিল, কিন্তু এই চৰকাৰে মোৰ সমষ্টিৰ চেমণুৰ অঞ্চলত ১৬৩ টা গড়াখহনীয়াত পিড়িত পৰিয়ালক আগৰ চৰকাৰে মাটি দিছিল কাগজ পাতিও তেওঁলোকৰ হাতত আছে কিন্তু যি ঠাইত মাটি দিছিল সেই ঠাইত পানী থকা কাৰণে তেওঁলোক য়াব পৰা নাই কিন্তু তৎক্ষণাত এই বাৰিষা কালত তেওঁলোকক উচ্ছেদ কৰা হল। এই মাটিহীন লোক সকল এতিয়া ৰ'দে বৰষুণে লৰা ছোৱালী লৈ হাহাকাৰ কৰি ফুৰিছে। এই সম্পৰ্কে মই ৰাজহ মন্ত্ৰীক লগো কৰিছিলো তেখেতক কাগজ পাতি দেখুৱা হৈছিল কিন্তু তেখেতে কলে যেএচ, ডি, অ'ৰ পৰা ৰিপোৰ্ট অনাৰ পাচতহে তেওঁলোকৰ কেচটো চাব পৰা যাব। কিন্তু এচ, ডি, অ'ৰ পৰা ৰিপোৰ্ট কেতিয়া আহিব এই গড়াখহনীয়াত পিৰিত লোক সকলক এচ, ডি, অ'ই মাটি দিয়া কাগজ খনেই তেওঁলোকৰ হাতত আছে। তেনেকুৱা অৱস্হাত এই বাৰিষা ইমান জৰুৰিমত পেলোৱা কোনো কাৰণ দেখা নাছিলো। এই ধৰণৰ অত্যাচাৰ যদি দুখীয়া মানুহৰ ওপৰত হয় তেনেহলে আজমগড়ত যেনেকৈ জনতা পাৰ্টিক নেওচা দিলে অসমৰ ৰাইজেও তেনেকৈ নেওচা দিব। বাৰিষা বতৰত দুখীয়া মানুহক যাতে এনে ধৰণৰ অত্যাচাৰ নকৰে তাৰ বাবে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিলো।

উপাধ্যক্ষ মহোদয়, আমি দেখিছো জনতা পাৰ্টিৰ কথা আৰু কামৰ মাজত বিসংগতি আছে। যোৱা অধিবেশনত আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে, আগৰ কংগ্ৰেছ চৰকাৰৰ দৰে নিৰ্ব্বাচনত ৰাইজে নাকচ কৰা প্ৰাৰ্থীক কোনো কমিটিৰে সভাপতি বা সদস্য নকৰে কিন্তু দুদিন নহওতেই ভূমি সংস্কাৰৰ যিখন আয়োগ গঠন কৰা হৈছে তাত ৰাইজে নাকচ কৰা প্ৰাৰ্থী এজনকে সভাপতিৰ বাব দিয়া হৈছে। মুখ্যমন্ত্ৰীৰ কথা যদি সহজে সলনি হয় তেনেহলে ৰাইজৰ আস্হা কেনে ভাৱে থাকিব সেইটো সহজে অনুমেয়। আজি তেখেত সকলৰ পাৰ্টিত ৰাজনৈতিক ভাৱে আস্হাৰ কথা উঠিছে ইউ,পি, বিহাৰ, হাৰিয়ানাত দলপতিয়ে বিধায়ক সকলৰ আস্হা বিচাৰিব লগা হৈছে।

উপাধ্যক্ষ মহোদয়, যোৱাটো চৰকাৰ গল। নতুন চৰকাৰে আমি আশা কৰিছো যে ভাল ধৰণে কাৰ্য্যপন্হা লব আৰু দেশখনক অগ্ৰগতিৰ পথত নিবলৈ চেষ্টা কৰিব। তেতিয়াহলে আমি সকলোৱে সন্তোষ লভিব পাৰিম। আমাৰ দেশৰ কল্যাণ সাধন কৰিবলৈ দেশখনত সমাজবাদী সমাজ গঢ়ি তুলিবলৈ ঐকান্তিক চেষ্টা কৰি দেশখনক যাতে আগবঢ়াই নিব পাৰে আৰু তাতেই দেশৰ সকলো চাম লোকৰ সন্তুষ্টি হব। আগৰ আঁচনি বিলাকৰ বহুত ঠাইত সলনি হোৱা দেখিবলৈ পাইছো। আমাৰ চেৰিকালচাৰ উইভিং আদি বিভাগত যিবিলাক আঁচনিৰ কথা আগতে আমি দেখিবলৈ পাইছিলো সেইবিলাক এইবাৰৰ বাজেট বক্তৃতাত সামৰি লোৱা নাই। সেই কাৰণে সেইবিলাক নাকচ হৈছে বুলি চিন্তা হৈছে। আমাৰ দেশৰ ৰাজহ কমি গৈছে কিয়নো দহ বিঘালৈকে মাটিৰ খাজনা মাফ দিয়াৰ কাৰণে আৰু দশম মান শ্ৰেণীলৈকে মাচুল আদি মাফ দিয়াৰ কাৰণেও বহুত ৰাজহ কমি গৈছে। মুঠতে প্ৰায় তিনি কোটি ৰাজহৰ ধন কমি গৈছে। এই মাটি ৰাজহ পুৰাবলৈ আঁচনিৰ জৰিয়তে চেষ্টা কৰিব লাগিব। ইয়াৰ কাৰণে তেল আদিৰ ৰয়েলিটি আৰু চাহ উৎপাদনৰ কাৰণে যি পাবলগীয়া সেইখিনি যদি পোৱা হয় তেতিয়াহলে কিছু পৰিমাণে হলেও এই মাটি ৰাজহ পূৰণ কৰিব পৰা হয়। তেতিয়াহে আমাৰ দেশখন সমৃদ্ধিশালী কৰিব পৰা হব। মই এই কথা কেইটা উপাধ্যক্ষ

মহোদয়ৰ জৰিয়তে মূখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। আজি গোটেই দেশত এটা আতংকৰ সৃষ্টি হৈছে। দেশৰ অৱস্থা দেৰলীয়া হলেহে দেশত আতংকৰ সৃষ্টি হয়। আমি দেখিবলৈ পাইছো যে আমাৰ অৰ্থনৈতিক অৱস্থা নিতান্ত বেয়া হৈ গৈছে। কেৱল ৰাজনৈতিক স্বাৰ্থৰ খাতিৰত যদি দেশৰ অৰ্থনীতি পৰিচালনা কৰা হয় তেতিয়া হলে এই আতংকৰ অৱস্থা কোতয়াও দূৰ নহব। দেশৰ সকলো ফালতে আজি আন্দোলন হৈ আছে। নিবনুৱা সমস্যা সমাধান হোৱা নাই। দুখীয়া ৰাইজে আৰু বেঁচি কষ্ট ভোগ কৰিবলগীয়া হৈছে। আজি দেশত চিভিল ওৱাৰৰ নিচিনা হৈছে। দেশত নতুন চৰকাৰ গঠন হোৱাৰ সময়ত ৰাইজে আশা কৰিছিল আৰু আমিও আশা কৰিছিলো যে সমস্যা সমূহৰ সমাধান হব কিন্তু তাৰ সলনি কেউফালে কেৱল আন্দোলনৰ হে আভাস পোৱা গৈছে। আজি মেডিকেল কলেজৰ ষ্টুডেন্ট সকলে আন্দোলন কৰিব বুলি জনাইছে। পোন্ধৰ মে'ৰ পৰা তেওঁলোকে আন্দোলন কৰিলে আৰু ভয়াবহ অৱস্থাৰ সৃষ্টি হব। মই এই ক্ষেত্ৰত চৰকাৰৰ মনোনিবেশ আশা কৰিলো। আজি নতুন চৰকাৰে আৰম্ভণিতে যি খিনি কৰিম বুলি আশা দিছিল সেইখিনি সম্পূৰ্ণ কৰিব নোৱাৰালেকে ৰাইজৰ মনত অসন্তোষৰ সৃষ্টি চলিয়ে থাকিব। কিন্তু এই পদ্ধতিত যে সম্পূৰ্ণ কৃতকাৰ্য্য হব পাৰিব সেইটোও আশা কৰিব পৰা নাই। সেইবাবে মই এই বাজেট বক্তৃতা সমৰ্থন কৰিব নোৱাৰো।

উপাধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰৰ নিচিনা লৰালৰিকৈ বাজেট দাখিল কৰিবলগীয়া হোৱা পৰিস্থিতিৰ কথা উল্লেখ কৰিছে আৰু তাৰ পৰিপ্ৰেক্ষিততে সম্পূৰ্ণ নীতিৰ উল্লেখ কৰিব পৰা নাই বুলি জনাইছে। কিন্তু এইটো কথা ঠিক যে কেৱল ৰাজনৈতিক দিশৰ পৰা কাম কৰিলেই বা আঁচনি হাতত ললেই দেশখনৰ সামগ্ৰিক উন্নতি আশা কৰিব পৰা নাযায়। খাদ্য দ্ৰব্যৰ দাম কেনেকৈ কমাব পাৰি কেনেকৈ গা কৰি উঠিব খোজা আন্দোলন বিলাক কমাব পাৰি, বঙ্গাইগাঁওকে ধৰি স্থানীয় প্ৰকল্প বিলাকত কেনেকৈ থলুৱা লোকে সংস্থান পাব পাৰে সেইবিলাক কথালৈ চোকা লক্ষ্য ৰাখি অসমৰ ভৱিষ্যত গঢ় দিয়াৰ কাৰণে জনতা মন্ত্ৰী সভাৰ মন্ত্ৰীসকলৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ মন্ত্ৰী) :—মাননীয় সদস্য গৰাকীৰ জ্ঞাতাৰ্থে জনাব খোজো যে মঙ্গলদৈত যি উচ্ছেদ কাৰ্য্য চলিব ধৰিছিল সেই হুকুম আগৰ চৰকাৰৰ আছিল আৰু এতিয়া আমি উচ্ছেদ বন্ধ কৰি এচ-ডি-অ ৰ পৰা প্ৰতিবেদন খুজি যোগাযোগ কৰিছো আৰু পিনৰ যাতে উচ্ছেদ কৰা নহয় সেইটো ব্যৱস্থা লোৱা হৈছে।

চৈয়দা আনোৱাৰা টাইমুৰ :—ধন্যবাদ।

*Speech not correc ed.

Mr. DEPUTY SPEAKER: The budget discussion will resume on the day fixed for general discussions on the budget.

The House now stands adjournred till 10 a m. tomo row (30.5.78)

The House then rose at 5 P. M. and stood adjourned till 10 A.M. on Tuesday the 30th May, 1978.

Dated Dispur
the 29th May, 1978.

P. D. Barua.
Secretary,
Assam Legislative Assembly.

-- 1,250 - 22·11 80